● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

মই মানুহৰ বিষয়ে যিমানে বেছি শিকো, সিমানেই বেছি মই মোৰ কুকুৰটোক ভাল পাবলৈ লওঁ।

মাৰ্ক টোৱেইন
*মাৰ্কিন লেখক*



www.dainikagradoot.in

৫ পঞ্জাৱবাসীক ৩০০ ইউনিট বিনামূলীয়া বিদ্যুতৰ প্ৰতিশ্ৰুতি
১১ ইউৰ'ৰ পৰা বিদায় বিশ্ব চেম্পিয়ন ফ্ৰান্সৰ
৪ বৰ্তমানৰ পৰিস্থিতিত জৰুৰী অৱস্থাৰ বিশ্লেষণ

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ২৬০তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ১৫ আহাৰ ১৪২৮ ভাস্কৰাব্দ ৩০ জুন ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 30 June 2021 মূল্য ঃ ৭.০০ টকা

পাৰদৰ্শিতাৰ খতিয়ান ল'বলৈ আজি বৈঠক আহ্বান প্ৰধানমন্ত্ৰীৰ ■ সম্প্ৰসাৰণ-সালসলনিক লৈ জল্পনা-কল্পনা তুংগত

## মোদী মন্ত্ৰীসভাত ২৭ নতুন মুখ অন্তৰ্ভুক্তি আসন্ন



■ কে'বাখনো ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী-উপ-মুখ্যমন্ত্ৰীৰ নাম সম্ভাব্য তালিকাত ■ বিজেপিৰ কে'বাজনো শক্তিশালী নেতাৰো সম্ভাৱনা উজ্জ্বল ■ খালী হৈ আছে কে'বাটাও গুৰুত্বপূৰ্ণ পদ

■ মানস বন্দ্যোপাধ্যায়
**নতুন দিল্লী, ২৯ জুন ঃ** শীঘ্ৰে সম্পন্ন হ'ব নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ। মোদীয়ে কাইলৈ মন্ত্ৰীসভাৰ বৈঠক আহ্বান কৰাৰ বিষয়টোৱে এই চৰ্চাত সাৰ-পানী যোগাইছে। বিগত কিছুদিন ধৰি মন্ত্ৰীসভা সম্প্ৰসাৰণৰ বিষয়টোৱে ব্যাপকভাৱে চৰ্চিত হৈ আহিছে। প্ৰধানমন্ত্ৰী মোদীয়ে শেহতীয়াকৈ কে'বাজনো কেবিনেট মন্ত্ৰী তথা তেওঁলোকৰ অধীনস্থ মন্ত্ৰণালয়ৰ কাম-কাজৰ খতিয়ান লোৱাক কেন্দ্ৰ কৰি বিষয়টো চৰ্চালৈ আহে। সমান্তৰালভাৱে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে একাংশ বিজেপি সাংসদৰ স'তে এই সংক্ৰান্তত আলোচনাত মিলিত হোৱাক লৈ এই চৰ্চাই অধিক বিস্তৃতি লাভ কৰে। এনে সময়তে কাইলৈ কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ বৈঠকক লৈ জল্পনা-কল্পনাই চূড়ান্ত ৰূপ পাইছে। উচ্চস্তৰীয় চৰকাৰী সূত্ৰত প্ৰকাশ যে আপাত দৃষ্টিত এই বৈঠকত দেশৰ ক'ভিড পৰিস্থিতিক লৈ আলোচনা হ'ব বুলি কোৱা হৈছে যদিও একে সময়তে কে'বাজনো মন্ত্ৰীৰ পাৰদৰ্শিতাৰ খতিয়ান লোৱা হ'ব। কাইলৈ সন্ধিয়া ভাৰ্চুৱেলি *সাত পৃষ্ঠাত চাওক*

■ ৰাজ্যৰ মুঠ সংক্ৰমণৰ হাৰ ২৭.৩১ শতাংশ ■ মৃত্যুৰ হাৰ তিনিগুণ বৃদ্ধি, ৫৫ শতাংশই ০-৫ বছৰৰ শিশু ■ শীৰ্ষত কামৰূপ মহানগৰত

## দ্বিতীয় ঢৌত অসমৰ ১৮ৰ অনূৰ্ধ্বৰ সংক্ৰমণ বৃদ্ধি পালে ৯৬.৬৭ শতাংশ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৯ জুন ঃ** সমগ্ৰ দেশজুৰি ক'ভিডৰ সংক্ৰমণ হ্ৰাস পাবলৈ ধৰাৰ সময়তে অসমত ভয়াৱহ তথ্য প্ৰকাশিত হৈছে। ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন অসমে প্ৰকাশ কৰা তথ্য অনুসৰি ক'ভিডৰ দ্বিতীয় ঢৌত যোৱা এক এপ্ৰিলৰ পৰা ২৬ জুনলৈ ৰাজ্যত দুই লাখ ৮০ হেজাৰ ৫০৪জন আক্ৰান্ত হৈছে। ইয়াৰে ১৮ বছৰৰ তলৰ আক্ৰান্তৰ সংখ্যা ৩৪,৬০৬জন। উদ্বেগজনকভাৱে ক'ভিড অতিমাৰীৰ প্ৰথম ঢৌতকৈ দ্বিতীয় ঢৌত ৰাজ্যত ১৮ বছৰ অনূৰ্ধ্বৰ শিশু আৰু কিশোৰ-কিশোৰীৰ সংক্ৰমণ হাৰ ৯৬.৬৭ শতাংশ বৃদ্ধি পাইছে। অথচ ৰাজ্যত মুঠ সংক্ৰমণৰ হাৰৰ বৃদ্ধিৰ পৰিমাণ ২৭.৩১ শতাংশ। ৰাজ্যখনত ১৮ বছৰ অনূৰ্ধ্বৰ মৃত্যুৰ সংখ্যাও তিনিগুণতকৈ *আঠ পৃষ্ঠাত চাওক*

## সকলো ৰাজ্যক নিৰ্দেশ সৰ্বোচ্চ ন্যায়ালয়ৰ ৩১ জুলাইৰ ভিতৰত 'এক দেশ, এক ৰেচন কাৰ্ড' ব্যৱস্থা প্ৰৱৰ্তনৰ নিৰ্দেশ

■ মানস বন্দ্যোপাধ্যায়
**নতুন দিল্লী, ২৯ জুন ঃ** অহা ৩১ জুলাইৰ ভিতৰত দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত 'এক দেশ, এক ৰেচন কাৰ্ড' ব্যৱস্থা প্ৰৱৰ্তনৰ নিৰ্দেশ দিলে উচ্চতম ন্যায়ালয়ে। এই নিৰ্দেশনাৰ লগতে সৰ্বোচ্চ ন্যায়ালয়ে বিভিন্ন ৰাজ্যত কৰ্মৰত *আঠ পৃষ্ঠাত চাওক*

## মাজনিশা পৰ্যবেক্ষণ স্বাস্থ্যমন্ত্ৰী মহন্তৰ

■ জি এম চি এইছত ভৰ্তিৰ ২৪ ঘণ্টাৰ ভিতৰত ১২ ক'ভিড ৰোগীৰ মৃত্যু ■ ক'ভিড চিকিৎসা ব্যৱস্থাপনাত সালসলনিৰ নিৰ্দেশ ■ দৈনিক প্ৰকাশ কৰিব স্বাস্থ্য বুলেটিন

# নিশা দায়িত্বত নাই জ্যেষ্ঠ চিকিৎসক



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৯ জুন ঃ** অসমত ক'ভিডত সংক্ৰমিতৰ হাৰ ক্ৰমে হ্ৰাস হ'লেও মৃত্যুৰ সংখ্যা তুলনামূলকভাৱে এই পৰ্যন্ত অধিক হৈয়ে আছে। আজি ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়কেইখনৰ কৰ্তৃপক্ষৰ স'তে স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ এখন বৈঠকত এই মত পোষণ কৰা হয়। উল্লেখ্য যে কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল (জি এম চি এইছ)ত ভৰ্তি হোৱাৰ ২৪ ঘণ্টাৰ ভিতৰত ১২ জন ক'ভিড ৰোগীয়ে মৃত্যুক সাবটি লয়। চিকিৎসালয়খনৰ অধীক্ষক ডাঃ অভিজিৎ শৰ্মাই সদৰী কৰা অনুসৰি ভৰ্তি হোৱাৰ সময়ত ৫০ বছৰৰ উৰ্ধ্বৰ আটাইকেইজন ৰোগীৰ অক্সিজেনৰ পৰিমাণ ৯০ শতাংশৰ তলত আছিল। তদুপৰি তেওঁলোকে প্ৰতিষেধকো লোৱা নাছিল। মৃতসকলৰ ভিতৰত শোণিতপুৰৰ পৰা প্ৰেৰণ কৰা এজন ৰোগীও আছিল। *আঠ পৃষ্ঠাত চাওক*

## ক'ভিডত উপাৰ্জনহীন হৈ অধিবক্তাৰ আত্মহত্যা বিলাসীপাৰাত

**বিশেষ সংবাদদাতা**
**বিলাসীপাৰা, ২৯ জুন ঃ** কৰ'না পৰিস্থিতিয়ে সৃষ্টি কৰা নিৰ্মম পৰিস্থিতিৰ এক বাস্তৱ ৰূপ দেখা গ'ল বিলাসীপাৰা মহকুমাত। ক'ভিড পৰিস্থিতিত উপাৰ্জনহীন হৈ আত্মহননৰ দৰে চৰম পন্থা বাচি ল'বলগীয়া হ'ল এজন অধিবক্তাই। আজি পুৱতি *আঠ পৃষ্ঠাত চাওক*



■ ৰাজ্যিক বিজেপিৰ কাৰ্যনিৰ্বাহক সম্পন্ন ■ কংগ্ৰেছক বহুৰূপী আখ্যা নড্ডাৰ ■ কেন্দ্ৰীয় নেতৃত্বৰ উন্নয়নৰ সপোন বাস্তৱায়িত হ'ব ঃ মুখ্যমন্ত্ৰী

## দলীয় কৰ্মকৰ্তাসকল সদায় মোৰ মূৰৰ ওপৰত থাকিব ঃ ভৱেশ কলিতা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৯ জুন ঃ** ৰাজ্যিক বিজেপিৰ আজি অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাত দিল্লীৰ পৰাই ভিডিঅ' কনফাৰেন্সযোগে ভাষণ দি দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডাই কয় যে কংগ্ৰেছ আৰু এআইইউডিএফকে আদি কৰি বিৰোধী ৰাজনৈতিক দলসমূহ ৰাজনৈতিক পৰ্যটকৰ দৰে অসমলৈ নিৰ্বাচনৰ সময়তহে আহে আৰু যায়। মহানগৰীৰ হেঙেৰাবাৰীস্থিত বাজপেয়ী ভৱনত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাত উপস্থিত তথা ৰাজ্যৰ বিভিন্ন জিলাৰ পৰা ভিডিঅ' কনফাৰেন্সযোগে *আঠ পৃষ্ঠাত চাওক*

## কোন চাৰি কৌৰৱে বিৰোধিতা কৰিছিল দাসৰ!

সফল কাৰ্যকালৰ অন্তত বিদায়ী সভাপতিৰ অনুভৱ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৯ জুন ঃ** সফল কাৰ্যকালৰ সামৰণি মাৰি ৰাজ্যিক বিজেপিৰ বিদায়ী সভাপতি ৰঞ্জিত কুমাৰ দাসে আজি ছ'চিয়েল মিডিয়াৰ যোগেদি নিজৰ অনুভৱ ব্যক্ত কৰে। তাতেই তেওঁ চাৰিজন কৌৰৱে বিৰুদ্ধাচৰণ কৰিছিল বুলি উল্লেখ কৰাত ইয়াকে লৈ আজি দলৰ একাংশ কৰ্মীৰ মাজত চৰ্চা চলে। উল্লেখ্য যে আজি অনুষ্ঠিত হয় ৰাজ্যিক বিজেপিৰ কাৰ্যনিৰ্বাহক সভা। এই সভাতে দাসে নৱনিৰ্বাচিত সভাপতি ভৱেশ কলিতাক কাৰ্যভাৰ অৰ্পণ কৰে। ইয়াৰ পূৰ্বে বিদায়ী সভাপতি দাসে পুৱা সামাজিক *আঠ পৃষ্ঠাত চাওক*

তদন্তৰ বাবে নি থকা অৱস্থাত পলায়নৰ চেষ্টা

## অপহৰণত জড়িত আৰক্ষী গুলিবিদ্ধ হ'ল আৰক্ষীৰ দ্বাৰা

পুনৰ দুজনক গ্ৰেপ্তাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/জাগীৰোড, ২৯ জুন ঃ** এইবাৰ গুৱাহাটীৰ সমীপতে ড্ৰাগছৰ ধনৰ লেনদেনৰ অভিযোগত আৰক্ষীৰ দ্বাৰাই গুলিবিদ্ধ হ'ল এজন আৰক্ষী। মৰিগাঁৱৰ ঘগুৱাত যোৱা নিশা এই ঘটনা সংঘটিত হয়। উল্লেখ্য যে ড্ৰাগছৰ ব্যৱসায়ত জড়িত অজিত দাস *আঠ পৃষ্ঠাত চাওক*

উদালীত চিকিৎসকক আক্ৰমণৰ ঘটনা ■ তিনি নাবালক অভিযুক্তৰ বিৰুদ্ধেও জুভেনাইল ক'ৰ্টত অভিযোগনামা দাখিল আৰক্ষীৰ

## মহিলাসহ ৩৬জনক অভিযুক্ত কৰি ৬৩৯ পৃষ্ঠাৰ অভিযোগনামা দাখিল

৪৬জন সাক্ষীৰ ভাষ্য সন্নিবিষ্ট ■ শীঘ্ৰে বিচাৰ





**অগ্ৰদূত বাৰ্তা**
**কাকী/যমুনামুখ/হোজাই/লংকা, ২৯ জুন ঃ** সমগ্ৰ ৰাজ্যক কঁপাই যোৱা উদালীৰ চিকিৎসক-নাৰ্ছক আক্ৰমণৰ ঘটনাৰ অভিযোগনামা দাখিল কৰিলে আৰক্ষীয়ে। উক্ত বৰ্বৰ কাণ্ডৰ ক্ষিপ্ৰতাৰে তদন্ত কৰি হোজাই আৰক্ষীয়ে আজি হোজাইৰ শংকৰদেৱনগৰ জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত ৬৩৯ পৃষ্ঠাযোৱা অভিযোগনামা দাখিল কৰে। হোজাইৰ উপ আৰক্ষী অধীক্ষক ৰ'জী তালুকদাৰৰ নেতৃত্বত পাঁচজনীয়া তদন্তকাৰী দলে দাখিল কৰা এই অভিযোগনামাত *আঠ পৃষ্ঠাত চাওক*

## মহকুমাধিপতি কাৰ্যালয়ৰ সন্মুখৰ পৰাই লুটিলে চাৰে ছয় লাখ টকা

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ২৯ জুন ঃ** আজি আবেলি প্ৰায় চাৰি বজাত উত্তৰ শালমাৰা মহকুমাধিপতিৰ অভয়াপুৰীস্থিত কাৰ্যালয়ৰ সন্মুখৰ পৰা দুৰ্বৃত্তৰ দলে নগদ চাৰে ছয় লাখ টকা লুটি নিয়ে। বংকিমমল্ল দাসৰ মাটি বিক্ৰী *আঠ পৃষ্ঠাত চাওক*

এপিএছচিৰ অন্তহীন কেলেংকাৰিৰ তথ্য

## ৰাকেশ পালৰ পলাতক ভ্ৰাতৃৰ ছপাশালত প্ৰস্তুত উত্তৰ বহীতে জালিয়াতি



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৯ জুন ঃ** অসম লোকসেৱা আয়োগ (এপিএছচি)ৰ নতুনকৈ গতি লাভ কৰা নিযুক্তি কেলেংকাৰিৰ তদন্তত পুনৰ উচ্চাৰিত হৈছে ৰাজেশ পালৰ নাম। প্ৰাক্তন অধ্যক্ষ কুখ্যাত ৰাকেশ পালৰ বিগত পাঁচ বছৰে ৰহস্যজনকভাৱে সন্ধানহীন হৈ থকা ভ্ৰাতৃ ৰাজেশ পালৰ ছপাশালত প্ৰস্তুত কৰা হৈছিল এপিএছচিৰ ২০১৩ৰ সংযুক্ত বাছনি পৰীক্ষাৰ নকল (ডুপ্লিকেট) বহী। এনে বহীত কিতাপ চাই উত্তৰ লিখি পালৰ কৃপাত *আঠ পৃষ্ঠাত চাওক*

## অসম চুক্তি ৰূপায়ণৰ সন্দৰ্ভত যুৱ-ছাত্ৰৰে বৈঠক মন্ত্ৰী বৰাৰ



পৰিষদৰ কাৰ্যালয়ত উপস্থিত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৯ জুন ঃ** ঐতিহাসিক অসম আন্দোলনৰ অন্যতম অংশীদাৰ সংগঠন অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ গুৱাহাটীস্থিত কেন্দ্ৰীয় কাৰ্যালয় বিষ্ণু ৰাভা ভৱনত, সংগঠনটোৰ *আঠ পৃষ্ঠাত চাওক*

## ৰাজ্যত নতুনকৈ প্ৰাণ হেৰুৱালে ২৭ জনে, আক্ৰান্ত ২,৬৭২ জন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৯ জুন ঃ** ৰাজ্যত শেহতীয়াকৈ উদ্বেগজনকভাৱে বৃদ্ধি পাইছে শিশুৰ শৰীৰত ক'ভিড-১৯ৰ সংক্ৰমণ। বিগত কিছুদিনত ৰাজ্যৰ ন ন স্থানৰ পৰা শিশু-কিশোৰ ক'ভিডত আক্ৰান্ত হোৱাৰ তথ্য পোহৰলৈ আহিছে। আজিও একাধিক জিলাত শিশুৰ শৰীৰত ক'ভিডৰ সংক্ৰমণ ধৰা পৰে। ইফালে, *সাত পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৪° | ২৫° |
| ডিব্ৰুগড় | ৩১° | ২৫° |
| দিল্লী | ৪৩° | ৩১° |
| কলকাতা | ৩৪° | ২৭° |
| মুম্বাই | ৩১° | ২৮° |
| চেন্নাই | ৩৪° | ২৫° |
| বাংগালুৰু | ২৮° | ২০° |
| শ্বিলং | ২২° | ১৯° |

২৯ জুন, ২০২১

### চেঙা তেল



*লিষ্টত নামটো সোমোৱা বুলি শুনিছো, আমন্ত্ৰণ পাওঁ বুলি ফোনটোলৈ ৰৈ আছো!*

■ হঠাৎ চীন সীমান্তত নিয়োগ দুই লাখ ভাৰতীয় সেনা ■ সমস্যা সমাধানৰ বাবে আলোচনাৰ আহ্বানৰ মাজতে বৃদ্ধি পালে উত্তেজনা

## ভাৰত সীমান্তত ছমাহ ধৰি শতাধিক সশস্ত্ৰ অনুশীলন চীনা সৈন্যৰ



■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৯ জুন ঃ** পুনৰ উন্মোচিত হ'ল চীনৰ দুমুখীয়া নীতি। এফালে, চীনে সীমান্ত সমস্যা সমাধানৰ বাবে ভাৰতক বৈঠকত অংশ ল'বলৈ আহ্বান জনাইছে আৰু আনফালে একেখন দেশে প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত ধাৰাবাহিকভাৱে নিয়োজিত সৈন্যৰ সংখ্যা বৃদ্ধি কৰিছে। সংবাদ সংস্থা ব্লুমবাৰ্গে প্ৰকাশ কৰা অনুসৰি, বিগত ছমাহ ধৰি *আঠ পৃষ্ঠাত চাওক*

## এন এল এফ বিৰ নেতা বাথা-বকোৰ অৱস্থিতিক লৈ অজ্ঞতা বিষ্ণুৱৰ

## চুৰি মটৰ চাইকেল উগ্ৰপন্থীৰ হাতলৈ

৩৬খন চুৰি দুচকীয়া উদ্ধাৰ



**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ২৯ জুন ঃ** পশ্চিম অসমৰ বিভিন্ন স্থানৰ পৰা নিয়মীয়াকৈ চুৰি হোৱা মটৰ চাইকেলসমূহৰ বেছিভাগেই ভাৰত-ভূটান সীমান্তৰ অঞ্চলত বিক্ৰী কৰি আহিছে চোৰৰ দলে। তেনে মটৰ চাইকেলেই ব্যৱহাৰ কৰে উগ্ৰপন্থী সংগঠনেও। যোৱা ১০ দিনত চিৰাং আৰক্ষীয়ে ৩৬ খন মটৰ *আঠ পৃষ্ঠাত চাওক*

## ১০২ দিন পাছত দেশত সংক্ৰমণ ৪০ হেজাৰৰ তলত

তৃতীয় ঢৌ আহিবনে? প্ৰশ্ন সংসদীয় সমিতিৰ

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৯ জুন ঃ** ৪০ হেজাৰৰ তললৈ নামিল দেশৰ দৈনিক কৰ'না সংক্ৰমণ। ১৯ মাৰ্চৰ পাছত প্ৰথমবাৰৰ বাবে দেশত কৰ'নাত দৈনিক আক্ৰান্তৰ সংখ্যা সৰ্বনিম্ন হ'ল। অৰ্থাৎ ১০২ দিন পাছত ভাৰতত দৈনিক কৰ'না আক্ৰান্তৰ সংখ্যা ৪০ হেজাৰতকৈ কম হ'ল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ প্ৰকাশিত *আঠ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ৩০ জুন, ২০২১ বুধবাৰ পৃষ্ঠা তিনি

# পুৱতি নিশাৰে পৰা শাৰী পাতি বিমৰ্ষ মনৰে ঘৰমুৱা বহু লোক

## নগাঁৱত প্ৰতিষেধকৰ নাটনি

বিশেষ সংবাদদাতা

**নগাঁও, ২৯ জুন ঃ** ক'ভিড-১৯ৰ সংক্ৰমণে ৰাজ্যৰ অন্যান্য জিলাৰ লগতে নগাঁও জিলাতো ভয়াৱহ ৰূপ ধাৰণ কৰাৰ সময়তে আজি নগাঁৱত ক'ভিড-১৯ৰ প্ৰতিষেধকৰ নাটনিয়ে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে নগাঁও জিলাত চাৰিটা স্থায়ী ক'ভিড প্ৰতিষেধক কেন্দ্ৰ আছে। সেইকেইটা হৈছে ক্ৰমে নগাঁও চৰকাৰী বালক উচ্চতৰ মাধ্যমিক ছয় পৃষ্ঠাত চাওক

# টিহু-দেখাটাত কালদিয়াৰ খহনীয়াৰ তাণ্ডৱ



## হেলনা ৰাস মন্দিৰ, প্ৰাথমিক চিকিৎসালয়লৈ ভাবুকি

**পাটাছাৰকুছি, ২৯ জুন ঃ** কালদিয়া নৈৰ খহনীয়াই বজালী জিলাৰ টিহু-দেখাটাত অঞ্চলত ভয়াৱহ ৰূপ ধাৰণা কৰিছে। হেলনাৰ দুঠাইত নৈখনৰ খহনীয়াই নিদ্ৰাহৰণ কৰিছে নৈপৰীয়া ৰাইজৰ। হেলনা বজাৰৰ পৰা হাজিৰাপাৰালৈ যোৱা পথ তথা মথাউৰিটোৰ প্ৰায় ডেৰ ফুট অংশ খহনীয়াত নৈৰ বুকুত জাহ যাবলৈ বাকী ৰৈছে। উক্ত অংশত ৰাইজে বাঁহ পুতি খহনীয়া প্ৰতিৰোধ চেষ্টা চলোৱা হৈছে যদিও ইতিমধ্যে মথাউৰিৰ কিছু অংশ নৈৰ বুকুত জাহ গৈছে। বৰ্তমানলৈ নৈত পানী বাঢ়িলেই সেই ছয় পৃষ্ঠাত চাওক

# ৰূপহীহাটৰ জৰথনিত স্বামীয়ে হত্যা কৰিলে পত্নীক

অগ্ৰদূত বাৰ্তা

**ৰূপহীহাট, ২৯ জুন ঃ** নগাঁও জিলাৰ ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্গত জৰথনী গাঁৱত সংঘটিত এক হত্যাকাণ্ডই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। যোৱা নিশা জৰথনী গাঁৱত ৰফিকুল ইছলাম নামৰ এজন লোকে নিজৰ পত্নীক হত্যা কৰাৰ অভিযোগ উঠিছে। নিহত মহিলাগৰাকীৰ নাম মুৰ্শিদা খাতুন। ৰফিকুলৰ পূৰ্বৰ দুগৰাকী পত্নী ছয় পৃষ্ঠাত চাওক

# নগাঁও অসামৰিক চিকিৎসালয়ৰ পৰা ক'ভিড ৰোগীৰ পলায়ন

বিশেষ সংবাদদাতা

**নগাঁও, ২৯ জুন ঃ** এজন ক'ভিড ৰোগীয়ে পলায়ন কৰা ঘটনাই আজি নগাঁও চহৰৰ ছহিদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ ক'ভিড হাস্পতালত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। অৱশ্যে পৰৱৰ্তী সময়ত ৰোগীজনক আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ নিৰাপত্তাক নেওচা দি পলায়ন কৰা ৰোগীজন কামপুৰ দেউৰী গাঁৱৰ ৰমাকান্ত লস্কৰ (৪৬) বুলি চিকিৎসালয়ৰ সূত্ৰই জনাইছে। সূত্ৰই জনোৱা মতে, ক'ভিডত আক্ৰান্ত লস্কৰক কালি বিয়লি পাঁচ বজাত অসামৰিক চিকিৎসালয়ৰ ক'ভিড হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। আজি পুৱাৰ ভাগত ৰোগীজনৰ কিছু সন্দেহজনক চাল-চলন চিকিৎসালয়ৰ চিকিৎসকে প্ৰত্যক্ষ কৰিছিল। কিন্তু দুপৰীয়া ৰোগীজনে আৰক্ষীৰ চকুত ধূলি দি চিকিৎসালয়ৰ পৰা পলায়ন কৰে। ইয়াৰ পাছতে চিকিৎসক আৰু ছয় পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে



# বিদ্যুৎ বিল নিদিয়া গ্ৰাহকৰ সংযোগ বিচ্ছিন্ন কৰা হ'ব

## কোকৰাঝাৰত শক্তিমন্ত্ৰী বিমল বৰা

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২৯ জুন ঃ** অসমৰ শক্তি আৰু সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই আজি কোকৰাঝাৰ ভ্ৰমণ কৰে। মন্ত্ৰী বৰাই প্ৰথমে কোকৰাঝাৰৰ এপিডিচিএলৰ কাৰ্যালয় পৰিভ্ৰমণ কৰি বিভাগীয় বিষয়া-কৰ্মচাৰীৰ স'তে বিদ্যুতৰ সমস্যাৰ সম্পৰ্কে এক আলোচনাত মিলিত হয়। ইয়াৰ পাছত মন্ত্ৰীজনে ধুবুৰী বিলাসীপাৰালৈ গৈ বিভাগীয় কাৰ্যালয়ত কৰ্মচাৰীৰ স'তে আলোচনাত মিলিত হৈ বিদ্যুৎ গ্ৰাহকৰ মাচুল নিদিয়াৰ সন্দৰ্ভত বুজ লয়। ধুবুৰীৰ পৰা উভতি আহি কোকৰাঝাৰ জিলা বিজেপি কাৰ্যালয়ত দলীয় কৰ্মকৰ্তাৰ স'তে আলোচনাত মিলিত হয় মন্ত্ৰীজনে। সংবাদ মাধ্যমৰ আগত তেওঁ সদৰী কৰা মতে, বহু বিদ্যুৎ গ্ৰাহকে বিদ্যুৎ মাচুল দিয়া নাই। সেয়ে যিসকল গ্ৰাহকে বিদ্যুৎ মাচুল দিয়া নাই সেই গ্ৰাহকসকলক একৰ পৰা ১০ তাৰিখৰ ভিতৰত বিদ্যুৎ সংযোগ বিচ্ছিন্ন কৰি দিয়া হ'ব বুলি জানিবলৈ দিয়ে। কালি মন্ত্ৰী বৰাই যুৱকসকলৰ স'তে ফটো চেল্ফী লৈ ক'ভিড নীতি অমান্য কৰা কথা স্বীকাৰ কৰি তাৰ বাবে ক্ষমা বিচাৰি পৰৱৰ্তী সময়ত এনে কাণ্ড নকৰে বুলি কয়।

# শিল্পী পেঞ্চনৰ পৰা বঞ্চিত বড়ো ভাষাৰ অনাতাঁৰৰ দ্বিতীয়জন কণ্ঠশিল্পী পদ্মধৰ বসুমতাৰী

## সুদীৰ্ঘ দিন ধৰি আৰ্থিক দৈন্যত জৰ্জৰিত



বিশেষ সংবাদদাতা

**ভৱানীপুৰ, ২৯ জুন ঃ** সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কালজয়ী গীত 'বিস্তীৰ্ণ পাৰৰে অসংখ্য জনৰে হাহাকাৰ শুনিও নিঃশব্দে নীৰবে বুঢ়া লুইত তুমি...' শীৰ্ষক গীতটি প্ৰথমবাৰৰ বাবে বড়ো ভাষালৈ ৰূপান্তৰ কৰি অসমৰ বিভিন্ন স্থানত বড়ো ভাষাত গীত গাই সংগীত প্ৰেমী জনতাৰ হৃদয় স্পৰ্শ কণ্ঠশিল্পী পদ্মধৰ বসুমতাৰী। অকল সেয়াই নহয় ড° ভূপেন হাজৰিকাৰ কে'বাটাও কালজয়ী গীত বড়ো ভাষালৈ ৰূপান্তৰেৰে বড়ো ভাষাত গীত গাই জনপ্ৰিয়তা অৰ্জন কৰিছে বসুমতাৰীয়ে। সম্প্ৰতি ৭৫ বছৰীয়া শিল্পী বসুমতাৰী অনাতাঁৰ কেন্দ্ৰৰ দ্বাৰা স্বীকৃতি প্ৰাপ্ত বড়ো লোকসংগীতৰ দ্বিতীয়জন ছয় পৃষ্ঠাত চাওক

## হাওৰাঘাট পৌৰসভাৰ অধ্যক্ষৰ বিৰুদ্ধে সতীৰ্থৰ অনাস্থা ঃ সচিব প্ৰধানক স্মাৰকপত্ৰ

# কাৰ্বি আংলং বিজেপিত বিদ্ৰোহৰ উকমুকনি



ফেপেৰি পাতি নগাই বেদখল কৰা দিচৈ ভেলী সংৰক্ষিত বনাঞ্চলত অসম আৰক্ষীৰ বেটেলিয়ান শিবিৰ স্থাপন, মঙলবাৰে।

অগ্ৰদূত বাৰ্তা

**হাওৰাঘাট, ২৯ জুন ঃ** কাৰ্বি আংলং বিজেপিত দেখা দিছে বিদ্ৰোহৰ উকমুকনি। হাওৰাঘাট পৌৰসভাৰ অধ্যক্ষৰ পদক লৈ আৰম্ভ হৈছে খোৱা-কামোৰা। নিৰ্বাচিত মনোনীত আটাইকেইজন ৱাৰ্ড কমিছনাৰৰ অনাস্থা প্ৰস্তাৱ অধ্যক্ষ প্ৰতাপ সন্দিকৈৰ বিৰুদ্ধে। কাৰ্বি আংলং জিলাৰ বিজেপি শাসনাধিষ্ঠ পাঁচ বছৰীয়া হাওৰাঘাট পৌৰসভা গঠনৰ তিনিটা বছৰো সম্পূৰ্ণ হোৱা নাই, কিন্তু আৰম্ভ হৈছে অধ্যক্ষ পদক লৈ খোৱা-কামোৰা। অধ্যক্ষ প্ৰতাপ সন্দিকৈয়ে যোৱা আঢ়ৈটা বছৰে নগৰখনৰ উন্নয়নত পিঠি দি কেৱল একনায়কত্ববাদ চলোৱাৰ অভিযোগ উত্থাপন কৰিছে সতীৰ্থসকলে। প্ৰতাপ সন্দিকৈক অধ্যক্ষ পদৰ পৰা অপসাৰণ কৰিবলৈ কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ প্ৰধান সচিবক স্মাৰকপত্ৰ প্ৰদান কৰে পৌৰসভাৰ বাকী পাঁচ সদস্য ক্ৰমে মমিত খাখলাৰী, ৰমেশ কেম্প্ৰাই, সজল দেৱ, ৰঘুনাথ দাস আৰু জয়প্ৰকাশ গোৱালাই। উল্লেখ্য যে বিজেপিৰ নেতৃত্বত এইবাৰ হাওৰাঘাট পৌৰসভা গঠন হোৱাৰ সময়ত পাঁচ বছৰীয়া কাৰ্যকালত হাওৰাঘাটৰ এক নম্বৰ ৱাৰ্ডৰ নিৰ্বাচিত সদস্য সন্দিকৈয়ে প্ৰথম আঢ়ৈ বছৰ আৰু বাকী আঢ়ৈ বছৰ আন এগৰাকী ছয় পৃষ্ঠাত চাওক

# চিৰাঙত বৰতালোৱাত কৃত্ৰিম বানপানীত ঘৰে ঘৰে পানী ঃ নিৰ্বিকাৰ কাজলগাঁও পৌৰসভা



অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২৯ জুন ঃ** কালিৰে পৰা হোৱা নেৰানেপেৰা বৰষুণত কৃত্ৰিম বানপানীত ককবকাইছে বৰতালোৱা গাঁওবাসী। চিৰাং জিলাৰ কাজলগাঁও পৌৰসভাৰ দুই নম্বৰ ৱাৰ্ডৰ বৰতালোৱাৰ ঘৰে ঘৰে পানী সোমোৱাত বিনিদ্ৰ ৰজনী কটাবলগীয়া হৈ গাঁওবাসী। পূৰ্বৰে পৰা কাজলগাঁও পৌৰসভাক জনোৱাৰ পাছতো কোনো ব্যৱস্থা গ্ৰহণ নকৰাত আজি কৃত্ৰিম বানপানীৰ কৱলত পৰা বুলি অভিযোগ কৰে গাঁওবাসীয়ে। গাঁওখনৰ প্ৰায় শতাধিক ঘৰত পানী সোমাই থকাৰ পৰিৱেশ নোহোৱা হৈছে। বাট-পথত পানী, ঘৰে ঘৰে পানী। কিন্তু জিলা প্ৰশাসন বা পৌৰসভাৰ কোনো গুৰুত্ব প্ৰদান কৰা নাই বুলি অভিযোগ কৰে বৰতালোৱাবাসীয়ে। গাঁৱৰ মাজেৰে যোৱা নলাটো এঘৰৰ পট্টা মাটিত থকাৰ বাবেই সেয়া বন্ধ হোৱাত এই কৃত্ৰিম বানৰ সমস্যাৰ সৃষ্টি হৈছে।

## মালিবাৰী-ছমৰীয়া পথৰ জলজলী নদীত দলং নিৰ্মাণৰ দাবী

# নাৱেৰে বিপদসংকুল যাতায়াত অৰ্ধলক্ষাধিক লোকৰ



অগ্ৰদূত বাৰ্তা

**আলোপতি, ২৯ জুন ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত পুৰাণ মালিবাৰী-ছমৰীয়া সংযোগী পথৰ জলজলী নৈৰ ওপৰত স্বাধীনতাৰ ৭৪ বছৰ পাছতো নিৰ্মাণ নহ'ল দলং। জলজলী নদীয়ে দুয়োটা অঞ্চলক পৃথক কৰি ৰখাত যাতায়াতৰ ক্ষেত্ৰত চৰম দুৰ্ভোগ ভুগিবলগীয়া হৈছে বৃহত্তৰ অঞ্চলটোৰ অৰ্ধ লক্ষাধিক লোক। জলজলী নৈখন পাৰাপাৰৰ বাবে বছৰ বছৰ ধৰি এখন নাৱেই হৈছে যাতায়াতৰ একমাত্ৰ ভৰসা। সাধাৰণ নদী এখনত দলং নথকা বাবেই অঞ্চলটোৰ ৰাইজে এম্বুলেন্স, অগ্নিনিৰ্বাপক আদি জৰুৰীকালীন সেৱাৰ পৰাও বঞ্চিত হ'বলগীয়া হৈছে। নিতৌ বৃহত্তৰ অঞ্চলটোৰ ৰাইজে এক বিপদসংকুল পৰিৱেশৰ মাজেৰে যাতায়াত অব্যাহত ৰাখিবলগীয়া হৈছে। বিগত দিনত ছয় পৃষ্ঠাত চাওক

# মন্দিয়াত পথৰ দাঁতিত নৱজাতকৰ মৃতদেহ উদ্ধাৰ

**মন্দিয়া, ২৯ জুন ঃ** বৰপেটা জিলাৰ মন্দিয়া আৰক্ষী চকীৰ অন্তৰ্গত দুই নম্বৰ বৰদলনীত এটি নৱজাতক কন্যা সন্তানৰ মৃতদেহ উদ্ধাৰ হোৱাত অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰত্যক্ষদৰ্শীয়ে জানিবলৈ দিয়া মতে আজি আবেলি তিনি বজাত মন্দিয়া আৰক্ষী চকীৰ আৰক্ষীৰ এটি দলে ঘটনাস্থলীত উপস্থিত হৈ পথৰ দাঁতিত পৰি থকা অৱস্থাত নৱজাতক শিশুটিৰ মৃতদেহ উদ্ধাৰ কৰি লৈ যায়। সম্প্ৰতি উক্ত নৱজাতক কন্যা শিশুটিৰ মৃতদেহ কোনে কিয় পেলাই থৈ গ'ল সেয়া আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে যদিও কোনোবাই নিজৰ কলংক ঢাকিবলৈ এইদৰে পেলাই থৈ যোৱা বুলি সন্দেহ কৰিছে।

# দাওধাৰা সংৰক্ষিত বনাঞ্চলত বিদ্যালয় স্থাপনৰ নামত কাটি তহিলং মূল্যবান গছ-গছনি



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২৯ জুন ঃ** মানাহৰ দাঁতিকাষৰীয়া তথা বাগ্‌সাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত দাওধাৰ সংৰক্ষিত বনাঞ্চলত সংঘটিত হৈছে এক ভয়ংকৰ ঘটনা। বিদ্যালয় স্থাপনৰ নামত স্থানীয় এখন গাঁৱৰ লোকে কোনো অনুমতি অবিহনে কাটি তহিলং কৰে সংৰক্ষিত বনাঞ্চলখনৰ বহু মূল্যবান ছয় পৃষ্ঠাত চাওক

# বৰছলাত বিশেষভাৱে সক্ষম যুৱকে দেখুৱাইছে স্বাৱলম্বিতাৰ নিদৰ্শন



## গঢ়িছে সেউজ বিপ্লৱ

অগ্ৰদূত বাৰ্তা

**ঠেলামৰা, ২৯ জুন ঃ** মনত প্ৰবল ইচ্ছা শক্তি আৰু কিবা এটা কৰাৰ বাবে লক্ষ্য স্থিৰ কৰিলে কোনো সমস্যাই বাধাৰ প্ৰাচীৰ হৈ থিয় হ'ব নোৱাৰে। শাৰীৰিক বাধাক নেওচি জীৱন সংগ্ৰামত আগুৱাই যাব পাৰিব। শাৰীৰিক অক্ষমতাক নেওচি বিশেষভৱে সক্ষম এজন যুৱকৰ জীৱন সংগ্ৰামে বহুতকে দেখুৱাব স্বনিৰ্ভৰশীলতাৰ বাট। এইজন শোণিতপুৰ জিলাৰ বৰছলাৰ এক নম্বৰ শিঙীমাৰী গাঁৱৰ বিশেষভাৱে সক্ষম লোকেন্দ্ৰ বৰা। যুৱকজনে ক'ভিডৰ জটিল পৰিস্থিতিত গঢ়িছে সেউজ বিপ্লৱ। শাৰীৰিক বাধা নেওচি তেওঁ বিভিন্ন ধৰণে খেতি কৰি পৰিয়াল পোহপাল দিছে। বিশেষভাৱে ছয় পৃষ্ঠাত চাওক

# গোৱালপাৰা চহৰৰ বিভিন্ন ঠাইত কৃত্ৰিম বানপানী



অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৯ জুন ঃ** যোৱা নিশাৰে পৰা হোৱা নেৰানেপেৰা বৰষুণৰ ফলত গোৱালপাৰা চহৰৰ শান্তি নগৰ আৰু বাপুজীনগৰকে ধৰি বিভিন্ন ঠাইত কৃত্ৰিম বানপানীৰ সৃষ্টি হোৱাত ৰাইজৰ হাহাকাৰ অৱস্থাৰ সৃষ্টি হয়। উল্লেখ্য যে গোৱালপাৰা চহৰৰ বিভিন্ন ঠাইত থকা দ খেতি মাটিসমূহৰ শ্ৰেণী পৰিৱৰ্তন নকৰাকৈয়ে জধে-মধে মাটিৰে পূৰ কৰি ডাঙৰ ডাঙৰ অট্টালিকা নিৰ্মাণ কৰা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। ইপিনে, গোৱালপাৰা পৌৰসভাৰ গুৰুত্বহীনতাৰ লগতে বিজ্ঞান সন্মতভাৱে নলা নিৰ্মাণ নকৰা বাবেই পানী ওলাই যাব নোৱাৰাত কৃত্ৰিম বানপানীৰ সৃষ্টি হৈছে। এই ক্ষেত্ৰত জিলা উপায়ুক্তক বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ ভুক্তভোগী ৰাইজে দাবী জনাইছে।

# নগাঁৱত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত

## ড্ৰাগছসহ মহিলাৰে চাৰিজন গ্ৰেপ্তাৰ

বিশেষ সংবাদদাতা

**নগাঁও, ২৯ জুন ঃ** ড্ৰাগছৰ বিৰুদ্ধে নগাঁও আৰক্ষীয়ে সমগ্ৰ নগাঁও জিলাত ধাৰাবাহিকভাৱে অভিযান অব্যাহত ৰাখিছে। নগাঁৱৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰই নগাঁৱত যোগদান কৰাৰ পাছৰে পৰাই আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে আৰু অপৰাধজনিত ঘটনা ৰোধ কৰিবৰ বাবে নিৰন্তৰ চলাই আছে অভিযান। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশক্ৰমে নগাঁও আৰক্ষীয়ে চলোৱা এই ধাৰাবাহিক অভিযানত আৰক্ষীয়ে বৃহৎ সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। ধাৰাবাহিক এই অভিযানৰ সময়ত নগাঁও আৰক্ষীয়ে ইতিমধ্যে বৃহৎ পৰিমাণৰ ড্ৰাগছ, নিচাযুক্ত ঔষধ, বুজন পৰিমাণৰ ধন, কে'বাটাও মাৰণাস্ত্ৰ জব্দ কৰাৰ লগতে বহুকেইজন দুৰ্ধৰ্ষ ড্ৰাগছ ছয় পৃষ্ঠাত চাওক

# খেৰণিৰ বগৰিঘাট প্ৰাথমিক বিদ্যালয়ৰ মধ্যাহ্ন ভোজনৰ চাউল চুৰি

অগ্ৰদূত বাৰ্তা

**ডংকামোকাম, ২৯ জুন ঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণি আৰক্ষী থানাৰ অন্তৰ্গত বগৰিঘাট প্ৰাথমিক বিদ্যালয়ত যোৱা নিশা সংঘটিত হৈছে চুৰি কাণ্ড। চোৰে চাৰি বস্তাকৈ চাউল লৈ যোৱা বুলি প্ৰধান শিক্ষকে জানিব দিছে। বিদ্যালয়খনৰ দৰ্জা ভাঙি প্ৰৱেশ কৰে চোৰৰ দলটোৱে। পুৱাই ঘটনাটো পোহৰলৈ অহাত বিদ্যালয়খনৰ শিক্ষকে স্থানীয় ৰাইজ আৰু সাংবাদিকক মাতি ঘটনাৰ সবিশেষ জানিব দিয়ে। লগতে খেৰণি আৰক্ষী থানাত ঘটনা সন্দৰ্ভত লিখিতভাৱে অৱগত কৰে।

# প্ৰকৃতি সংৰক্ষণত অহৰ্নিশে নীৰৱ সংগ্ৰাম বাগ্‌সাৰ এদল যুৱকৰ



অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ২৯ জুন ঃ** ভূটান সীমান্তত প্ৰকৃতিপ্ৰেমীৰ সমাহাৰ। প্ৰকৃতিক চিৰপ্ৰবাহমান কৰি ৰখাত ব্যস্ত বাগ্‌সাৰ এদল যুৱক। বাগ্‌সা জিলাৰ সদৰ মুছলপুৰৰ পৰা প্ৰায় ১৮ কিলোমিটাৰ দূৰত্বৰ ভাৰত-ভূটান সীমান্তত অৱস্থিত এটা বিশেষ অঞ্চল। বিশেষকৈ ভূটান পাহাৰৰ পৰা দিৰিং নৈৰ শিলাময় পথেৰে নামি অহা ফটফটীয়া পৰিষ্কাৰ পানী আৰু চৌদিশে আবৃত সেউজীয়া পাহাৰৰ অপৰূপ সৌন্দৰ্যৰ বাবেই এতিয়া পৰ্যটকৰ অন্যতম আকৰ্ষণৰ কেন্দ্ৰবিন্দু এই বিশেষ অঞ্চলটো। এই বিশেষ অঞ্চলটোৱেই হৈছে বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ব্যঘ্ৰ প্ৰকল্পৰ অন্তৰ্গত দিহিৰা সংৰক্ষিত বনাঞ্চলৰ প্ৰাকৃতিক নান্দনিকতাৰে ভৰপূৰ দাৰাগাঁও। যেন এক সৰগৰ অমৰাপুৰী। যি সময়ত ৰাজ্যৰ ভিন্ন প্ৰান্তত অবাধ গতিত বন ধ্বংস কাৰ্য অব্যাহত আছে, তেনে সময়তে এই বনাঞ্চলখনৰ প্ৰাকৃতিক ৰূপ-সুষমাত বিভোৰ হৈ প্ৰকৃতি সংৰক্ষণ আৰু জৈৱ-বৈচিত্ৰ্য ৰক্ষাৰ বাবে আগবাঢ়ি আহিছে এদল যুৱক। বিগত বৰ্ষৰ দুই অক্টোবৰত জিলাখনৰ বৰমা, মুছলপুৰ, নিকাছী আদি বিভিন্ন ঠাইৰ কেইজনমান প্ৰকৃতিপ্ৰেমী যুৱকৰ সন্মিলিত প্ৰচেষ্টাত 'মানাহ-দাৰাগাঁও ইক' ট্যুৰিজিম ছ'চাইটী' নামেৰে এটি বেচৰকাৰী সংস্থা গঠন কৰি অঞ্চলটোৰ বনাঞ্চল সংৰক্ষণৰ কামত নিজকে নিয়োজিত কৰে। যাৰ তত্বাৱধানত এতিয়া গঢ় লৈ উঠিবলৈ সক্ষম হৈছে এখন বৃহৎ সেউজ অৰণ্যৰ লগতে বাগ্‌সাৰ অন্যতম পৰ্যটনস্থলীদাৰাগাঁও। প্ৰখৰ ৰ'দ অথবা ধাৰাসাৰ বৰষুণকো নেওচা দি তেওঁলোক এতিয়া প্ৰকৃতিৰ একো একোজন অতন্দ্ৰ প্ৰহৰী। বনজ সম্পদ সংৰক্ষণেই যাৰ মূল উদ্দেশ্য। উল্লেখ্য যে প্ৰায় ডেৰ দশকৰ পূৰ্বে জিলাখনৰ ভাৰত-ভূটান সীমান্তত অৱস্থিত ছয় পৃষ্ঠাত চাওক

# সৰুপেটাত এখন তামোলেই প্ৰাণ ল'লে এজনৰ

অগ্ৰদূত বাৰ্তা

**সৰুপেটা, ২৯ জুন ঃ** মুখশুদ্ধিৰ বাবে খোৱা এখন তামোলেই প্ৰাণ ল'লে সৰুপেটাৰ এজন জ্যেষ্ঠ নাগৰিকৰ। তামোলৰ টুকুৰা ডিঙিত লাগি ধৰাৰ ফলতে মৃত্যুক আঁকোৱালি লোৱা লোকজন হৈছে সৰুপেটাৰ সমীপৰ বামুনপাৰা গাঁৱৰ নিবাসী ৰমেশ শৰ্মা (৭০)। পৰিয়ালৰ লোকে জনোৱা মতে, অৱসৰপ্ৰাপ্ত কৰ্মচাৰী শৰ্মাই কালি সন্ধিয়া এখন তামোল মুখত ভৰোৱাৰ পাছত হঠাতে তামোলাৰ টুকুৰা তেওঁৰ ডিঙিত লাগি ধৰে। ফলত লোকজনৰ শ্বাস-প্ৰশ্বাস বন্ধ হৈ পৰাৰ উপক্ৰম হোৱাত পৰিয়ালৰ হুৱাদুৱা লাগে। প্ৰতিবেশীৰ সহযোগত শৰ্মাক ততাতৈয়াকৈ ভৱানীপুৰ সামূহিক স্বাস্থ্য কেন্দ্ৰলৈ নিয়া হয় যদিও অৱস্থা সংকটজনক হোৱাত প্ৰাথমিক ছয় পৃষ্ঠাত চাওক

# কাৰ্বি আংলঙত বনৰীয়া হাতীৰ গচকত এজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বকলীয়াঘাট, ২৯ জুন ঃ** কাৰ্বি আংলঙত বনৰীয়া হাতীৰ গচকত মৃত্যু হৈছে এজনৰ। ডকমকাৰ শিলধৰমপুৰ ছাৰ্থে তেৰাং গাঁৱত এই ঘটনা। আজি পুৱতি নিশা প্ৰায় চাৰে তিনি বজাত দুৱাৰ খুলি ঘৰৰ বাহিৰলৈ আহি প্ৰস্ৰাৱ কৰিবলৈ লওঁতেই কাষতে থকা শিলধৰমপুৰ সংৰক্ষিত বনাঞ্চলৰ পৰা অহা বনৰীয়া হাতীয়ে আক্ৰমণ কৰে লোকজনক। নিহত লোকজন ওচাৰাম ৰংপি (৬২) লোকজনক হত্যা কৰি পুনৰ হাতীটোৱে বনাঞ্চলত প্ৰৱেশ কৰে। উল্লেখ্য যে শিলধৰমপুৰ সংৰক্ষিত বনাঞ্চল আৰু উক্ত গাঁওখনৰ মাজত আছে ৩৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ। দৈনিক এন্ধাৰ নামি অহাৰ লগে লগে বনাঞ্চলৰ পৰা হাতী ওলাই আহি গাঁৱত প্ৰৱেশ কৰে। নিদ্ৰাহীনতা আৰু আতংকত ভোগা গাঁওবাসীয়ে ঘৰৰ চোতালত, পথৰ কাষত জুই জ্বলাই হাতীক গাঁৱত প্ৰৱেশত বাধাৰ সৃষ্টি কৰাৰ প্ৰয়াস ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী বুধবাৰ ১৫ আহাৰ ১৪২৮ ভাস্কৰাব্দ ৩০ জুন ২০২১

# বিলম্বিত ন্যায়

বিলম্বিত ন্যায়ৰ অৰ্থ হ'ল গোচৰীয়াক ন্যায়ৰ পৰা বঞ্চিত কৰা। ন্যায় শাস্ত্ৰত সততে কোৱা হয় যে ন্যায় মানুহক যিমান সোনকালে সম্ভৱ সিমান সোনকালে দিয়া উচিত। দেশৰ ন্যায় ব্যৱস্থাত বিলম্ব একপ্ৰকাৰৰ নিয়মত পৰিণত হৈছে।

বিলম্বিত ন্যায় প্ৰদানৰ সমস্যাটো আঁতৰাবৰ বাবে আইনবিদসকলে বিভিন্ন ধৰণৰ চিন্তা-চৰ্চা কৰিছে যদিও ইয়াৰ সমাধানৰ কোনো ইংগিত দৃষ্টিগোচৰ হোৱা নাই। যোৱা ২০১২ৰ পহিলা ফেব্ৰুৱাৰীত এক নিৰ্দেশযোগে উচ্চতম ন্যায়ালয়ে ভাৰতৰ আইন আয়োগক অতিৰিক্ত গোচৰসমূহ নিষ্পত্তিৰ বাবে কিমান অতিৰিক্ত আদালতৰ প্ৰয়োজন হ'ব সেয়া নিৰূপণৰ নিৰ্দেশ দিছিল। উচ্চতম ন্যায়ালয়ৰ এই নিৰ্দেশমৰ্মে আইন আয়োগে ২৪৫ পৃষ্ঠাজোৰা এক প্ৰতিবেদন দাখিল কৰিছিল। আইন আয়োগে জনসংখ্যাৰ বিপৰীতে ন্যায়াধীশৰ সংখ্যা কিমান তাক বিচাৰ নকৰি গোচৰ নিষ্পত্তিৰ হাৰৰ পদ্ধতিৰ জৰিয়তেহে অতিৰিক্ত ন্যায়াধীশ কিমান প্ৰয়োজন হ'ব তাক বিচাৰ কৰিব পাৰি বুলি মন্তব্য কৰিছিল। ইয়াৰ পাছত উচ্চতম ন্যায়ালয়ে নেছনেল ক'ৰ্ট মেনেজমেন্ট ছিষ্টেম কমিটীক আইন আয়োগৰ পৰামৰ্শ পৰীক্ষা কৰিবলৈ কয় আৰু গোচৰৰ প্ৰকাৰৰ দ্বাৰাহে ন্যায়াধীশৰ পৰিমাণ নিৰ্ধাৰণ কৰিবলৈ কয়। পিছে এতিয়ালৈকে দেশত কিমান সংখ্যক বিচাৰক বা ন্যায়াধীশৰ প্ৰয়োজন, তাক ঠাৰৰ কৰিব পৰা নাই সংশ্লিষ্ট মহলে।

দেশৰ আদালতসমূহৰ বাবে মঞ্জুৰ হোৱা ন্যায়াধীশৰ পদবোৰ কেতিয়াও সম্পূৰ্ণৰূপে পূৰ্ণ কৰা হোৱা নাই। নিম্ন আদালতসমূহত নিষ্পত্তি নোহোৱাকৈ পৰি থকা গোচৰৰ পৰিমাণ মুঠ গোচৰৰ প্ৰায় ২১ শতাংশ, উচ্চ ন্যায়ালয়ত থকা এনে গোচৰৰ পৰিমাণ ৩২ শতাংশ আৰু উচ্চতম ন্যায়ালয়ত পৰি থকা গোচৰৰ পৰিমাণ ১২ শতাংশ। যোৱা ২০০৬ৰ পৰা ২০১৭ অৰ্থাৎ ১২টা বছৰত প্ৰতিগৰাকী ন্যায়াধীশ বিচাৰকে উচ্চ ন্যায়ালয়ৰ ক্ষেত্ৰত প্ৰায় ২৬,৩৩টা গোচৰ আৰু ১,২১৭টা অন্যান্য নিম্ন আদালতৰ ক্ষেত্ৰত প্ৰায় ১,২১৭টা গোচৰ নিষ্পত্তি কৰি আহিছে। যদিহে সকলো খালী পদত বিচাৰক নিযুক্তি দিয়া হ'লহেঁতেন আৰু গড় হিচাপত গোচৰবোৰ নিষ্পত্তি কৰা হ'লহেঁতেন তেনেহ'লে নিশ্চয় দেশৰ বিভিন্ন আদালতত গোচৰসমূহ নিষ্পত্তি নোহোৱাকৈ দীৰ্ঘদিন পৰি নাথাকিলহেঁতেন। এতিয়া দেশত গোচৰৰ গড় নিষ্পত্তিৰ পৰিমাণ বছৰত ১৯৩.৭ লাখ আৰু ইয়াৰ বিপৰীতে নিষ্পত্তি নোহোৱাকৈ পৰি থকা গোচৰৰ গড় পৰিমাণ ৪২.৭ লাখ।

দেশত মঞ্জুৰিপ্ৰাপ্ত অধস্তন বিচাৰকৰ পদৰ সংখ্যা হ'ল ২৪,৩৬৫টা। আনহাতে খালী হৈ থকা পদৰ সংখ্যা ন্যায় বিভাগৰ ৱেবছাইট অনুসৰি ৫২০৭টা। ৰাজ্য চৰকাৰ আৰু উচ্চ ন্যায়ালয়ে যৌথভাৱে নিম্ন বিচাৰকৰ পদৰ বাবে পৰীক্ষা অনুষ্ঠিত কৰে। উল্লেখ্য যে এই পৰীক্ষাবোৰ সাধাৰণতে অতি কঠিন হয়। হাৰিয়ানা জুডিচিয়েল ছাৰ্ভিচৰ পৰীক্ষাবোৰৰ উদাহৰণ দি 'স্ক্ৰল' প'ৰ্টেলত প্ৰকাশিত এক নিৰন্ধত কোৱা হৈছে যে ১৪ হেজাৰ প্ৰাৰ্থী প্ৰাথমিক পৰীক্ষাত অৱতীৰ্ণ হৈছিল যদিও তাৰে মাত্ৰ ১,২৮২ গৰাকীয়ে মূল পৰীক্ষাত বহিবলৈ উত্তীৰ্ণ হৈছিল। মূল পৰীক্ষাত মাত্ৰ নগৰাকী প্ৰাৰ্থীহে উত্তীৰ্ণ হয়। ফলত ১০৭টা খালী পদৰ বাবে অনুষ্ঠিত কৰা পৰীক্ষাত মাত্ৰ নগৰাকী প্ৰাৰ্থীহে উত্তীৰ্ণ হৈছিল। বিভিন্ন ন্যায়াধীশে কৈছে যে এই পৰীক্ষাৰ প্ৰশ্ন কাকতসমূহ অতি কঠিন, যাৰ ফলত উত্তীৰ্ণৰ হাৰ অতি কম। উচ্চ ন্যায়ালয়সমূহত ৩৩ শতাংশ ন্যায়াধীশৰ পদ পদোন্নতিৰ জৰিয়তে পূৰণ কৰা হয় আৰু বাকীবোৰ সফল অধিবক্তাসকলৰ মাজৰ পৰা পূৰণ কৰা হয়। সেয়েহে বহুতেই ক'ব খোজে যে ৮০ শতাংশ পদ পদোন্নতিৰ জৰিয়তে পূৰণ কৰিলে ন্যায়াধীশৰ নাটনিৰ সমস্যাটো বহু পৰিমাণে লাঘৱ হ'ব পাৰে।

এনে ধৰণে ন্যায়াধীশৰ পদবোৰ খালী থকাৰ বাবে তথা গোচৰ নিষ্পত্তি নোহোৱা বাবে দেশত ৬৫ৰ পৰা ৭০ শতাংশ বিচাৰাধীন লোক কাৰাগাৰত থাকিবলগীয়া হৈছে। আদালতৰ কাম-কাজত তথ্য প্ৰযুক্তি ব্যৱহাৰ কৰি নিষ্পত্তিৰ হাৰ ত্বৰান্বিত কৰিব পাৰি। বৰ্তমান কৰ'না পৰিস্থিতিত ভাৰ্চুৱেল আদালত চলিছে। এই ব্যৱস্থায়ো গোচৰ নিষ্পত্তিৰ হাৰ বৃদ্ধি কৰিব পাৰে। মুঠতে আদালতত গোচৰ নিষ্পত্তিৰ হাৰ খৰতকীয়া কৰিব নোৱাৰিলে দেশৰ ন্যায় ব্যৱস্থাটো এক প্ৰহসনত পৰিণত হ'ব।

## ভূতৰ মুখত ৰাম নাম

# বৰ্তমানৰ পৰিস্থিতিত জৰুৰী অৱস্থাৰ বিশ্লেষণ

নিউজ স্কেন
গীতাৰ্থ পাঠক



১৯৭৬ত গুৱাহাটীৰ খানাপাৰাত সৰ্বভাৰতীয় কংগ্ৰেছ কমিটীৰ অধিৱেশন অনুষ্ঠিত হৈছিল। তেতিয়া দেশখনত চলি আছিল জৰুৰীকালীন অৱস্থা। অধিৱেশনস্থলীত নিশাৰ ভিতৰতে গঢ়ি উঠিছিল নতুন পথ, নতুন গৃহ, পেভিলিয়ন ইত্যাদি। এক মেলা সদৃশ পৰিৱেশ সৃষ্টি হৈছিল। তেতিয়া সংবাদ মাধ্যম বুলিবলৈ আছিল বাতৰি কাকত আৰু চৰকাৰ নিয়ন্ত্ৰিত অল ইণ্ডিয়া ৰেডিঅ'। বাতৰি কাকতৰ ওপৰত জাৰি কৰা হৈছিল চেন্সৰ। অধিৱেশনস্থলীত বান্দৰৰ খেল দেখুওৱা লোক এজনে এডাল দীঘল বাঁহৰ ওপৰত বান্দৰটোক বহুৱাই দিছিল। বান্দৰটোক খেল দেখুওৱা লোকজনে তললৈ নামি আহিবলৈ বাৰ বাৰ নিৰ্দেশ দিয়া সত্ত্বেও বান্দৰটো তললৈ নামি নহাত মানুহজনে বান্দৰৰ খেল চোৱা লোকসকলৰ আগতেই ক'লে ঃ 'তইচোন ইন্দিৰা গান্ধীৰ দৰে, টিঙত উঠি ননমাই হলি।' জৰুৰীকালীন অৱস্থাত চাৰিওফালে চৰকাৰৰ এজেন্ট আৰু চোৰাংচোৱা এনেদৰে ঘূৰি ফুৰিছিল যে বান্দৰৰ খেল দেখুওৱা লোকজনৰ ইন্দিৰা গান্ধীক লৈ কৰা মন্তব্য মুহূৰ্তৰ ভিতৰতেই চৰকাৰৰ ঘৰলৈ গ'ল আৰু পুলিচে তেওঁক গ্ৰেপ্তাৰ কৰি লৈ গ'ল।

জৰুৰীকালীন অৱস্থাৰ অভিজ্ঞতা আমাৰ নিজৰেই যথেষ্ট আছে। আমাৰ নামতো গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰা হৈছিল যদিও আমি বিভিন্ন পন্থাৰে গ্ৰেপ্তাৰী এৰাই চলিছিলো। গুৱাহাটী মহানগৰীত বামপন্থী চি পি আই (এম)ৰ নেতাই সুদীৰ্ঘকাল ধৰি আত্মগোপন কৰি আছিল আৰু আমি সদায়েই তেওঁৰ স'তে গোপনে মিলিত হৈছিলো আৰু তেওঁৰ প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰিছিলো। সেইবোৰ সুকীয়া বিষয়। এতিয়াৰ পৰা ৪৬ বছৰ আগেয়ে তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে দেশখনত জৰুৰীকালীন অৱস্থা জাৰি কৰিছিল ১৯৭৫ৰ ২৫ জুনত। সাংবিধানিক পন্থাৰেই তেওঁ দেশখনৰ গণতন্ত্ৰক সংকুচিত কৰি আনিছিল ক্ষমতাত তিষ্ঠি থকাৰ বাবে। ইতিহাসৰ সেই ক'লা অধ্যায় সদায়েই ভাৰতীয় গণতন্ত্ৰৰ এক স্মৰণীয় ঘটনা হিচাপে ৰৈ যাব।

পিছে বৰ্তমান আমাৰ দেশত জৰুৰীকালীন অৱস্থাতকৈয়ো ভয়াৱহভাৱে নাগৰিকৰ অধিকাৰ, বাক্-স্বাধীনতা তথা সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত কুঠাৰাঘাত কৰা হ'ব ধৰিছে সাংবিধানিকভাৱে নহয়, বৰঞ্চ বিভিন্ন অধিনিয়ম ব্যৱহাৰ কৰা হৈছে অথবা কোনো নিয়ম নমনাকৈয়ো চলোৱা হৈছে দেশৰ গণতন্ত্ৰ নিধন যজ্ঞ— এক অঘোষিত জৰুৰীকালীন অৱস্থা। ইন্দিৰা গান্ধী আৰু তেওঁৰ পুত্ৰ সঞ্জয় গান্ধীয়ে দেশখনত চলাইছিল এক স্বৈৰতন্ত্ৰ। ২১ মাহ পাছত জনসাধাৰণে ইন্দিৰা গান্ধীক শাসনৰ পৰা আঁতৰাই এক নীৰৱ বিপ্লৱৰ সূচনা কৰিছিল। বৰ্তমান যোৱা সাতটা বছৰ ধৰি ভাৰতবৰ্ষৰ বুকুত চলি আছে এই অঘোষিত জৰুৰীকালীন অৱস্থা। সকলো গণতান্ত্ৰিক অনুষ্ঠান-প্ৰতিষ্ঠান, নিৰ্বাচন আয়োগ, চি বি আই, এনফৰ্চমেন্ট বিভাগ আদি সকলোকে শাসক দলৰ বহতীয়া প্ৰতিষ্ঠানত পৰিণত কৰা হৈছে। আনকি ন্যায় ব্যৱস্থাটোকো কথা মনাবলৈ চৰকাৰ তথা শাসক দলে প্ৰচেষ্টা চলাই আছে। শাসনত বহিয়েই ন্যায়াধীশ নিযুক্তিৰ প্ৰক্ৰিয়াত ৰাজনৈতিক হস্তক্ষেপৰ ব্যৱস্থা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ন্যায়াধীশ নিযুক্তি আয়োগ গঠন কৰিবলৈ ওলাইছিল। পিছে উচ্চতম ন্যায়ালয়ে চৰকাৰৰ এই প্ৰচেষ্টাক বাতিল কৰিলে। তথাপি উচ্চতম আৰু উচ্চ ন্যায়ালয়ৰ কেতবোৰ ন্যায়াধীশে খোলোচাভাৱে, ৰাজহুৱাভাৱে শাসক দলৰ নেতাসকলক প্ৰশংসা কৰাৰ দৰে ঘটনা ঘটি আছে। আনকি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকো তেওঁলোকে ভূয়সী প্ৰশংসা কৰি তোষামোদ কৰিবলৈ অস্বস্তিবোধ কৰা নাই। নিৰ্বাচন আয়োগ চৰকাৰৰ হাতৰ পুতলাত পৰিণত হৈছে। শাসক দল যাতে লাভৱান হয় তথা সুবিধাজনক স্থিতিত থাকে তেনেদৰে নিৰ্বাচন পৰিচালনা কৰি আহিছে নিৰ্বাচন আয়োগে। জনসাধাৰণে কোনো দল বা দলসমূহৰ সপক্ষে দিয়া নিৰ্বাচনী ৰায়ক বিসম্বাদীসকল আৰু ৰাজ্যৰ ৰাজ্যপালৰ সহযোগত ওফৰাই দি গোৱা, মণিপুৰ, অৰুণাচল প্ৰদেশ, মধ্যপ্ৰদেশ, কৰ্ণাটক আদি ৰাজ্যত শাসক দলে চৰকাৰ গঠন কৰা আমি দেখিবলৈ পাইছো। এয়া গণতন্ত্ৰৰ অপহৰণত বাদে আন একো নহয়।

যোৱা ২৬ জুনৰ দিনা কৃষি আইনৰ বিৰুদ্ধে যোৱা সাতমাহ ধৰি আন্দোলন চলোৱা কৃষকসকলে বিভিন্ন ৰাজ্যৰ ৰাজ্যপালসমূহৰ জৰিয়তে ৰাষ্ট্ৰপতি ৰামনাথ কোভিন্দলৈ এখনি স্মাৰকপত্ৰ পঠিয়াছে, য'ত অভিযোগ উত্থাপন কৰা হৈছে যে দেশখনত এক অঘোষিত জৰুৰীকালীন অৱস্থা চলি আছে। কৃষকসকলে স্মাৰকপত্ৰত উল্লেখ কৰিছে ১১ বাৰ আলোচনাত বহা সত্ত্বেও কৃষি আইন সম্পৰ্কীয় আলোচনা ব্যৰ্থ হোৱাৰ পাছত কৃষকসকলে কৰা ট্ৰেক্টৰ সমাৱেশৰ ওপৰত পুলিচে কেনেদৰে নিৰ্মমভাৱে অত্যাচাৰ কৰি আন্দোলনকাৰীসকলৰ ওপৰত দোষ জাপি দিছিল। আমাৰ দেশত যে অঘোষিত জৰুৰী অৱস্থা চলিছে অখিল গগৈৰ সুদীৰ্ঘ কাল গ্ৰেপ্তাৰেই তাৰ পৰিচায়ক।



অবৈধ কাৰ্যকলাপ প্ৰতিৰোধ আইন (UAPA), ৰাষ্ট্ৰীয় তদন্ত সংস্থা (NIA) আইন, তথ্য প্ৰযুক্তি আইন, বিদেশী বৰঙণি নিয়ন্ত্ৰণ আইন (FCRA) আদি আইনবোৰ এনেদৰে সংশোধন কৰা হৈছে যাতে বিপক্ষক ধৰাশায়ী কৰিব পৰা যায় তথা ব্যক্তি স্বাধীনতা খৰ্ব কৰিব পৰা যায়। আদালতে কোনো ব্যক্তিক দোষী সাব্যস্ত নকৰাকৈ এগৰাকী ব্যক্তিক সন্ত্ৰাসবাদী বুলি ঘোষিত কৰাৰ বাবে UAPA, NIA তথা সংশ্লিষ্ট আইন সংশোধনৰ ব্যৱস্থা কৰা হৈছে। বিভিন্ন সমাজকৰ্মী, ছাত্ৰ-ছাত্ৰী, সাংসদ, বিধায়ক তথা বিপক্ষ ৰাজনৈতিক নেতাৰ বিৰুদ্ধে কে'বাটাও গোচৰ ৰুজু কৰি নিয়মিতভাৱে শাসক দল তথা চৰকাৰে হাৰাশাস্তি কৰি আহিছে। শাসক দলে হয়তো ক'ব পাৰে যে এইবোৰ অভিযোগ বিৰোধীসকলে অথবা চৰকাৰক সদায়েই সমালোচনা কৰা আমাৰ দৰে ধাৰাভাষ্যকাৰসকলে অনাহকতে কৰি আহিছে। পিছে মহামান্য আদালতে অসমৰ দেৱাংগনা কলিতাকে ধৰি তিনিগৰাকী ছাত্ৰ-ছাত্ৰীক 'কা' বিৰোধী আন্দোলনত জড়িত থকাৰ বাবে তথা দিল্লী সংঘৰ্ষত জড়িত থকাৰ অভিযোগ তুলি কাৰাগাৰত নিক্ষেপ কৰাৰ পাছত দিল্লী উচ্চ ন্যায়ালয়ে তেওঁলোকৰ জামিন মঞ্জুৰ কৰি কৰা মন্তব্য গুৰুত্বপূৰ্ণ। সকলো দিশ বিবেচনা কৰি দিল্লী উচ্চ ন্যায়ালয়ে কৈছে এনেদৰে ঃ

'আমি ক'বলৈ বাধ্য হৈছো যে ৰাষ্ট্ৰই ভিন্ন মতক দমন কৰাৰ মানসিকতা প্ৰদৰ্শন কৰিছে। সাংবিধানিকভাৱে প্ৰতিবাদৰ অধিকাৰৰ নিশ্চয়তা আৰু সন্ত্ৰাসবাদী কাৰ্যকলাপৰ মাজৰ ৰেখাডাল চৰকাৰে মচি পেলাইছে। যদিহে চৰকাৰৰ এনে মানসিকতা চলি থাকে তেনেহ'লে দেশখনৰ গণতন্ত্ৰৰ বাবে এয়া হ'ব এক দুখনজনক দিন।'

> **বৰ্তমান বিজেপি চৰকাৰে কৰ'না মহামাৰীৰ সুযোগ লৈ জনসাধাৰণৰ গণতান্ত্ৰিক অধিকাৰ অধিক পৰিমাণে খৰ্ব কৰিবলৈ লৈছে। দুৰ্যোগ আইনৰ অচিলা হৈ চৰকাৰে 'কা' বিৰোধী আন্দোলনটো মচিমূৰ কৰাত সফল হৈছে**

বৰ্তমান বিজেপি চৰকাৰে কৰ'না মহামাৰীৰ সুযোগ লৈ জনসাধাৰণৰ গণতান্ত্ৰিক অধিকাৰ অধিক পৰিমাণে খৰ্ব কৰিবলৈ লৈছে। দুৰ্যোগ আইনৰ অচিলা হৈ চৰকাৰে 'কা' বিৰোধী আন্দোলনটো মচিমূৰ কৰাত সফল হৈছে। অকল ভাৰততেই নহয়, বিশ্বৰ কেতবোৰ স্বৈৰাচাৰী চৰকাৰে যেনে— ব্ৰাজিল, ফিলিপাইন্স, তুৰ্কী আদিয়েও মহামাৰীৰ সুযোগ লৈ ৰাজনৈতিক প্ৰতিপক্ষৰ গণতান্ত্ৰিক অধিকাৰ হৰণ কৰা আমি দেখা পাইছো।

এনে মানসিকতাৰ বাবে কৃষকসকলৰ গণতান্ত্ৰিক আন্দোলন খালীস্তানী সন্ত্ৰাসবাদী আন্দোলন হিচাপে শাসক দলে চিহ্নিত কৰিব বিচাৰিছে। বিভিন্ন আন্দোলনৰ পৰা আৰম্ভ কৰি কৰ'নাৰ দ্বিতীয় টো নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত চৰকাৰী গাফিলতিৰ সমালোচনাৰ ঢৌ বিভিন্ন ডিজিটেল মঞ্চ তথা সামাজিক মাধ্যমত প্ৰকাশ পোৱাৰ বাবে চৰকাৰে টুইটাৰৰ স'তে এক যুদ্ধত অৱতীৰ্ণ হৈছে আৰু সামাজিক মাধ্যমসমূহ নিয়ন্ত্ৰণৰ বাবে উঠি-পৰি লাগিছে। ১৯৭৫ত ঘোষণা কৰা জৰুৰী অৱস্থাত সকলো ধৰণৰ স্বাধীনতা হৰণ কৰা হৈছিল নিয়মানুৱৰ্তিতা ৰক্ষাৰ নামত। এতিয়া একেই ধৰণৰ স্বাধীনতা হৰণ কাৰ্য চলিছে উন্নয়ন তথা ৰাষ্ট্ৰীয়তাবাদৰ নামত। জৰুৰীকালীন অৱস্থাত যদিহে ইন্দিৰা গান্ধী আৰু সঞ্জয় গান্ধীয়ে একনায়কত্ববাদ চলাইছিল, বৰ্তমান অঘোষিতভাৱে আমি একনায়কত্ববাদৰ ধ্বনি শুনিবলৈ পাইছো যেতিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী বিভিন্ন সভালৈ যায় তেতিয়া তেওঁৰ সমৰ্থকসকলে 'মোদী মোদী' বুলি চিঞৰে। তদানীন্তন কংগ্ৰেছ সভাপতি দেৱকান্ত বৰুৱাই 'ইন্দিৰা ইজ ইণ্ডিয়া, ইণ্ডিয়া ইজ ইন্দিৰা' ধ্বনি দি বিতৰ্কৰ সৃষ্টি কৰিছিল। আমি বৰ্তমান অঘোষিত জৰুৰীকালীন অৱস্থাতো শুনিবলৈ পাওঁ তেনে তোষামোদকাৰী ধ্বনি। বিজেপি নেতা ৰবিশংকৰ প্ৰসাদ, শিৱৰাজ সিং চৌহান আদি নেতাই কৈ আহিছে যে নৰেন্দ্ৰ মোদী দৈৱ শক্তিৰ অধিকাৰী আৰু তেওঁৰ অতিমানৱিক শক্তি আছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডাই কৈছিল যে মোদী ঐশ্বৰিক নেতা। দেৱকান্ত বৰুৱাতকৈ এনে ধৰণৰ তোষামোদবোৰ জানো স্বৈৰতন্ত্ৰৰ কম পৰিচায়ক।

চৰকাৰ তথা শাসক দলক আদালতে সমালোচনা কৰা বিষয়টো যেনিবা নধৰিলোৱেই; বিজেপিৰ প্ৰৌঢ় নেতা লালকৃষ্ণ আদবানীয়ে যোৱা ২০১৫ত জৰুৰীকালীন অৱস্থা ঘোষণাৰ ৪০ সংখ্যক বৰ্ষত তথা মোদী প্ৰধানমন্ত্ৰী হোৱাৰ এবছৰ পাছত 'দ্য ইণ্ডিয়ান এক্সপ্ৰেছ' কাকতত দিয়া এক সাক্ষাৎকাৰত কৈছিল যে গণতন্ত্ৰক ধ্বংস কৰা শক্তিবোৰ আগতকৈ বহু শক্তিশালী হৈছে, আমি ইমানবোৰ নেতা থাকোতে তেতিয়া যদি জৰুৰীকালীন অৱস্থা ঘোষণা হৈছিল, তেতিয়াহ'লে এতিয়াও এনে ঘোষণা হ'ব পাৰে। আদবানীয়ে পাকে-প্ৰকাৰে কৈছিল যে এতিয়া দেশত অঘোষিত জৰুৰীকালীন অৱস্থা আসন্ন।

এইবাৰ জৰুৰীকালীন অৱস্থাৰ ৫৩ সংখ্যক বৰ্ষ উপলক্ষে অসমৰ মুখ্যমন্ত্ৰীকে ধৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী, তথ্য সম্প্ৰচাৰ মন্ত্ৰী আদিয়ে জৰুৰীকালীন অৱস্থা তথা কংগ্ৰেছক সমালোচনা কৰি দীঘল দীঘল নিৱন্ধ লিখিছে। যোৱা দুই দশক কাল কংগ্ৰেছী নেতা তথা মন্ত্ৰী হৈ থাকোতে জৰুৰীকালীন অৱস্থাৰ বিৰুদ্ধে মাত নমতা মুখ্যমন্ত্ৰীজন এতিয়া সৰৱ হৈছে। অঘোষিত জৰুৰীকালীন অৱস্থা জাৰি কৰা লোকসকলে এতিয়া কংগ্ৰেছক সমালোচনা কৰিবলৈ লৈছে জৰুৰীকালীন অৱস্থাৰ বাবে। এয়া যেন ভূতৰ মুখত ৰাম নাম সদৃশ।

ফোন ঃ ৯৪৩৫০৪৮৪৮৪

## দলৰ স্বাৰ্থ সিদ্ধিৰ বাবে চৰকাৰৰ ধন কোন বাজেটৰ পৰা দিব?

# মাইক্ৰ'ফাইনেঞ্চৰ ঋণ আৰু ঋণীৰ ভৱিষ্যৎ

পুলিন গোস্বামী



**সম্প্ৰতি** অসমৰ সৰ্বত্ৰে মাইক্ৰ'ফাইনেঞ্চ কোম্পানীৰ ঋণৰ বিষয়ে আলোচনা চলাটো লক্ষ্যণীয় হৈ পৰিছে। কাৰণ বিগত কেইবছৰমানৰ পৰা গাঁও-চহৰ সকলোতে ক্ষুদ্ৰ ঋণৰ সহায়ত আত্মসহায়ক গোট খুলি সৰু সৰু নিত্য-ব্যৱহাৰ্য বস্তু যেনে, ধূপকাঠি, আচাৰ, গুড়ি মছলাৰ পেকেট আদি তৈয়াৰ কৰি বজাৰত বিক্ৰী কৰি গোটৰ সদস্য তথা বিক্ৰেতাসকলো উপকৃত হৈছিল। যিবিলাক গোটে ঋণৰ টকাৰ সদ্ব্যৱহাৰ কৰিছিল তেওঁলোকে সময়মতে ঋণৰ কিস্তি দিবলৈও সক্ষম হৈছিল। এই প্ৰক্ৰিয়াৰ দ্বাৰা বেংক আৰু ঋণী উভয়পক্ষই লাভৱান হৈছিল আৰু আগলৈ এই ক্ষুদ্ৰ গোটবোৰ সম্প্ৰসাৰণৰ আশা আছিল। কিন্তু দুৰ্ভাগ্যজনকভাৱে যোৱা বিধানসভা নিৰ্বাচনৰ ৰাজহুৱা সভাবোৰত তদানীন্তন বিত্তমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দিয়া আভুৱাভাঁৱা আশ্বাসত ভোল গৈ ঠন ধৰি উঠিবলৈ ধৰা গোটবোৰৰ ভৱিষ্যৎ অন্ধকাৰাচ্ছন্ন হৈ পৰিল। তেওঁ ভাষণত প্ৰতিখন সভাত অতি দৃঢ়তাৰে কৈছিল, আই-মাতৃসকলে এতিয়াৰ পৰা কোনো প্ৰতিষ্ঠানকে ক্ষুদ্ৰ ঋণৰ কিস্তি ঘূৰাই দিব নালাগে। 'আমাৰ চৰকাৰ হ'লে সম্পূৰ্ণ ১২,৫০০ কোটি টকা চৰকাৰে পৰিশোধ কৰিব'। নিৰ্বাচনী বৈতৰণী পাৰ হ'বলৈ দিয়া ভেল্কীবাজিত সাধাৰণ জনতা উৎফুল্লিত হৈ হিলদোল ভাঙি ভোট দি জয়ী কৰি আনিলে। বহু ঠাইত পুষ্প বৃষ্টিও হ'ল, কিন্তু চৰকাৰ গঠন হোৱাৰ পাছত সুৰ সলনি হ'ল। প্ৰথম অধিৱেশনতে মুখ্যমন্ত্ৰীয়ে ক'লে, 'দৰ্কাৰ হ'লে আমি এমাহৰ দৰমহা নলওঁ।' কিন্তু কথা হ'ল এমাহৰ দৰমহা ন'ললেও জানো ইমান বৃহৎ পৰিমাণৰ ঋণ পৰিশোধ হ'ব? কেতিয়াও নহয়, সেয়েহে মন্ত্ৰী অশোক সিংহলৰ নেতৃত্বত এখন কমিটী গঠন কৰিলে। যিটো চৰকাৰৰ গতানুগতিক পদ্ধতি। কোনো স্পৰ্শকাতৰ বিষয় এৰাই চলিবলৈ হ'লে এখন কমিটী পাতি চৰকাৰে গা এৰা দিব পাৰে। সিংহল কমিটীৰ প্ৰতিবেদন এতিয়াও স্পষ্ট হোৱা নাই। চৰকাৰৰ দায়িত্ব এৰাই চলিবলৈ কে'বাটাও চৰ্ত আৰোপ কৰিব বিচাৰিছে। ইতিমধ্যে বিষয়টো জটিলতাৰ ফালে গতি কৰিছে। কাৰণ তেওঁৰ আশ্বাস বাণী শুনাৰ পাছত সকলো ঋণীয়ে ঋণমুক্ত হোৱা বুলি ধাৰণা কৰি ঋণৰ কিস্তি আদায় দিয়া বন্ধ কৰিছে। ফলত প্ৰায় অধিকাংশ ঋণী এনপিএত পৰিছে। অৰ্থাৎ Not Performing asset। বেংকৰ নিয়মানুসাৰে এবাৰ এন পি এ হ'লে দ্বিতীয়বাৰ বেংক ঋণ নিদিয়ে। আনহাতে ঋণ আদায়ৰ বাবে প্ৰতিষ্ঠানবোৰে গোটৰ সদস্যসকলক হেঁচা দি আছে। ফলত বহুত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হোৱা বুলিও খবৰ ওলাইছে। এইটো হোৱাটো স্বাভাৱিক। কাৰণ বেংক বা আন প্ৰতিষ্ঠানসমূহে ঋণ দিয়ে সুতৰ বাবে। মাহিলি সুত আদায় নিদিলে চক্ৰবৃদ্ধি হাৰত ই বৃদ্ধি হয় এইটো সকলোৱে জানে। তদুপৰি প্ৰত্যেক বেংক বা প্ৰতিষ্ঠানৰ নিয়ম বেলেগ। কিন্তু মূল কথাটো হ'ল ঋণ দিয়ে সুত লাভৰ বাবে। বিষয়টো অতি স্পৰ্শকাতৰ এই কাৰণেই যে বেংকৰ টকাবোৰ কাৰ? আইনমতে Bank money মানে Public money আৰু এইটো পৰিশোধ কৰাটো বাধ্যতামূলক। অন্যথা আইনমতে আদায়ৰ বহুত ব্যৱস্থা আছে। বিশ্বস্তসূত্ৰৰ পৰা জানিব পৰা মতে, চৰকাৰে গা এৰা দিয়া যি ব্যৱস্থা কৰিব ওলাইছে তাৰ বিৰুদ্ধে দুই এক বেংকে আইনৰ ওচৰ চপাৰ কথা চিন্তা কৰিছে।

এতিয়া কথা হ'ল, এনেকুৱা এটা বৃহৎ পৰিমাণৰ ঋণৰ বোজা চৰকাৰে কাৰ পইচাৰে দিয়াৰ কথা চিন্তা কৰি মুখ্যমন্ত্ৰীয়ে (তেতিয়াৰ বিত্ত মন্ত্ৰী) ৰাজহুৱা সভাত ঘোষণা কৰি সহজ-সৰল মহিলাসকলক এটা অভাৱনীয় পৰিস্থিতিৰ মুখলৈ ঠেলি দিলে! বহুতে আত্মজাহ পৰ্যন্ত দিবলৈ সাজু হৈছে। যদি সেইটোৱে হয় তাৰ বাবে দায়ী কোন হ'ব? দলৰ স্বাৰ্থ সিদ্ধিৰ বাবে চৰকাৰৰ (ৰাইজৰ) ধন কোন বাজেটৰ পৰা দিব? এই ১২,৫০০ কোটি টকাৰে অসমত কৰিব লগা অনেক কামৰ নিশ্চয় সহায়ক হ'ব।

যিবিলাকে ঋণ লৈছিল তেওঁলোকে নিশ্চয় ঋণ পৰিশোধ কৰিবলৈ প্ৰস্তুত আছিল; কিন্তু সকলো দায়িত্ব চৰকাৰে ল'ব বুলি কোৱাৰ পাছত সকলোৱে হাত সাৱটি বহি থাকিল। অশোক সিংহল কমিটীয়ে যিকেইটা চৰ্ত সাপেক্ষে ঋণ ৰেহাইৰ কথা উল্লেখ কৰিছে ইয়াৰ দ্বাৰা বিষয়টোৰ জটিলতা বাঢ়িব আৰু আত্মসহায়ক গোটবোৰৰ ভৱিষ্যৎ কলীয়া ডাৱৰে আৱৰি ধৰিব। তদুপৰি ঋণ দিয়া বেংক বা আন প্ৰতিষ্ঠানবোৰে যদি ঋণ আদায়ৰ বাবে Bengal Public Demand Recovery Act.মতে (যিখন বৰ্তমান অসমত প্ৰচলিত হৈ আছে, যিহেতু অসমৰ নিজা আইন নাই) জিলা উপায়ুক্তৰ ওচৰত গোচৰ তৰে তেন্তে লাখ লাখ ঋণী অধিক সমস্যাৰ সন্মুখীন হ'ব।

লেখক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা, ফোন ঃ ৯৮৬৪১৫২৭১২

## খোলা মঞ্চ

# অসমৰ নতুন চৰকাৰখনে কিবোৰ বিষয়ত গুৰুত্ব দিয়া উচিত?

বৈকুণ্ঠ শৰ্মা, লেখক



**ড০** হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত মিত্ৰজোঁটৰ চৰকাৰ গঠন হ'ল। অসম এখন সমস্যা বহুল ৰাজ্য। অনেক সমস্যাই ইয়াক জৰ্জৰিত কৰি ৰাখিছে। মোৰ দৃষ্টিত কেইটামান সমস্যাই অসমৰ আন বহুতো সমস্যাৰ আনুষংগিক ৰূপ দি সমস্যা বঢ়াই আছে।

প্ৰথমত অসম চুক্তিখন সমাধান কৰিব লাগে। ই এখন চুক্তি হৈ থাকিলে একো লাভ নাই। চুক্তি কৰা সময়ৰ পৰিৱেশ আৰু আজি ৩৬ বছৰ অসমৰ পৰিৱেশ বহু সলনি হ'ল। বৰ্তমানৰ লগত তাল মিলাই অসমীয়াৰ স্বাৰ্থ সুৰক্ষিত হোৱাকৈ ইয়াক সমাধান কৰিব লাগে। অসম চুক্তিৰ বাবে অসমত আনুষংগিক বহু আন্দোলন মাজে মাজে হৈ থাকে আৰু অশান্তিৰ সৃষ্টি হয়। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ সৰ্বসন্মত ৰূপ দিয়াত গুৰুত্ব দিব লাগে। নাগৰিক পঞ্জী ওলাল যদিও বিভিন্ন দল-সংগঠন আনকি ভাৰতীয় জনতা দলৰ ফালৰ পৰাও ইয়াক সৰ্বসন্মতভাৱে গ্ৰহণ কৰা নাই। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী নহ'লে বিদেশী চিনাক্তকৰণ প্ৰক্ৰিয়াটো হৈ নুঠিব; গতিকে চৰকাৰে ইয়াক গুৰুত্ব দিয়া দৰকাৰ। বিদেশী চিনাক্ত কৰি ইয়াৰ এটা স্থায়ী সমাধান কৰা দৰকাৰ। অবৈধ বিদেশী শব্দটো অসমৰ পৰা নোহোৱা কৰিব লাগে। বিদেশী শব্দটো শুনি শুনি অসমীয়া অতিষ্ঠ হৈছে, ইয়াক কেনেকৈ সমাধান কৰিব পাৰি তাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সংযুক্ত মুক্তি বাহিনীৰ অসমীয়া স্বাভিমানী ডেকাসকলক মূল সুঁতিলৈ অনাৰ ব্যৱস্থা কৰিব লাগে। প্ৰত্যেক অসমীয়াৰ হাতত মাটিৰ পট্টা থকাটো সুনিশ্চিত কৰিব লাগে। প্ৰত্যেকজন অসমীয়াৰ ভূমিহীন লোকক মাটিৰ পট্টা বা মাটি দি জীৱন আৰু খিলঞ্জীয়াৰ ৰক্ষা কবচ তৈয়াৰ কৰিব লাগে। অসমৰ বানপানীৰ সমস্যাৰ স্থায়ী সমাধান কৰাত গুৰুত্ব দিব লাগে। নিবনুৱা সমস্যাই অসমত ভয়াবহ ৰূপ লৈছে। নানা অসামাজিক কাম সংঘটিত হোৱাৰ ইয়ো এক কাৰণ। অকল চৰকাৰী চাকৰিৰ বাদেও কৃষি উদ্যোগ আদি স্থাপন কৰি নিবনুৱা সকলক তাত সংস্থাপন দিয়াৰ ব্যৱস্থা গঢ়ি তুলিব লাগে। অসম এখন সৌন্দৰ্যৰ দেশ। বিভিন্ন ঠাইত সৰু সৰু পৰ্যটন স্থলি গঢ়ি উঠিলে তাতো কিছু নিবনুৱাৰ কৰ্মসংস্থাপন ওলাব। সত্ৰসমূহৰ মাটি বেদখলমুক্ত আৰু বনাঞ্চলসমূহ সুৰক্ষিত কৰিব লাগে।

ডেকা চামৰ মাজত কেনেকৈ কৰ্ম সংস্কৃতি গঢ়ি তুলিব পাৰি তাত গুৰুত্ব দিব লাগে, নহ'লে ধুৰন্ধৰ নেতা কিছুমানে ডেকাসকলক আন্দোলনত নমাই নিজৰ স্বাৰ্থত প্ৰয়োগ কৰিব। দেশত উৎপাদন বাঢ়িলে মূল্যবৃদ্ধি এনেও ৰোধ হ'ব।

ফোন ঃ ৯৪০১১৮২৫২৪

# ড্ৰাগছৰ কবলত অসম

## অশুভ সংকেত

গোপাল জালান

**কিছু** বছৰ আগলৈকে পঞ্জাবত বৰবিহ সদৃশ ড্ৰাগছৰ ভয়াবহ প্ৰচলনক লৈ সকলোৱে মাজত চৰ্চা হৈছিল। ড্ৰাগছৰ কবলত পৰি যুৱ শক্তি কিদৰে পংগু হোৱাৰ দিশে আগবাঢ়ি গৈছে তাৰ ভয়ংকৰ ছবিখন স্পষ্ট হোৱাত বিষয়টোৱে দেশজুৰি চৰ্চা লাভ কৰে। ফলত নিৰ্মাণ হ'ল কে'বাখনো চলচ্চিত্ৰ। পঞ্জাবৰ ড্ৰাগছ সৰবৰাহ, যুৱশক্তি ইয়াৰ প্ৰতি কিদৰে আসক্ত হৈ অপৰাধৰ জগতখনত খোজ পেলায় সেই সকলোবোৰ তথ্য চলচ্চিত্ৰৰ মাধ্যমত প্ৰতিফলিত হোৱাৰ পাছত দেশজুৰি ইয়াকে লৈ চাঞ্চল্যৰ সৃষ্টি হয়। সকলোৱে মনত এটাই প্ৰশ্ন— ইমান বৃহৎ পৰিমাণৰ ড্ৰাগছ পঞ্জাবলৈ আহে ক'ৰ পৰা? আৰক্ষী-প্ৰশাসনৰ লোকে তালাচী চলোৱাৰ লগতে পহৰা দিয়াৰ মাজতে অপৰাধীয়ে কেনেকৈ ড্ৰাগছ সৰবৰাহ কৰাৰ লগতে বিক্ৰী কৰিব পাৰিছে বুলিও বহুতে প্ৰশ্ন উত্থাপন কৰিছে।

শেহতীয়াভাৱে আৰক্ষীয়ে ৰাজ্যজুৰি চলোৱা ড্ৰাগছ বিৰোধী অভিযানত বৃহৎ পৰিমাণৰ বিভিন্ন নিচাজাতীয় ঔষধ, ড্ৰাগছ আদি জব্দ কৰাৰ লগতে ইয়াৰ স'তে জড়িত লোকক গ্ৰেপ্তাৰ কৰাৰ পৰিসংখ্যাই এটা কথা স্পষ্ট কৰিছে যে এতিয়া অসমত ড্ৰাগছৰ প্ৰচলন পঞ্জাবতকৈ কোনোগুণে কম নহয়। ৰাজ্যখনৰ চহৰাঞ্চলৰ কথা বাদেই— গ্ৰামাঞ্চললৈ যিদৰে ড্ৰাগছে শিপাইছে সেয়া এদিনতে হোৱা নাই। নতুবা এমাহ বা এবছৰত গঢ় লৈ উঠা নাই ড্ৰাগছৰ বৃহৎ সাম্ৰাজ্য। ড্ৰাগছে ৰাজ্যখনৰ চুকে-কোণে এনেদৰে শিপাইছে যে এতিয়া এই চক্ৰবেহুৰ পৰা নৱপ্ৰজন্মৰ উদ্ধাৰ হোৱাটোৱে এক প্ৰত্যাহ্বান হৈ পৰিছে। পিতৃ-মাতৃ, অভিভাৱকৰ বাবেও সন্তানক এই বৰবিহৰ পৰা আঁতৰাই ৰখাটো যেন প্ৰত্যাহ্বান হৈছে। পিছে ইয়াৰ মাজতে এটা প্ৰশ্নৰ উদয় হয়— এই ড্ৰাগছৰ বেহাক প্ৰশ্ৰয় দিছে কোনে? নিজৰ সন্তানৰ দোষ-গুণ বিচাৰ কৰাৰ পৰিৱৰ্তে সমাজৰ আন শ্ৰেণীৰ ওপৰত দোষ জাপি দি যিসকলে ধৃতৰাষ্ট্ৰৰ ভূমিকা লৈছে তেওঁলোকৰ সন্তানেহে এই অন্ধকাৰ জগতখনৰ গভীৰলৈ সোমাই গৈছে। এনে বহুতো পৰিয়াল আছে— যিবোৰৰ সন্তানে ড্ৰাগছ সেৱন কৰা বা বিপথে পৰিচালিত হোৱাৰ বিষয়ে জনা হোৱাৰ পাছতো এয়া সময়ৰ আহ্বান বুলিহে গণ্য কৰিছে। অথবা ওচৰ-চুবুৰীয়াৰ দৃষ্টিৰ পৰা সন্তানক আঁতৰাই ৰাখিবলৈ আনৰ স'তে মিলা-মিচা বন্ধ কৰি দিছে। আনৰ স'তে মিলা-মিচা কৰিলে ড্ৰাগছ সেৱন কৰা বা বিপথে পৰিচালিত হোৱাৰ কথা গম পাব বুলিয়ে প্ৰথম অৱস্থাত বিষয়টো গোপনে ৰাখে। ফলত সন্তানেও দুগুণ উৎসাহিত হৈ লাহে লাহে আৰম্ভ কৰে উৎপাত। প্ৰথম অৱস্থাত পিতৃ-মাতৃক ধমক দিয়া, ঘৰৰ পৰা ধন চুৰি কৰা, গোপনে মূল্যবান বস্তু বিশেষকৈ সোণ-ৰূপৰ গহনা আদি বিক্ৰী কৰিবলৈ লয়। বিচৰা ধন নাপালে পিতৃ-মাতৃক মাৰধৰ কৰা, আনকি হত্যা কৰাৰ ঘটনাও সংঘটিত হৈছে। ঘৰৰ পৰা লাহে লাহে বাহিৰলৈ গৈ চুৰি, ডকাইতি, হত্যাকাণ্ডৰ লগতে আন বহুতো অপকৰ্মত লিপ্ত হ'বলৈ ধৰে। এসময়ত সন্তানক নিয়ন্ত্ৰণ কৰিব নোৱৰা অৱস্থাৰো সৃষ্টি হয়। আজিৰ আমাৰ সমাজখনতো এনে ছবি এখন ফুটি উঠাত হঠাতে যেন চৌদিশে চলিল অভিযান।



মুখ্যমন্ত্ৰীৰূপে কাৰ্যভাৰ গ্ৰহণৰ পাছতে ড০ হিমন্ত বিশ্ব শৰ্মাই যিবোৰ পদক্ষেপ গ্ৰহণ কৰিছে সেইবোৰৰ ভিতৰত ড্ৰাগছ বিৰোধী অভিযান অন্যতম। আৰক্ষী বিভাগত ব্যাপক সালসলনিৰ পাছতে ৰাজ্যজুৰি আৰম্ভ হোৱা ড্ৰাগছ বিৰোধী অভিযানে নিতৌ নতুন নতুন তথ্য উদ্ঘাটন কৰিছে। বিগত এমাহত আৰক্ষীয়ে ৰাজ্যৰ চুকে-কোণে যিদৰে ব্যাপক অভিযান চলাই ড্ৰাগছ বিশেষকৈ হেৰ'ইন, গাঞ্জা, ভাং, মাৰিজুৱানা আদি উদ্ধাৰ কৰিছে সেই তথ্যই প্ৰমাণ কৰিছে যে ইতিমধ্যে আমাৰ সমাজখনত ড্ৰাগছৰ কবলত পৰি নৱপ্ৰজন্ম ধ্বংসৰ মুখলৈ আগবাঢ়িছে। ড্ৰাগছ সেৱনকাৰীসকলৰ অধিকাংশই হ'ল কিশোৰ-কিশোৰী, যুৱক-যুৱতী। বয়স্ক লোকৰ সংখ্যা কম। আনহাতে, ধৃত ব্যৱসায়ীসকলৰ বেছিভাগেই আন্তঃৰাজ্যিক ড্ৰাগছ ব্যৱসায়ী চক্ৰৰে জড়িত। তদুপৰি ইয়াৰে একাংশ আকৌ আন্তঃৰাষ্ট্ৰীয় বৃহৎ চক্ৰৰ স'তে সুসম্পৰ্ক থকা লোক। তদুপৰি যিবোৰ স্থানত এইবোৰ উদ্ধাৰ হৈছে সেয়া জনবহুল ঠাইত চলে ড্ৰাগছৰ বেহা তথা সেৱন প্ৰক্ৰিয়া। আনহাতে, কিছুমানৰ ঘৰতেই এনে চক্ৰ গঢ়ি উঠিছে। পৰিয়ালৰ সদস্যসকলৰ চকুত ধূলি মাৰি সুকীয়া কোঠাত পঢ়া বা থকাৰ সুযোগ গ্ৰহণ কৰি ড্ৰাগছ সেৱন কৰি আহিছে।

ড্ৰাগছ যোগান ধৰোতাসকলৰ ভিতৰত মহিলা জড়িত থকা বিষয়টোৱে সকলোকে চিন্তান্বিত কৰিছে। সাধাৰণতে মহিলাসকলক সন্দেহৰ চকুৰে চোৱা নহয়। ড্ৰাগছ আদি সৰবৰাহত মহিলা জড়িত হ'ব পাৰে বুলি কোনোৱে নাভাবে বাবে ইয়াৰ সুযোগ লৈছে একাংশ যুৱতী আৰু মহিলাই। আগতে বহিঃৰাজ্যৰ মহিলাই এনে কাৰ্যত জড়িত থকাৰ বাতৰি প্ৰকাশ পাইছিল যদিও এতিয়া পিছে ৰাজ্যখনৰ ভিতৰুৱা অঞ্চলৰ মহিলাও এনে ধৰণৰ অপৰাধমূলক কাৰ্যত জড়িত হৈ আছে। এয়া এক চিন্তনীয় বিষয়। আনহাতে, সবাতোকৈ চিন্তনীয় বিষয়টো হ'ল— এতিয়া ঘৰতে ড্ৰাগছ যোগান ধৰা লোকো ওলাইছে। ঘৰত খাদ্য যোগান ধৰাৰ নামত কিছুমান নিৰ্দিষ্ট যুৱক-যুৱতীৰ লগতে মহিলাই খাদ্যৰ ভিতৰতে ড্ৰাগছ যোগান ধৰা হৈছে। তাৰ মানে এতিয়া যদি পিতৃ-মাতৃ তথা অভিভাৱকে ঘৰত সামগ্ৰী যোগান ধৰা যুৱক-যুৱতীৰ ওপৰতো তীক্ষ্ণ নজৰ নিদিয়ে তেনেহ'লে বিপদ নিশ্চিত। বিদ্যালয়-মহাবিদ্যালয়লৈ যোৱাৰ সময়তো বিপদৰ আগজাননী দিয়া হৈছে। কাৰণ পুৰাই ঘৰৰ পৰা শিক্ষানুষ্ঠানলৈ ওলাই যোৱা শিক্ষাৰ্থীয়েও আনকি এতিয়া নিৰ্দিষ্ট স্থানলৈ গৈ ড্ৰাগছ সেৱন কৰা হৈছে। হোষ্টেলত থকা একাংশ যুৱক-যুৱতীয়ে ঘৰৰ পৰা আঁতৰত থকাৰ সুযোগ লৈ বন্ধু-বান্ধৱীৰ সংগত পৰি ড্ৰাগছ সেৱনৰ অভ্যাস গঢ়ি তোলাৰ সংখ্যাও কম নহ'ব।

এতিয়া প্ৰশ্ন হ'ল— অসমত হঠাতে ড্ৰাগছৰ বেহাই ভয়াবহ ৰূপ ল'লে কেনেকৈ? ড্ৰাগছ মাফিয়াৰ স'তে ৰাজ্যৰ বহুতো অপৰাধী চক্ৰৰ সু-সম্পৰ্ক থকা বিষয়টো সকলোৱে জ্ঞাত। কিন্তু এনেবোৰ চক্ৰৰ বিৰুদ্ধে মাত মাতিবলৈ সাধাৰণ মানুহে সাহস নকৰে। কাৰণ কোনোবাই আঙুলি টোৱালেই দিন দুপৰতে ঘৰতে হত্যা কৰি যোৱাৰ শংকা। ড্ৰাগছৰ চক্ৰবোৰ ইমান শক্তিশালী যে ইয়াৰ বিৰুদ্ধে সাধাৰণ মানুহে মাত মাতিবলৈ সাহস গোটাব নোৱাৰে। শেহতীয়াভাৱে প্ৰতিখন জিলাতেই আৰক্ষীয়ে যি কঠোৰ ভূমিকা গ্ৰহণ কৰিছে তাৰ দ্বাৰা বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ হৈছে আৰু ইয়াৰ স'তে জড়িত বহুতক গ্ৰেপ্তাৰ কৰিলেও এতিয়াও ৰাজ্যত গোপনেই কৌশলপূৰ্ণভাৱে একো একোটা চক্ৰই ব্যৱসায় চলাই আছে। ড্ৰাগছৰ কবলত পৰি ইতিমধ্যে বহুতেই জীৱন ধ্বংস কৰিলে। বহুতো পৰিয়ালৰ সদস্যৰ হাঁহি চিৰদিনৰ বাবে কাঢ়ি নিলে। নৱপ্ৰজন্মক ধ্বংসৰ গৰাহলৈ ঠেলি দিয়াৰ ফলত পৰিয়াল, সমাজত বৃদ্ধি পাইছে অপৰাধ আৰু অশান্তি। এইবোৰ প্ৰতিহত কৰিবলৈ সকলোৱে সতৰ্কতা অৱলম্বন কৰিব লাগিব। নেতিবাচক মনোভাবেৰে আনৰ মুখলৈ চাই থাকিলে নহ'ব। সচেতনতা, সতৰ্কতা আৰম্ভ হওক নিজৰ ঘৰখনতেই।

ফোন ঃ ৯৪৩৫১০৩৯৭৭



## পহিলা জুলাইৰ পৰা সম্পূৰ্ণ তলাবন্ধ বাংলাদেশত

**নিউজ ব্যুৰ'**
**ঢাকা, ২৯ জুন ঃ** বাংলাদেশত অহা পহিলা জুলাইৰ পৰা সৰ্বাত্মক তলাবন্ধৰ ঘোষণা কৰা হৈছে। কৰ'নাৰ ব্যাপক সংক্ৰমণ প্ৰতিৰোধৰ বাবে দেশখনৰ চৰকাৰে আকৌ এবাৰ সম্পূৰ্ণ তলাবন্ধৰ সিদ্ধান্ত ল'লে। তলাবন্ধ ঘোষণাৰ পাছতে ৰাজধানী ঢাকাৰ পৰা হেজাৰ হেজাৰ শ্ৰমিকে পলায়ন আৰম্ভ কৰিছে। যোৱা দেওবাৰে দেশখনৰ ৫,২৬৮ জন লোক কৰ'নাত আক্ৰান্ত হৈছিল আৰু ১১৯ জনে এই ভাইৰাছত শেষ নিশ্বাস ত্যাগ কৰিছিল। বৰ্তমানলৈকে দেশখনত ৮,৮৮,৪০৬ জন লোক কৰ'নাত আক্ৰান্ত হৈছে আৰু সমগ্ৰ দেশজুৰি ১৪,১৭২ জন লোকে কৰ'নাত প্ৰাণ হেৰুৱালে। বৰ্তমানে বাংলাদেশত ৭০ হেজাৰ সক্ৰিয় ক'ভিড ৰোগী আছে।

**বিশ্ব স্বাস্থ্য সংস্থাৰ সকীয়নি ঃ কাপ্পা, লামডা আৰু বি ১.৬১৭.৩ৰ সংক্ৰমণে ভয়াৱহ ৰূপ ধাৰণ কৰিব পাৰে**

# সাৱধান! আগমন ঘটিব পাৰে কৰ'নাৰ এই তিনি প্ৰজাতিৰ

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৯ জুন ঃ** বিগত ডেৰ বছৰ ধৰি কৰ'না ভাইৰাছৰ স'তে অহৰহ যুঁজ দি আহিছে এই বিশ্বই। হেজাৰ হেজাৰ লোকৰ মৃত্যুৰ লগতে অৰ্থনীতিৰ ক্ষেত্ৰতো চৰম বিপৰ্যস্ত হৈছে বিশ্বৰ প্ৰায় প্ৰতিখন দেশ। এনে অৱস্থাতে ভাৰতৰ দৰে দেশত ক'ভিডৰ নতুন প্ৰজাতি 'ডেল্টা প্লাছ'ৰ সংক্ৰমণে দেশবাসীৰ উদ্বেগ বৃদ্ধি কৰিছে। 'ডেল্টা প্লাছ'ৰ আতংক আৰম্ভ হোৱাৰ সময়তে বিশেষজ্ঞসকলে প্ৰকাশ কৰা মতে, আৰু তিনিটা নতুন প্ৰজাতিৰ কৰ'না ভাইৰাছে বিশ্বত নতুন আতংকই সৃষ্টি কৰাৰ যথেষ্ট শংকা আছে। এইসকল বিশেষজ্ঞৰ মতে, যিকোনো মুহূৰ্ততে নতুন তিনি প্ৰজাতিৰ ক'ভিডে তাণ্ডৱ চলাব পাৰে। বিশ্ব স্বাস্থ্য সংস্থাই এইদৰে সকীয়নি দি জনোৱা অনুসৰি, বিশ্বত কৰ'নাৰ আন তিনিটা প্ৰজাতি ক্ৰমে কাপ্পা, লামডা আৰু বি ১.৬১৭.৩ৰ সংক্ৰমণে আগন্তুক সময়ত ভয়াৱহ ৰূপ ধাৰণ কৰিব পাৰে। বিশেষজ্ঞই প্ৰকাশ কৰা অনুসৰি বি.১.১৬৭.১ ভাইৰাছে ৰূপ পৰিৱৰ্তন কৰি কাপ্পা প্ৰজাতিত পৰিণত হৈছে। কাপ্পা হৈছে



ক'ভিডৰ দুবাৰকৈ ৰূপ পৰিৱৰ্তন কৰা অধিক শক্তিশালী প্ৰজাতি। ব্ৰাজিল আৰু দক্ষিণ আফ্ৰিকাত এই প্ৰজাতিৰ ক'ভিডৰ সংক্ৰমণে আতংকৰ সৃষ্টি কৰাৰ শংকা আছে। মানৱ দেহৰ ৰোগ প্ৰতিৰোধ ক্ষমতাত অতি সহজে কাপ্পা প্ৰজাতিয়ে আঘাত হানিব পাৰে। আনহাতে, লামডা প্ৰজাতিৰ সংক্ৰমণ ইতিমধ্যে পেৰুৰ লগতে বিশ্বৰ ২৯ খন দেশত চিনাক্ত কৰা হৈছে। ২০২০ত পেৰুত এইবিধ ক'ভিড ভাইৰাছৰ প্ৰথম সংক্ৰমণ ধৰা পৰিছিল। শেহতীয়াভাৱে লেটিন আমেৰিকাৰ বাসিন্দা আৰু ব্ৰিটেইনো লামডা ভাইৰাছত আক্ৰান্ত হৈছে। আগন্তুক সময়ত বিশ্বৰ অধিকাংশ দেশত ক'ভিডৰ লামডা প্ৰজাতিৰ ব্যাপক সংক্ৰমণৰ শংকা আছে বুলি বিশ্ব স্বাস্থ্য সংস্থাই সকীয়াই দিছে। ব্ৰিটেইনৰ স্বাস্থ্য গৱেষকে দাবী কৰা অনুসৰি, বি ১.৬১৭.৩ প্ৰজাতিৰ ক'ভিড ভাইৰাছ হৈছে সবাতোকৈ ক্ষতিকাৰক। মানৱ শৰীৰত এই প্ৰজাতিৰ ভাইৰাছে প্ৰৱেশ কৰিলে ৰোগীয়ে ক্ৰমশ মৃত্যুৰ দিশলৈ অগ্ৰসৰ হয়। অনেক ক্ষেত্ৰত প্ৰতিষেধকেও কাৰ্যকৰী ভূমিকা ল'ব নোৱাৰে। বৰ্তমানলৈকে এই প্ৰজাতিৰ ক'ভিড ভাইৰাছৰ সংক্ৰমণে বিশ্বত ভয়াৱহ ৰূপ লোৱা নাই যদিও আগন্তুক সময়ত বি ১.৬১৭.৩ৰ অধিক সংক্ৰমণৰ শংকা নথকা নহয়। উল্লেখ্য যে ভাৰতো এই প্ৰজাতিৰ ভাইৰাছৰ সংক্ৰমণৰ মানচিত্ৰৰ বাহিৰত নাই।



## ব্ৰাজিলত কৰ'না আক্ৰান্তৰ সংখ্যা ১.৮৪ কোটিলৈ বৃদ্ধি

**নিউজ ব্যুৰ'**
**ছাও পাউলো, ২৯ জুন ঃ** ব্ৰাজিলত শেহতীয়াভাৱে কৰ'নাৰ 'ডেল্টা' প্ৰজাতিত আক্ৰান্তৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। যোৱা দেওবাৰে দেশখনত নতুনকৈ ৩৩,৭০৪ জন লোক কৰ'নাত আক্ৰান্ত হৈছিল। ফলত ব্ৰাজিলত মুঠ কৰ'নাৰ আক্ৰান্তৰ সংখ্যা এক কোটি ৮৪ লাখ ২০ হেজাৰ জনলৈ বৃদ্ধি পাইছিল। দেওবাৰে দেশখনত ৭৩৯ জন লোকে কৰ'নাত প্ৰাণ হেৰুৱাইছিল। বৰ্তমানলৈকে পাঁচ লাখ ১৩ হেজাৰৰো অধিক লোকে ব্ৰাজিলত ক'ভিডত প্ৰাণ হেৰুৱালে। অৱশ্যে ইয়াৰ মাজতে দেশখনত এক কোটি ৬০ লাখৰো অধিক লোকে ক'ভিডক পৰাভূত কৰিবলৈ সফল হৈছে।

## ইটালীৰ ২০ ৰাজ্যত পৰিধান কৰিব নালাগে মাস্ক



**নিউজ ব্যুৰ', ৰোম, ২৯ জুন ঃ** কৰ'না ভাইৰাছৰ সংক্ৰমণে বিশ্বত ত্ৰাস অব্যাহত ৰখাৰ সময়তে একাংশ দেশত চৰকাৰে কৰ'না বিধি শিথিল কৰিছে। সংক্ৰমণ হ্ৰাসৰ প্ৰতি লক্ষ্য ৰাখি ইটালীৰ চৰকাৰেও কৰ'না বিধি পূৰ্বতকৈ শিথিল কৰিলে। কালিৰে পৰা দেশখনৰ বহু অঞ্চলত ৰাজহুৱা স্থানত মাস্ক পৰিধানৰ বাধ্যবাধকতা প্ৰত্যাহাৰ কৰা হৈছে। চৰকাৰৰ এই সিদ্ধান্তৰ পাছত কৰ'না কালত মাস্ক পৰিধান প্ৰত্যাহাৰ কৰা ইউৰোপৰ প্ৰথমখন দেশ হিচাপে পৰিচিত হ'ল ইটালী। ইটালীৰ স্বাস্থ্য মন্ত্ৰণালয়ে ঘোষণা কৰা অনুসৰি দেশখনৰ ২০ খন ৰাজ্যৰ বাসিন্দাই ২৮ জুনৰ পৰা কৰ'না প্ৰতিৰোধৰ বাবে মাস্ক পৰিধান কৰিব নালাগে। প্ৰায় এবছৰৰো অধিক সময়ৰ পাছত ইটালী মাস্কমুক্ত হ'ল।

## নিৰাপত্তা বাহিনীৰে সংঘৰ্ষত কাশ্মীৰত নিহত লস্কৰৰ শীৰ্ষ নেতা

**নিউজ ব্যুৰ', শ্ৰীনগৰ, ২৯ জুন ঃ** নিৰাপত্তা বাহিনীৰ স'তে হোৱা গুলীয়াগুলিত আজি ধৰাশায়ী হ'ল লস্কৰ-ই-তৈবাৰ শীৰ্ষ কমাণ্ডাৰ নাদিম আব্ৰাৰ। উল্লেখ্য যে সোমবাৰে পাৰিমপোৰাৰ পৰা আৰক্ষী আৰু চি আৰ পি এফে আব্ৰাৰক গ্ৰেপ্তাৰ কৰিছিল। আব্ৰাৰক জেৰা কৰাত তেওঁ মালুৰাত এটা বাসগৃহত তেওঁৰ এজন সহযোগীয়ে আত্মগোপন কৰি থকাৰ খবৰ দিয়ে। আব্ৰাৰক লগত লৈ উক্ত অঞ্চললৈ নিৰাপত্তা বাহিনীয়ে অভিযান চলাবলৈ যোৱাৰ সময়তে উক্ত বাসগৃহত লুকাই থকা আব্ৰাৰৰ সংগীয়ে নিৰাপত্তা বাহিনীলৈ গুলিবৰ্ষণ কৰিছিল। লগে লগে উভয়পক্ষৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত ঘটে আৰু এই সংঘৰ্ষত আব্ৰাৰৰ লগতে তেওঁৰ সংগীজনো নিহত হয়। এই ঘটনাত এজন জোৱানো আহত হৈছে।



## টুইটাৰৰ ভাৰতৰ পৰিচালন সঞ্চালকৰ বিৰুদ্ধে উত্তৰ প্ৰদেশত দ্বিতীয়টো গোচৰ



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২৯ জুন ঃ** টুইটাৰ ইণ্ডিয়াৰ পৰিচালন সঞ্চালক মনীষ মাহেশ্বৰীৰ বিৰুদ্ধে উত্তৰ প্ৰদেশত পুনৰ এটা গোচৰ ৰুজু হ'ল। টুইটাৰৰ ৱেবছাইটত ভাৰতৰ অশুদ্ধ মানচিত্ৰ প্ৰদৰ্শনৰ অভিযোগত বুলণ্ডচহৰত এজন লোকে মাইক্ৰ'ব্লগিং ছাইটটোৰ ভাৰতৰ পৰিচালন সঞ্চালক মাহেশ্বৰীৰ বিৰুদ্ধে গোচৰ তৰে। উল্লেখ্য যে টুইটাৰে কেন্দ্ৰীয়শাসিত প্ৰদেশ জম্মু-কাশ্মীৰ আৰু লাডাখক ভাৰতৰ বাহিৰৰ পৃথক ৰাষ্ট্ৰ হিচাপে মানচিত্ৰত প্ৰদৰ্শন কৰিছিল। টুইটাৰে ইতিমধ্যে এই ভুল শুধৰালে যদিও মাইক্ৰ'ব্লগিং ছাইটটোৰ ভাৰতৰ পৰিচালন সঞ্চালকজনৰ বিৰুদ্ধে দ্বিতীয়টো গোচৰ ৰুজু হ'ল। বজৰং দলৰ নেতা প্ৰবীণ ভাটিয়ে মাহেশ্বৰীৰ বিৰুদ্ধে এই গোচৰ ৰুজু কৰিছে।

## প্ৰতিষেধক প্ৰসংগত প্ৰশ্ন উত্থাপন কৰা প্ৰশান্ত ভূষণৰ টুইটাৰ একাউণ্ট হ'ল বন্ধ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ জুন ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, আইন মন্ত্ৰী ৰবিশংকৰ প্ৰসাদ আৰু বিজেপিৰ মুখপাত্ৰ সম্বিত পাত্ৰাৰ পাছত টুইটাৰে সমাজকৰ্মী তথা অধিবক্তা প্ৰশান্ত ভূষণৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিলে। মাইক্ৰ'ব্লগিং ছাইটটোৱে প্ৰতিষেধকৰ সন্দৰ্ভত অধিবক্তা ভূষণে কৰা এক টুইটক বিভ্ৰান্তিকৰ আখ্যা দি তেওঁৰ টুইটাৰ একাউণ্ট ১২ ঘণ্টাৰ বাবে 'ব্লক' কৰি দিয়ে। যোৱা শনিবাৰে বিয়লি ৬-২০ বজাত ভূষণে এক টুইট



কৰিছিল। এই টুইটত বৰ্ষীয়ান অধিবক্তাজনে কৈছিল, 'ক'ভিড প্ৰতিষেধকৰ সন্দৰ্ভত মই প্ৰকাশ কৰা বক্তব্যক লৈ কে'বাজনো ব্যক্তিয়ে মোক বক্তব্যৰে আক্ৰমণ কৰিছে। মই কিছু তথ্যপাতি দাখিল কৰিলো। এইসমূহ কাৰণত মোৰ মনত প্ৰতিষেধকক লৈ সন্দেহ আছে। প্ৰতিষেধকৰ পৰীক্ষণ সম্পন্ন নকৰা আৰু ইয়াৰ গম্ভীৰ পৰিণতিৰ লগতে নিজৰ মতামতক 'চেঞ্চৰ' কৰাক লৈও মই চিন্তিত।' টুইটাৰে ভূষণৰ এই টুইটক বিভ্ৰান্তিকৰ তথা বিপথে পৰিচালিত কৰা বুলি অভিহিত কৰি অধিবক্তাজনৰ টুইটাৰ একাউণ্ট ১২ ঘণ্টাৰ বাবে বন্ধ কৰি দিয়ে।

## পূৰ্ব পৰিকল্পিত আছিল পশ্চিমবংগৰ নিৰ্বাচন পৰৱৰ্তী হিংসা

**গৃহ মন্ত্ৰণালয়ক প্ৰতিবেদন**



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ জুন ঃ** পশ্চিমবংগত বিধানসভাৰ নিৰ্বাচনৰ পাছত সংঘটিত হোৱা ব্যাপক হিংসাত্মক ঘটনাৰ সন্দৰ্ভত কাৰণ নিৰ্ণয় সমিতিয়ে গৃহ মন্ত্ৰণালয়ক প্ৰতিবেদন দাখিল কৰিলে। পাঁচজনীয়া সদস্যৰ সমিতিখনে আজি গৃহ ৰাজ্যমন্ত্ৰী কিষণ ৰেড্ডীক এই সন্দৰ্ভত নিজৰ প্ৰতিবেদন দাখিল কৰে। সমিতিখনে প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি পশ্চিমবংগত নিৰ্বাচনৰ পাছত যি হিংসাত্মক ঘটনা সংঘটিত হৈছিল সেয়া পূৰ্বপৰিকল্পিত আছিল। এই প্ৰতিবেদনতে সমিতিয়ে উক্ত হিংসাত্মক ঘটনা প্ৰতিৰোধৰ ক্ষেত্ৰত মমতা বেনাৰ্জীৰ চৰকাৰ ব্যৰ্থ হোৱা বুলিও দাবী কৰিছে। হিংসাত্মক ঘটনাৰ কাৰণ নিৰ্ণয় সমিতিয়ে মুঠ ৬৩ পৃষ্ঠাৰ প্ৰতিবেদন যুগুত কৰিছে। এই প্ৰতিবেদন প্ৰস্তুত কৰাৰ বাবে পাঁচজনীয়া সদস্যৰ সমিতিখনে পশ্চিমবংগলৈ গৈছিল আৰু দুশৰো অধিক ফটোগ্ৰাফ আৰু ৫০টাৰো অধিক ভিডিঅ' বিশ্লেষণ কৰি এই প্ৰতিবেদন যুগুত কৰিছে। উল্লেখ্য যে বিধানসভা নিৰ্বাচনৰ পাছত পশ্চিমবংগৰ ১৬ খন জিলাত ৰাজনৈতিক হিংসাৰ ঘটনা সংঘটিত হৈছিল। এনেবোৰ হিংসাত্মক ঘটনাৰ পৰিপ্ৰেক্ষিতত পশ্চিমবংগৰ বহু লোকে প্ৰাণৰ শংকাত আন ৰাজ্যত আশ্ৰয় গ্ৰহণ কৰিব লগা হৈছিল। নিৰ্বাচনৰ পাছত হিংসাত্মক ঘটনাত ২৫ জন লোকৰ মৃত্যু হোৱাৰ লগতে ১৫,০০০ হিংসাত্মক ঘটনা সংঘটিত হৈছিল। তদুপৰি সাত হেজাৰৰো অধিক মহিলাক নিৰ্বাচনৰ পাছত ৰাজনৈতিক কাৰণত নিৰ্যাতন চলোৱা হৈছিল বুলি প্ৰতিবেদনত উল্লেখ কৰা হৈছে।

**পঞ্জাৱ বিধানসভাৰ নিৰ্বাচনত আম আদমী পাৰ্টিৰ পঞ্জাৱত ২৪ ঘণ্টাই বিজুলী যোগানৰ প্ৰতিশ্ৰুতি**

# পঞ্জাৱবাসীয়ে লাভ কৰিব ৩০০ ইউনিট বিনামূলীয়া বিদ্যুৎ ঃ কেজৰিৱাল

**নিউজ ব্যুৰ', চণ্ডীগড়, ২৯ জুন ঃ** পঞ্জাৱত অহা বছৰত অনুষ্ঠিত হ'ব লগা বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টি (আপ)ৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে ৰাজ্যখনত নিৰ্বাচনী প্ৰতিশ্ৰুতি ঘোষণা কৰিলে। কেজৰিৱালে কয় যে যদিহে পঞ্জাৱত তেওঁৰ দলটোৱে নিৰ্বাচনত জয়লাভ কৰে তেন্তে পঞ্জাৱবাসীক বিনামূল্যে বিজুলীৰ যোগান ধৰা হ'ব। দিল্লীৰ মুখ্যমন্ত্ৰীজনে পঞ্জাৱবাসীক ৩০০ ইউনিটলৈকে বিনামূলীয়া বিদ্যুতৰ যোগান ধৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। উল্লেখ্য যে দিল্লীবাসীক বৰ্তমানে কেজৰিৱাল চৰকাৰে ২০০ ইউনিট বিজুলী বিনামূল্যে যোগান ধৰি আহিছে। বিজুলীৰ সন্দৰ্ভত আজি কেজৰিৱালে পঞ্জাৱবাসীক মূলত তিনিটা প্ৰতিশ্ৰুতি দিয়ে। আপৰ চৰকাৰ গঠন হ'লে পঞ্জাৱবাসীয়ে ৩০০ ইউনিটলৈকে বিজুলী বিনামূল্যে লাভ কৰাৰ লগতে পুৰণি বিজুলীৰ বিল অনাদায় থকা লোকৰ



বিলৰ ধন মাফ কৰি দিব বুলি প্ৰতিশ্ৰুতি দিয়ে। চণ্ডীগড়ত আয়োজন কৰা সংবাদমেলত আপৰ মুৰব্বীজনে লগতে কয় যে যিসকল লোকৰ বিদ্যুতৰ সংযোগ ইতিমধ্যে কৰ্তন কৰা হৈছে, তেওঁলোকে পুনৰ সংযোগ লাভ কৰিব। তদুপৰি কেজৰিৱালে পঞ্জাৱবাসীক ২৪ ঘণ্টাই বিজুলী যোগানৰ প্ৰতিশ্ৰুতি দিয়ে। এয়া কোনো নিৰ্বাচনী প্ৰতিশ্ৰুতি নহয়, বৰঞ্চ আপৰ 'গেৰাণ্টি' বুলিও কেজৰিৱালে দোহাৰে।

## যোগী চৰকাৰে নিৰ্মাণ কৰিব আম্বেদকাৰ স্মাৰক, নাটক আখ্যা মায়াৱতীৰ



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২৯ জুন ঃ** উত্তৰ প্ৰদেশৰ যোগী আদিত্যনাথৰ চৰকাৰে লক্ষ্ণৌত এটা আম্বেদকাৰ স্মাৰক আৰু সাংস্কৃতিক কেন্দ্ৰ নিৰ্মাণ কৰিব। আজি মুখ্যমন্ত্ৰী আদিত্যনাথৰ উপস্থিতিত ৰাষ্ট্ৰপতি ৰামনাথ ক'বিন্দে এই স্মাৰকৰ আধাৰশিলা স্থাপন কৰে। উত্তৰ প্ৰদেশ চৰকাৰে আম্বেদকাৰৰ নামত নতুনকৈ স্মাৰক নিৰ্মাণ কৰিবলৈ লোৱা পদক্ষেপক নাটক আখ্যা দিলে ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বহুজন সমাজ পাৰ্টিৰ নেত্ৰী মায়াৱতীয়ে। এক টুইটত মায়াৱতীয়ে কয় যে নিৰ্বাচনৰ পূৰ্বে বিজেপিয়ে নাটকবাজী কৰিছে। যোগী চৰকাৰে নিৰ্বাচনৰ পূৰ্বে এইদৰে আম্বেদকাৰ স্মাৰকৰ আধাৰশিলা স্থাপন কৰাৰ পৰিৱৰ্তে এনে স্মাৰক মুকলি কৰা হ'লে ভাল হ'লহেঁতেন বুলি মায়াৱতীয়ে প্ৰতিক্ৰিয়া ব্যক্ত কৰে। লক্ষ্ণৌত নিৰ্মাণ কৰিব লগা এই স্মাৰক ক্ষেত্ৰত ড° ভীমৰাও আম্বেদকাৰৰ এটা ২৫ ফুট দৈৰ্ঘ্যৰ মূৰ্তি তৈয়াৰ কৰা হ'ব। তদুপৰি এই স্মাৰকত অডিটৰিয়াম, পুথিভঁৰাল, সংগ্ৰহালয় আৰু গৱেষণা কেন্দ্ৰও নিৰ্মাণ কৰা হ'ব।

## ৰাষ্ট্ৰসংঘত ভাৰতৰ দাবী ঃ ড্ৰ'ন্‌ৰে সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনাক গুৰুত্ব সহকাৰে গ্ৰহণ কৰক



**নিউজ ব্যুৰ', ৰাষ্ট্ৰসংঘ, ২৯ জুন ঃ** জম্মুত ভাৰতীয় বায়ুসেনাৰ ঘাটিত দুখনকৈ ড্ৰ'নে চলোৱা আক্ৰমণৰ ঘটনাৰ সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদত সৰৱ হ'ল ভাৰত। ৰাষ্ট্ৰসংঘত এই প্ৰসংগ উত্থাপন কৰি ভাৰতে কয় যে সামৰিক আৰু বাণিজ্যিক সম্পদৰ বিৰুদ্ধে সন্ত্ৰাসবাদীৰ কাৰ্যকলাপত অস্ত্ৰসমৃদ্ধ ড্ৰ'ন ব্যৱহাৰ কৰাটো গুৰুত্বসহকাৰে লোৱাৰ প্ৰয়োজন আছে। এনে ঘটনাই ভৱিষ্যতে ডাঙৰ বিপদ মাতি আনিব পাৰে বুলি সাধাৰণ পৰিষদত ভাৰতৰ প্ৰতিনিধিয়ে যুক্তি প্ৰদৰ্শন কৰে। উল্লেখ্য যে দুদিন পূৰ্বে জম্মু বিমানকোঠৰ ভিতৰত থকা ভাৰতীয় বায়ুসেনাৰ ঘাটিত দুখনকৈ ড্ৰ'নে বোমাৰে আক্ৰমণ সংঘটিত কৰিছিল। এই ঘটনাত কোনো লোক হতাহত হোৱা নাছিল যদিও বায়ুসেনাৰ প্ৰযুক্তি বিভাগৰ এটি কোঠা ক্ষতিগ্ৰস্ত হৈছিল। এই ঘটনাৰ পাছতো পুনৰ আন দুখন ড্ৰ'নে সামৰিক ঘাটিৰ আশে-পাশে বিচৰণ কৰাৰ অভিযোগ উত্থাপিত হৈছিল। ৰাষ্ট্ৰসংঘৰ মজিয়াত সন্ত্ৰাসবাদীয়ে এইদৰে সন্ত্ৰাস বিয়পাবলৈ ড্ৰ'ন্‌ৰ ব্যৱহাৰ কৰা প্ৰসংগ ভাৰতে উত্থাপন কৰি সন্ত্ৰাসবাদীৰ এনে কাৰ্যকলাপক ৰাষ্ট্ৰসংঘই গুৰুত্ব সহকাৰে লোৱাটো জৰুৰী বুলি মন্তব্য কৰি কয় যে অন্যথা ভৱিষ্যতে সন্ত্ৰাসবাদীয়ে ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰিব পাৰে। ভাৰতৰ হৈ ৰাষ্ট্ৰসংঘত গৃহ মন্ত্ৰণালয়ৰ বিশেষ সচিব বি এছ কে কৌমুদীয়ে এইদৰে যুক্তি দৰ্শায়।



## আঠ মাহৰ ৰক্তক্ষয়ী যুঁজৰ পাছত টাইগ্ৰেত যুদ্ধবিৰতি ঘোষণা ইথিউপিয়াৰ

**নিউজ ব্যুৰ', মেকেলে, ২৯ জুন ঃ** বিগত আঠ মাহ ধৰি অব্যাহত থকা যুদ্ধৰ পাছত টাইগ্ৰে প্ৰদেশত একপক্ষীয় যুদ্ধবিৰতি ঘোষণা কৰিলে ইথিউপিয়াই। দেশখনৰ চৰকাৰী সংবাদ মাধ্যমে আজি এই কথা প্ৰকাশ কৰি জনোৱা মতে, টাইগ্ৰেত বৰ্তমানে সংঘৰ্ষ বন্ধ ৰখা হ'ব। আন্তৰ্জাতিক সংবাদ মাধ্যমৰ বাতৰি অনুসৰি সোমবাৰে টাইগ্ৰে প্ৰদেশৰ ৰাজধানী মেকেলে দখল কৰিছিল ইথিউপিয়াৰ চৰকাৰবিৰোধী সশস্ত্ৰ ৰাজনৈতিক দল টাইগ্ৰে পিপলছ লিবাৰেচন ফ্ৰণ্ট (টি পি এল এফ)-এ। দলটোৰ মুখপাত্ৰ গেটাচিউ ৰেডাই কালি এক বিবৃতিৰ জৰিয়তে ঘোষণা কৰি কৈছিল, 'মেকেলেৰ দখল সম্পূৰ্ণভাৱে আমাৰ হাতত।' টি পি এল এফৰ এই ঘোষণাৰ পাছতে আজি ইথিউপিয়াই টাইগ্ৰেত যুদ্ধবিৰতিৰ সিদ্ধান্ত লয়। চৰকাৰে ঘোষণা কৰা অনুসৰি ২৮ জুনৰ পৰা পৰৱৰ্তী ঘোষণা নকৰালৈকে টাইগ্ৰেত যুদ্ধবিৰতি বাহাল থাকিব।

## পাৰমাণৱিক বিষয়ত আমি সিদ্ধান্ত ল'লো, এতিয়া দ্বিতীয় পক্ষৰ দায়িত্ব ঃ ইৰান

**নিউজ ব্যুৰ'**
**তেহৰান, ২৯ জুন ঃ** পাৰমাণৱিক বুজাপৰাৰ সন্দৰ্ভত আমেৰিকাৰ আগত নিজৰ উদ্দেশ্য স্পষ্ট কৰিলে ইৰানে। ইৰানে কয় যে পাৰমাণৱিক প্ৰসংগত ইতিমধ্যে দেশখনে প্ৰয়োজনীয় সিদ্ধান্তত উপনীত হৈছে আৰু এতিয়া ইৰান পাৰমাণৱিক চুক্তিৰ সন্দৰ্ভত দ্বিতীয় পক্ষই সিদ্ধান্ত লোৱা উচিত। ইৰান আৰু আমেৰিকাই পাৰমাণৱিক চুক্তিক লৈ উভয় দেশৰ মাজত সৃষ্টি হোৱা সংঘাত দূৰ কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। ভিয়েনাত অনুষ্ঠিত হোৱা এই বিষয়ক এখন বৈঠকত ইৰানে সংশ্লিষ্ট পক্ষ আৰু সদস্যসকলক স্পষ্টভাৱে কয় যে



পাৰমাণৱিক বিষয়টোৰ সন্দৰ্ভত ইৰানে প্ৰয়োজনীয় সিদ্ধান্ত ইতিমধ্যে গ্ৰহণ কৰিছে আৰু এতিয়া এই বিষয়ত সংশ্লিষ্ট দেশসমূহে সিদ্ধান্ত লোৱা উচিত। ইৰানৰ বৈদেশিক মন্ত্ৰণালয়ৰ মুখপাত্ৰ ছয়ীদ খতিজেদাহে কয় যে ইৰানে এই বিষয়ত কেৱল নিজে সিদ্ধান্তত উপনীত হোৱাই নহয়, নিজৰ সিদ্ধান্তৰ কথা বিশ্বৰ আগত ব্যক্ত কৰিছে। পাৰমাণৱিক বিষয়টোৰ সন্দৰ্ভত এতিয়া আমেৰিকাসহ অন্যান্য দেশসমূহে স্পষ্ট সিদ্ধান্তত উপনীত হোৱা জৰুৰী বুলি খতিজেদাহে মন্তব্য কৰে। উল্লেখ্য যে ইৰান আৰু আমেৰিকাৰ মাজত ২০১৫ বৰ্ষত তদানীন্তন মাৰ্কিন ৰাষ্ট্ৰপতি বাৰাক অ'বামাৰ কাৰ্যকালত এখন পাৰমাণৱিক চুক্তি সম্পন্ন হৈছিল। কিন্তু ২০১৮ বৰ্ষত তদানীন্তন মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে আমেৰিকাই ইৰান পৰমাণু চুক্তি ত্যাগ কৰা বুলি ঘোষণা কৰিছিল। ইয়াৰ পাছৰে পৰা এই বিষয়টোক লৈ ইৰান-আমেৰিকাৰ সংঘাত অব্যাহত আছে। অৱশ্যে জ' বাইডেনে মাৰ্কিন ৰাষ্ট্ৰপতিৰ শপত লোৱাৰ পাছত ইৰানৰ স'তে আমেৰিকাৰ সম্পৰ্ক উন্নত কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

## মনীষ ছিছ'ডিয়াৰ অভিযোগ ঃ বিজেপি নেতাই ভাঙিলে মোৰ গাড়ী, বিদ্যালয় কৰিলে লণ্ডভণ্ড

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ জুন ঃ** দিল্লীৰ উপ-মুখ্যমন্ত্ৰী তথা আপৰ নেতা মনীষ ছিছ'ডিয়াই বিজেপিৰ নেতাৰ বিৰুদ্ধে তেওঁৰ চৰকাৰী গাড়ীত আক্ৰমণৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিলে। দিল্লী চৰকাৰৰ শিক্ষামন্ত্ৰীৰ দায়িত্বত নিয়োজিত ছিছ'ডিয়াই এক টুইটত আজি অভিযোগ কৰি কয়, 'আজি ৰোহতাছ নগৰত বিদ্যালয় নিৰ্মাণৰ বিৰোধিতা কৰি বিজেপি নেতা আৰু গুণ্ডাবাহিনীয়ে বিদ্যালয় লণ্ডভণ্ড কৰে। মোৰ চৰকাৰী গাড়ীখন ভাঙিলে, বিদ্যালয়ৰ গেট ভঙাৰ লগতে উক্ত স্থানত উপস্থিত থকা শিক্ষয়িত্ৰী, অভিযন্তা আৰু শ্ৰমিকৰ স'তে দুৰ্ব্যৱহাৰ কৰে। বিদ্যালয় নিৰ্মাণ, পঢ়া-শুনা কৰাৰ প্ৰতি বিজেপি নেতাসকলৰ আপত্তি



কিয় ?' উল্লেখ্য যে দিল্লীত আম আদমী পাৰ্টিৰ চৰকাৰ আৰু বিজেপিৰ মাজত এক সংঘাত চলি আহিছে। কেন্দ্ৰৰ চৰকাৰখনেও নানা কৌশলৰে দিল্লীৰ অৰবিন্দ কেজৰিৱালৰ চৰকাৰৰ কাম-কাজত বাধাদান কৰাৰ একাধিক অভিযোগ বৰ্তমানলৈকে উত্থাপিত হৈছে। কেজৰিৱাল চৰকাৰে দিল্লীত উন্নতমানৰ শিক্ষানুষ্ঠান নিৰ্মাণ কৰা আৰু দিল্লীৰ চৰকাৰী শিক্ষানুষ্ঠানৰ মানদণ্ড উন্নীত কৰাৰ দাবী উত্থাপন কৰি আহিছে। শেহতীয়াভাৱে ৰোহতাচ নগৰত এখন বিদ্যালয়ৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হৈছে। কিন্তু দিল্লীৰ উপ-মুখ্যমন্ত্ৰী তথা শিক্ষামন্ত্ৰী ছিছ'ডিয়াই আজি অভিযোগ কৰা অনুসৰি, এই বিদ্যালয়খনৰ নিৰ্মাণ কাৰ্যত বিজেপিৰ একাংশ নেতাই বাধাদান কৰাৰ লগতে তেওঁৰ চৰকাৰী গাড়ীতো আক্ৰমণ চলাইছিল।

# ঠেলামৰাত পুত্ৰ হত্যাকাৰী ৰঞ্জিত মণ্ডলক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**ঠেলামৰা, ২৯ জুন ঃ** শোণিতপুৰ জিলাৰ ঠেলামৰাত সংঘটিত নৃশংস হত্যাকাণ্ডৰ হত্যাকাৰী ৰঞ্জিত মণ্ডলক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। নিজ পুত্ৰ ইন্দ্ৰজিৎ মণ্ডলক দাৰে ঘপিয়াই হত্যা কৰি পলায়ন কৰা হত্যাকাৰী ৰঞ্জিত মণ্ডলক আজি গ্ৰেপ্তাৰ কৰে ঠেলামৰা আৰক্ষীয়ে। উল্লেখ্য যে যোৱা ২৬ জুনত ঠেলামৰা আৰক্ষী থানাৰ অন্তৰ্গত ৰুহিনীবিল গাঁৱৰ ৰঞ্জিতে পুত্ৰ ইন্দ্ৰজিতক দাৰে ঘপিয়াই হত্যা কৰিছিল। ঠেলামৰা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া লিটুমণি শৰ্মা আৰু উপ-পৰিদৰ্শক হীৰকজ্যোতি মজুমদাৰৰ তৎপৰতাত পলাতক অৱস্থাত থকা ৰঞ্জিতক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

# অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কৰুনাকান্ত কলিতাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ২৯ জুন ঃ** ৰঙিয়া মহকুমাৰ হেমদোল গাঁও নিবাসী পীতাম্বৰ আদৰ্শ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কৰুণাকান্ত কলিতা (৭৯)ৰ যোৱা নিশা বাৰ্ধক্যজনিত কাৰণত নিজ বাসভৱনত মৃত্যু হয়। সহজ-সৰল আৰু অমায়িক স্বভাৱৰ প্ৰয়াত কলিতা নিষ্ঠাবান আৰু সৎ শিক্ষকৰূপে অঞ্চলটোত জনপ্ৰিয়াতা অৰ্জন কৰিছিল। কলিতাই অঞ্চলটোৰ বিভিন্ন সামাজিক আৰু ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। ছাত্ৰ-ছাত্ৰীৰ মাজত জনপ্ৰিয়তা অৰ্জন কৰা কলিতাৰ বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত দুই পুত্ৰ আৰু এগৰাকী কন্যাক এৰি যায়।

# হৰজিৎ শৰ্মাৰ মৃত্যুত পাটাছাৰকুছিত শোক

**পাটাছাৰকুছি, ২৯ জুন ঃ** পাটাছাৰকুছিৰ সমীপৰ নিবাসী হৰজিৎ শৰ্মা (৫৩)ৰ যোৱা নিশা গুৱাহাটীস্থিত দিছপুৰ ব্যক্তিগত হাস্পতালত মৃত্যু হয়। ক'ভিডত আক্ৰান্ত হোৱা বাবে দুদিন পূৰ্বে তেওঁক জিএমচি হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। পাছত ক'ভিড নিগেটিভ হোৱাত আৰু স্বাস্থ্যৰ অৱনতি ঘটাত গুৱাহাটীৰ ব্যক্তিগত চিকিৎসালয়ত তেওঁক ভৰ্তি কৰোৱা হৈছিল। শৰ্মাই ভাৰতীয় ষ্টেট বেংকৰ পাঠশালাৰ শাখাত বেংক ফেলিচিটেটৰ আৰু বেংককৰেছপণ্ডেণ্ট হিচাপে কে'বা বছৰো সেৱা আগবঢ়াইছিল। নম্ৰ স্বভাৱৰ আনক সহায় কৰি ভালপোৱা শৰ্মা বেংকৰ গ্ৰাহকৰ লগতে স্থানীয় লোকৰ প্ৰিয়ভাজন আছিল। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুগৰাকী কন্যাক ইহসংসাৰত এৰি যায়।

# জুৰীয়াৰ মাহেৰীপাৰাত বিদ্যুতৰ খুটাত খুন্দিয়াই দ খাৰৈত বাগৰি পৰিল চাৰিচকীয়া বাহন

অগ্ৰদূত বাৰ্তা

**জুৰীয়া, ২৯ জুন ঃ** নগাঁও জিলাৰ জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত মাহেৰীপাৰ তিনিআলিত আজি পুৱতি নিশা সংঘটিত হয় পথ দুৰ্ঘটনা। জুৰীয়াৰ নিকটৱৰ্তী গড়াজানত বৰযাত্ৰী নমাই থৈ জুৰীয়াৰ দিশেৰে তীব্ৰ বেগেৰে আহি থকা এ এছ-০২ এ এ-৮৩৪২ নম্বৰৰ এখন চাৰিচকীয়া বাহনে নিয়ন্ত্ৰণ হেৰুৱাই বিদ্যুতৰ খুঁটাত খুন্দিয়াই দ খাৰৈত বাগৰি পৰে। দুটাকৈ বিদ্যুতৰ খুঁটা মহটিয়াই নিয়া গাড়ীখন গৈ সোমাইগৈ এখন লাও চাঙৰ তলত। ফলত গাড়ীখন সম্পূৰ্ণৰূপে বিধ্বস্ত হৈ পৰে। সৌভাগ্য ক্ৰমে গাড়ীখনত কোনো যাত্ৰী নাছিল। অৱশ্যে দুৰ্ঘটনা সংঘটিত কৰিয়েই চালকজন পলায়ন কৰে। চালকজন সুৰামত্ত অৱস্থাত থকাৰ বাবেই এই দুৰ্ঘটনাটো সংঘটিত হ'ল বুলি সন্দেহ কৰিছে স্থানীয় ৰাইজে।

# জামুগুৰিহাটত ২৬ শিশু কৰ'নাত আক্ৰান্ত

## এদিনতে আক্ৰান্ত ১১ টা শিশু

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৯ জুন ঃ** কৰ'নাৰ তৃতীয় লহৰত ডেল্টা প্লাছ ভাইৰাছৰ দ্বাৰা শিশু আৰু কিশোৰসকল আক্ৰান্ত হ'ব বুলি চিকিৎসকসকলে সতৰ্কবাণী কৰি অহাৰ সময়তে ৰাজ্যত বৃহৎসংখ্যক শিশু কৰ'নাত আক্ৰান্ত হৈছে। শোণিতপুৰ জিলাৰ জামুগুৰিহাটতো কৰ'নাত আক্ৰান্ত শিশুৰ সংখ্যা বৃদ্ধি পাইছে। উত্তৰ জামুগুৰি চিকিৎসালয়ৰ অন্তৰ্গত জামুগুৰি পৰিপূৰক স্বাস্থ্য কেন্দ্ৰ আৰু ৰঙাচকুৱা স্বাস্থ্য কেন্দ্ৰ অঞ্চলৰ অধীনত এতিয়ালৈকে ১০ বছৰৰ তলৰ ২৬ টাকৈ শিশু কৰ'নাত আক্ৰান্ত হোৱাৰ তথ্য পোহৰলৈ আহিছে। উদ্বেগজনকভাৱে কালিৰ দিনটোত উত্তৰ জামুগুৰি চিকিৎসালয়ৰ অঞ্চলৰ অধীনত ১১ টা শিশু ক'ভিড-১৯ত আক্ৰান্ত হৈছে। ইয়াৰ ভিতৰত জামুগুৰিহাটৰ মাজগাঁৱৰ এটি পাঁচমহীয়া আৰু বৰভাগীয়া গাঁৱৰ এটি ডেৰ বছৰীয়া দুগ্ধ পান কৰা শিশুও আছে। মনকৰিবলগীয়া যে ১০ বছৰৰ তলৰ এইসকল শিশুৰ বিপৰীতে উত্তৰ জামুগুৰি চিকিৎসালয়ৰ অঞ্চলৰ অধীনত ১৮ বছৰৰ পৰা ১০ ভিতৰত ৪৪ টাকৈ কিশোৰ কিশোৰীও আক্ৰান্ত হৈছে। ইফালে বৃহত্তৰ জামুগুৰিহাট অঞ্চলত কৰ'নাৰ ভয়ংকৰ গণ সংক্ৰমণ অব্যাহত আছে। আজিৰ তাৰিখলৈকে উত্তৰ জামুগুৰি চিকিৎসালয়ৰ অঞ্চলৰ অধীনত ১৩৫ গৰাকী ব্যক্তি কৰ'নাত আক্ৰান্ত হৈছে। ইয়াৰ ভিতৰত ১১২৭ গৰাকী ইতিমধ্যে সুস্থ হৈ উঠাৰ বিপৰীতে ২১৯ গৰাকী বৰ্তমান চিকিৎসাধীন হৈ আছে। এতিয়ালৈকে অঞ্চলটোত ১১ গৰাকীকৈ ব্যক্তি কৰ'নাৰ দ্বিতীয় লহৰত মৃত্যু হৈছে। অৱশ্যে অঞ্চলটোত কৰ'নাৰ দ্ৰুত গণ সংক্ৰমণ অব্যাহত থকাৰ মাজতে জামুগুৰি পৰিপূৰক স্বাস্থ্য কেন্দ্ৰ অঞ্চলৰ অধীনত স্বাস্থ্য বিভাগৰ ফালৰ পৰা ৯০২০ গৰাকী ব্যক্তিক ক'ভাক্সিন আৰু ৩৫৪০ গৰকীক ক'ভিশ্বিল্ড প্ৰতিষেধক প্ৰদান কৰা হয়।

# গোলকগঞ্জৰ ৰেলৰে দলং সংলগ্ন পদপথত বিপজ্জনকভাৱে চলাচল

অগ্ৰদূত বাৰ্তা

**আগমনী, ২৯ জুন ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জৰ গংগাধৰ নদীৰ ওপৰত ৰেলৱে বিভাগে নিৰ্মাণ কৰা ৰেলপথৰ সংলগ্ন পদপথটো জৰাজীৰ্ণ হোৱাত বিপজ্জনকভাৱে হেজাৰ হেজাৰ লোকে যাতায়াত কৰি আহিছে। উল্লেখ্য যে গোলকগঞ্জৰ গংগাধৰ নদীৰ ওপৰত ব্ৰিটিছৰ সময়তে ৰেলৰ স'তে গাড়ী চলাচলৰ বাবে এখন দলং আছিল। এই দলংখনেৰে পূৰ্বতে অবিভক্ত বাংলাদেশৰ স'তেও ৰেল যোগাযোগৰ ব্যৱস্থা আছিল; কিন্তু পৰৱৰ্তী সময়ত ভাৰতবৰ্ষ আৰু পাকিস্তান ভাগ ভাগ হোৱাত দলংখনেৰে ৰেল চলাচল বন্ধ হৈ পৰে যদিও বাছ চলাচল অব্যাহত আছিল। কিন্তু ১৯৭১ত এই দলংখনৰ গোলকগঞ্জ বজাৰৰ দিশৰ এপ্ৰ'চিং প্ৰলয়ংকৰী বানপানীত নদীয়ে গ্ৰাস কৰাত দলংখন



পৰিত্যক্ত হৈ পৰে। আনহাতে, ৰাষ্ট্ৰীয় ঘাইপথত যোগাযোগ সুচল কৰাৰ বাবে গংগাধৰ নদীৰ ওপৰত চিলাৰায় দলং নিৰ্মাণ কৰা হয়। দীৰ্ঘদিনৰ পাছত ৰেল বিভাগে ৰেলপথৰ বাবে গংগাধৰ নদীৰ ওপৰত ৰেল চলাচলৰ বাবে আন এখন দলং নিৰ্মাণ কৰিবলৈ ধনৰ আবণ্টন দিয়ে। কিন্তু সংযোগবিহীনভাৱে থকা আৰু অতি কষ্টৰে এই বৃহত্তৰ ৰাইজে চলাচল কৰাত ভুক্তভোগী ৰাইজে অসম চৰকাৰৰ ওচৰত দাবী জনোৱাৰ উপৰি বহু আন্দোলনৰ পাছত অসম চৰকাৰে দিয়া ধনৰ আবণ্টনেৰে ৰেল দলঙৰ সংযোগ কৰি ৰাইজৰ সুবিধাৰ বাবে পদপথৰ নিৰ্মাণ কৰি দিয়ে। এই পথেৰে গোলকগঞ্জ সমষ্টিৰ নালিয়া, বেৰভাঙি, কেদাৰ, যশকাল,

# অচিৰেই চিথিলা বজাৰ পৰিচালনা সমিতি ভংগ

অগ্ৰদূত বাৰ্তা

**চিথিলা, ২৯ জুন ঃ** কোকৰাঝাৰ জিলাৰ দোতমা উন্নয়ন খণ্ডৰ চিথিলা বজাৰ পৰিচালনা সমিতিখনৰ ম্যাদ উকলি যোৱাৰ পাছতো নতুন সমিতি গঠন নকৰাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সেইবাবে এক সংবাদমেল পাতি চিথিলা বজাৰ পৰিচালনা সমিতিৰ উপ-সভাপতি সাহাদ আলী আৰু সাধাৰণ সম্পাদক দিলীপ সাহাই সদৰী কৰা মতে যোৱা মাৰ্চত চিথিলা বজাৰ পৰিচালনা সমিতিৰ এখন সাধাৰণ সভা আহ্বান কৰা হৈছিল যদিও চিথিলা অঞ্চলৰ একাংশ সমাজ সচেতন লোকে লিখিতভাৱে আবেদন কৰি সভাখন পিছুৱাবলৈ অনুৰোধ জনায়। সেই হেতুকে সময় উকলি যোৱাৰ পাছতো চিথিলা বজাৰ পৰিচালনা সমিতিখন নতুনকৈ গঠন কৰিব পৰা নাই। উক্ত সংবাদমেলতেই আৰু কয় যে ইতিমধ্যে চৰকাৰে ক'ভিড-১৯ক লৈ যি ধৰণৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে এইবোৰ শিথিল হ'লেই বজাৰ পৰিচালনা সমিতি গঠন কৰিবলৈ এখন সাধাৰণ সভা আহ্বান কৰি নতুনকৈ সমিতিখন গঠন কৰি লোৱা হ'ব বুলিও প্ৰকাশ কৰে।

# জনাঞ্চলত খাদ্যৰ সন্ধানত মানাহৰ আঘাতপ্ৰাপ্ত বন্যহস্তী



অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২৯ জুন ঃ** চিৰাং জিলাৰ বিজনীৰ কুকলুং ৰেঞ্জৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা এটা বন্যহস্তী বহু দিন ধৰি আঘাতপ্ৰাপ্ত হৈ দিকবিদিক হেৰুৱাই গাঁও অঞ্চলত প্ৰৱেশ কৰিছে। ৰাঙিঝৰা ফৰেষ্ট ভিলেজ আৰু দৈচুমগুৰি অঞ্চলত প্ৰায় চাৰি-পাঁচদিন ধৰি আঘাতপ্ৰাপ্ত বনৰীয়া হাতীটো গাঁওকেইখনত প্ৰৱেশ কৰি আছে। হাতীটোয়ে কিদৰে আঘাত পাইছে এতিয়াও সঠিক তথ্য পোৱা নাই যদিও চিকিৎসা প্ৰদানৰ ক্ষেত্ৰত বন বিভাগ ব্যৰ্থ হৈছে। যাৰ ফলত ক্ৰমান্বয়ে হাতীটো দুৰ্বল হৈ আহিছে আৰু আঘাতৰ বাবে হাতীটো ভালদৰে খোজ কাঢ়িবলৈ শক্তি নোহোৱা হৈ আহিছে। কিন্তু ৰহস্যজনক কথাটো হ'ল যে এতিয়ালৈ বন বিভাগে হাতীটোৰ উপযুক্ত চিকিৎসা প্ৰদান কৰা নাই আৰু যদি অতি সোনকালে চিকিৎসা প্ৰদান নকৰে তেতিয়াহ'লে হয়তো হাতীটোৰ অধিক স্বাস্থ্যৰ অৱনতি ঘটিব। ৰাইজে বন বিভাগক অতি সোনকালে হাতীটোৰ চিকিৎসা প্ৰদানৰ দাবী উত্থাপন কৰিছে।

# হেলনাৰ ৰাস মন্দিৰত অগ্নিকাণ্ড

**পাটাছাৰকুছি, ২৯ জুন ঃ** কেইবছৰমান পূৰ্বে আটকধুনীয়াকৈ নিৰ্মাণ কৰি উলিওৱা ঐতিহ্যমণ্ডিত হেলনা ৰাস মন্দিৰত আজি আবেলি এক অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। শ্বৰ্ট চাৰ্কিটৰ ফলতে এই অগ্নিকাণ্ড সংঘটিত হোৱা বুলি সন্দেহ কৰা হৈছে। উল্লেখ্য যে মন্দিৰৰ ভিতৰত কাঠৰ ফ্ৰেমৰ লগতে বহু পৰিমাণৰ নিৰ্মাণ কাৰ্যত ব্যৱহৃত নাৰিকলৰ ৰছী আছিল। এইবোৰত জুই লগাৰ ফলত মন্দিৰটোৰ বিস্তৰ ক্ষতি হোৱাৰ লগতে কিছু অংশত ফাটো মেলিছে। আজি আবেলি মন্দিৰত জুই লগাত অঞ্চলটোত হুৱাদুৱা লাগে আৰু শতাধিক লোক মন্দিৰ প্ৰাংগণত সমবেত হয়। পাছত অগ্নিনিৰ্বাপক বাহিনীৰ কে'বাখনো গাড়ী আহি জুই নিৰ্বাপণ কৰে।

# শিক্ষয়িত্ৰী লতিকা পাটোৱাৰীৰ অকাল বিয়োগ



অগ্ৰদূত বাৰ্তা

**বাইহাটা চাৰিআলি, ২৯ জুন ঃ** কামৰূপ জিলাৰ বাইহাটা চাৰিআলিৰ নিকটৱৰ্তী মুক্তাপুৰ হাইস্কুলৰ শিক্ষয়িত্ৰী লতিকা পাটোৱাৰী (৫৯)ৰ আজি পুৱতি নিশা পৰলোকপ্ৰাপ্তি ঘটে। দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা পাটোৱাৰী ৰঙিয়াৰ স্বস্তি হাস্পতালত চিকিৎসাধীন হৈ আছিল। তেওঁৰ মৃতদেহ হাস্পতালৰ পৰা অনাৰ পাছত মুক্তাপুৰ হাইস্কুল চৌহদলৈ নিয়া হয় আৰু ইয়াতে ৰাজহুৱাভাৱে শ্ৰদ্ধা জনায়। মুক্তাপুৰৰ জটিয়াভাংগাৰাৰ বিশিষ্ট সমাজকৰ্মী, অগপৰ জ্যেষ্ঠনেতা, কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সদস্য নলিনীকান্ত বৰাৰ পত্নী, সুগৃহিণী অমায়িক স্বভাৱৰ শিক্ষয়িত্ৰীগৰাকীৰ মৃত্যুত সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। গুণমুগ্ধৰ উপস্থিতিত গৃহ চৌহদতে তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়।

# মোৱামাৰীত এজনৰ সলিল সমাধি

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২৯ জুন ঃ** অভয়াপুৰীৰ নিকটৱৰ্তী মোৱামাৰীত আজি আবেলি লোক এজনৰ সলিল সমাধি ঘটে। মোৱামাৰীৰ দুই সন্তানৰ পিতৃ চন্দ্ৰ বৰ্মন (৩৫)ৰ মোৱামাৰী-দুৱামাৰীৰ কাছাৰী বিল পৰাত সন্ধানহীন হৈ পৰে। পাছত স্থানীয় লোকে মৃত অৱস্থাত লোকজনক উদ্ধাৰ কৰে। লোকজন কিছুদিনৰ পৰা মানসিকভাৱে দুৰ্বল হৈ আছিল বুলি পৰিয়ালটোৱে ক'ব খোজে।

# নলবাৰীৰ গড়কাপ্তানী বিভাগ-ঠিকাদাৰৰ বিশেষ বুজাবুজি

## অভিশপ্ত পকী নলাই ডুবালে ঘগ্ৰাপাৰ-তামুলপুৰ পথ

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৯ জুন ঃ** নলবাৰী জিলাৰ লোক নিৰ্মাণ বিভাগৰ অধীনত ঘগ্ৰাপাৰত নিৰ্মাণৰত দুটা পকী নলাই সৰ্বসাধাৰণ ৰাইজক জ্বলা-কলা খুৱাইছে। বিজ্ঞানসন্মতভাৱে ঘগ্ৰাপাৰ-তামুলপুৰ পথৰ দুয়োকাষে ৩১ নম্বৰ ৰাষ্ট্ৰীয় পথৰ পৰা পকীনলা নিৰ্মাণৰ দিহা কৰা হৈছিল যদিও নলবাৰী গ্ৰাম্য পথ সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা আৰু ঠিকাদাৰ বিশেষ বুজাবুজিত বৰ্তমান উক্ত পথটোত এজাক বৰষুণতে একাঁঠু পানী জমা হৈ পৰাত ৰাইজৰ বিলৈ বিপত্তি নোহোৱা হৈছে। উল্লেখ্য যে ২০১৭-১৮ৰ এছ অ' পি ডি (জি) আঁচনিৰ অধীনত প্ৰায় ডেৰ কোটি টকা ব্যয় সাপেক্ষে উক্ত পথটোৰ দুয়োকাষে প্ৰায় আধা কিলোমিটাৰকৈ পকী নলা নিৰ্মাণৰ দিহা কৰিছিল। লক্ষণীয়ভাৱে তদানীন্তন কাৰ্যবাহী অভিযন্তা দেবেশ চক্ৰৱৰ্তী আৰু তেওঁৰ আশীৰ্বাদপুষ্ট জনৈক কলিতা উপাধিৰ ঠিকাদাৰজনৰ বিশেষ বুজাবুজিত আজিলৈ ই সম্পূৰ্ণ নহ'ল। সম্পূৰ্ণ নোহোৱাটো দূৰৈৰ কথা অবিজ্ঞানসন্মতভাৱে ইয়াৰ নিৰ্মাণ কাৰ্য হোৱা হেতুকে পকী নলাৰে পানী ওলাই যাব নোৱাৰাৰ ফলত ঘগ্ৰাপাৰ-তামুলপুৰ পথটোৰ এমবিচিয়া একাডেমীৰ কাষৰে পৰা উত্তৰ দিশে প্ৰায় দুশ মিটাৰমান পথত পানীৰে সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে। বিগত কিছুদিন ধৰি নেৰানেপেৰা বৰষুণৰ ফলত পথটোত একাঁঠু পৰ্যন্ত পানী বন্ধ হৈ পৰাত যাতায়াতৰ ক্ষেত্ৰত ৰাইজে জীয়াতু ভুগি আহিছে। উল্লেখ্য



যে পকীনলা দুটা নিৰ্মাণৰ সময়সীমা উৰলি গৈছে যদিও গড়কাপ্তানী আৰু ঠিকাদাৰে লগ লাগি ইয়াক নিৰ্মাণ সম্পূৰ্ণ কৰাৰ সময় পুনৰ বৃদ্ধি কৰিছে। ৰাইজে ইতিমধ্যে এই নলা দুয়োটাক অভিশপ্ত নলা বুলি অভিহিত কৰিছে। উল্লেখ্য যে উক্ত পথটোৰে দৈনিক প্ৰায় সহস্ৰাধিক লোক অহা-যোৱা কৰাৰ লগতে তিনি শতাধিক সৰু-বৰ গাড়ী চলাচল কৰে। সেয়েহে বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ লগতে চানৰাইছ ক্লাব ঘগ্ৰাপাৰৰ সাধাৰণ সম্পাদক দিবাকৰ তালুকদাৰে উক্ত সমস্যাক লৈ ক্ষোভ প্ৰকাশ কৰাৰ লগতে সমস্যাৰাজি শীঘ্ৰে আঁতৰাবলৈ নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্ত মল্ল বৰুৱা, নলবাৰী জিলাৰ উপায়ুক্ত দাবী জনাইছে।

# বৰকুৰিহাত অবৈধ সুৰা জব্দ

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ২৯ জুন ঃ** নলবাৰী জিলাৰ বৰভাগ বৰকুৰিহাত কমাৰকুছি আৰক্ষীয়ে যোৱা নিশা এক অভিযান চলাই বিলাতী আৰু দেশীয় সুৰাসহ এজন লোকক আটক কৰে। এক সূত্ৰৰ পম খেদি কমাৰকুছি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী মনিময় তামুলীৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলটোৱে ৯৭ বটল বিলাতী সুৰাৰ লগতে ৩০ লিটাৰ চুলাই মদ জব্দ কৰিছে।

# বাৰীপুখুৰীত বিদ্যুৎস্পৃষ্ট হৈ শিক্ষকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২৯ জুন ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰীস্থিত বিদ্যুৎ কাৰ্যালয়ৰ অন্তৰ্গত তথা উত্তৰ শালমাৰা অঞ্চলৰ বাৰীপুখুৰীত কালি দিনৰ ভাগত বিদ্যুৎস্পৃষ্ট হৈ শিক্ষক এজনৰ মৃত্যু হয়। শিক্ষক গদাধৰ মেধি (৫০)ৰ কালি দিনৰ ভাগত বাহিৰৰ পৰা আহি একে চৌহদতে থকা ককায়েকৰ ঘৰৰ পদুলিমুখত টিনপাতৰ দুৱাৰ খুলিবলৈ লয়। দুৱাৰ খোলাৰ লগে লগে শিক্ষকজন বিদ্যুৎস্পৃষ্ট হৈ থিতাতে মৃত্যু হয়। বিদ্যুৎ পৰিবাহী তাঁৰ ঘৰলৈ সংযোগ থকা অৱস্থাত কেনেবাকৈ তাঁৰডাল চৌহদৰ টিনপাতৰ বেৰত লাগি থাকে।

# মাক্ৰা নৈত অচিনাক্ত মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২৯ জুন ঃ** চিৰাঙৰ আমগুৰিৰ মাক্ৰা নৈত অচিনাক্ত মৃতদেহ উদ্ধাৰ হৈছে। যোৱা নিশা আমগুৰি থানাৰ অন্তৰ্গত লক্ষীপুৰ গাঁৱৰ স্থানীয় ৰাইজে মাক্ৰা নৈৰ পানীত লাগি থকা হাফপেণ্ট পৰিহিত এজন আনুমানিক ৩৫ বছৰীয়া পুৰুষ লোকৰ মৃতদেহ প্ৰত্যক্ষ কৰি আমগুৰি আৰক্ষী থানাত খবৰ দিয়ে। পাছত আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি আজি মৰণোত্তৰ পৰীক্ষাৰ বাবে কাজলগাঁৱৰ জেএছবি অসামৰিক চিকিৎসালয়ত প্ৰেৰণ কৰে। মৃতদেহটো চিনাক্তকৰণ হোৱা নাই যদিও মৃতদেহটো ৭২ ঘণ্টাৰ বাবে কাজলগাঁৱৰ জেএছবি অসামৰিক চিকিৎসালয়ৰ মৰ্গত ৰখা হৈছে।

# আলোপতিত নিশা ঘৰৰ বেৰ কাটি শিশু চুৰিৰ চেষ্টাৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**আলোপতি, ২৯ জুন ঃ** বৰপেটা জিলাৰ আলোপতি আৰক্ষী থানাৰ অন্তৰ্গত আলোপতি গাঁৱত যোৱা নিশা সংঘটিত হৈছে এক অভাৱনীয় ঘটনা। গাঁওখনৰ ছহিদুল ইছলামৰ ঘৰৰ বেৰ কাটি তেওঁৰ আঠমহীয়া শিশুক চুৰিৰ চেষ্টা কৰাৰ অভিযোগ উত্থাপন কৰিছে পৰিয়ালৰ লোকে। নিশা শিশুটিৰ পিতৃ-মাতৃয়ে টোপনিত যোৱাৰ পাছতে ঘৰৰ বেৰ কাটি হাত সুমুৱাই দুৰ্বৃত্তই শিশুটিক নিয়াৰ চেষ্টা কৰাৰ সময়তে সাৰ পোৱাত দুৰ্বৃত্তটোৱে আন্ধাৰৰ সুযোগ লৈ পলাই যাবলৈ সক্ষম হয়। ঘটনা সন্দৰ্ভত পৰিয়ালৰ লোকে আলোপতি আৰক্ষীক অৱগত কৰাই ঘটনাৰ তদন্ত সাপেক্ষে দোষীক কৰায়ত্ত কৰিবলৈ দাবী জনাইছে ভুক্তভোগী পৰিয়ালটোৱে।

# এজাক বৰষুণতে ডুবিল পশ্চিম নলবাৰী ৰাজহ চক্ৰ কাৰ্যালয়

অগ্ৰদূত বাৰ্তা

**চামতা, ২৯ জুন ঃ** প্ৰায় ৫৪ খন কৃষি প্ৰধান ৰাজহ গাঁৱৰে গঠিত নলবাৰী জিলাৰ চামতাস্থিত পশ্চিম নলবাৰী ৰাজহ চক্ৰৰ কাৰ্যালয়তো বৃহত্তৰ অঞ্চলবাসীৰ অতি গুৰুত্বপূৰ্ণ আৰু ব্যস্ত কাৰ্যালয়। এনে কাৰ্যালয়টোত যোৱা নিশা হোৱা এজাক বৰষুণতে প্লাৱিত কৰাত ৰাইজ অহা-যোৱা কৰিব নোৱৰাত কাৰ্যালয়টোৰ কাম-কাজ প্ৰায় বন্ধ হোৱাৰ উপক্ৰম ঘটিছে। উল্লেখ্য যে প্ৰতি বছৰে বাৰিষা হ'লে এনেদৰে কাৰ্যালয় চৌহদ বৰষুণৰ পানীয়ে আৱৰি ধৰে। মাটিবাৰী কিনা-বেচা নামজাৰি তথা বিভিন্ন প্ৰমাণপত্ৰৰ বাবে দিনে প্ৰায় দুই-আঢ়ৈশ ৰাইজে ভিৰ কৰা অঞ্চলবাসীৰ অতি গুৰুত্বপূৰ্ণ কাৰ্যালয়টোৰ এনে



দুৰৱস্থাই ৰাইজ বাৰুকৈয়ে দুৰ্ভোগ ভোগাইছে। ইমানবোৰ দেখি শুনিও গা লৰা নাই বিভাগীয় কৰ্তৃপক্ষৰ। আজি কাৰ্যালয়টোলৈ যোৱা একাংশ লোকে কাৰ্যালটোৰ এনে অৱস্থা দেখি স্থানীয় বিধায়ক তথা প্ৰভাৱশালী মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীক ধিক্কাৰ দি কয় যে নিজৰ সমষ্টিৰ গুৰুত্বপূৰ্ণ কাৰ্যালয়টোৰ এনে অৱস্থাই সমষ্টি উন্নয়ন কিমান হৈছে তাক সহজে অনুমান কৰিব পাৰিব বুলি মন্তব্য কৰে। আনহাতে, আন একাংশ ৰাইজে সাংবাদিকসকলক উদ্দেশ্যি কয় যে দেখা নাই নে ৰাইজ কেনে বিপাঙত পৰিছে। সমষ্টিটোৰ প্ৰকৃত ছবিখন দাঙি ধৰিলেহে ৰাইজৰ উন্নতি হ'ব। উক্ত মহলটোৱে কাৰ্যালয়টোলৈ আহ-যাহৰ সুব্যৱস্থা কৰাৰ লগতে কাযালয়টোৰ কাম-কাজ আৰু অধিখ সক্ৰিয় কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষ তথা মন্ত্ৰী পাটোৱাৰীক অনুৰোধ জনাইছে।

# টিহুৰ নাথকুছিত অভাৱত ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছে যাত্ৰী জিৰণি চ'ৰা

অগ্ৰদূত বাৰ্তা

**টিহু, ২৯ জুন ঃ** টিহুৰ বৰমা সমষ্টিৰ অন্তৰ্গত নাথকুছি-ডুমুনী চ'কত প্ৰায় কুৰি বছৰ পূৰ্বে দূৰণিবটীয়া যাত্ৰীৰ জিৰণিৰ বাবে এটা জিৰণি চ'ৰা নিৰ্মাণ কৰাত যাত্ৰীসকলৰ যথেষ্ট সুবিধা হৈছিল। নলবাৰী বাগ্‌সা, বজালী জিলাৰ যোগাযোগৰ প্ৰাণকেন্দ্ৰস্বৰূপ নাথকুছি। কাৰণ ডুমুনী চাহ বাগান, আঠিয়াবাৰী, থমনা, নিজ যাঠিশামুকা আদি বাগ্‌সা জিলাৰ লোকসকল বাছেৰে আহি টিহুৰ নাথকুছিত নামি ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথেৰে পূবে নলবাৰী, ৰঙিয়া, গুৱাহাটী অথবা পশ্চিমে পাঠশালা, বৰপেটা, বঙাইগাঁও আদি ঠাইৰ অফিচ-কাছাৰীলৈ কৰ্মচাৰী, বিদ্যালয়-মহাবিদ্যালয়লৈ ছাত্ৰ-ছাত্ৰী, চিকিৎসালয়লৈ ৰোগীসকলে যাতায়াত কৰিব



লাগে। উভতি আহোতেও নাথকুছিত নামি পুনৰ যাত্ৰীবাহী বাছত উঠি নিজৰ লক্ষ্যস্থানলৈ যাব পাৰে। প্ৰায় এক-ডেৰ ঘন্টাৰ বিৰতিত যাত্ৰা কৰা বাছলৈ অপেক্ষা কৰিবলৈ যাত্ৰীসকলৰ বহুত অসুবিধা হয়। ৰ'দ বা বৰষুণৰ বাবে সমস্যাত পৰিবলগীয়া হয়। জিৰণি চ'ৰাটো নিৰ্মাণৰ পাছত যাত্ৰীসকলৰ কিছু সমস্যা লাঘৱ হৈছিল। জিৰণি চ'ৰাত সুন্দৰকৈ বহি থাকি বাছলৈ অপেক্ষা কৰিব পাৰিছিল। কিন্তু জিৰণি চ'ৰাটো বছৰ বছৰ ধৰি মেৰামতিৰ অভাৱত ব্যৱহাৰৰ একেবাৰে অনুপযোগী হৈ পৰিছে। সম্প্ৰতি জিৰণি চ'ৰাটোৰ ওপৰৰ এজবস্তাৰ চালিখনৰ এডালো ভাল কাঠ নাই। ইফালে, কাষৰ পথবোৰ বৰ্তমান ওখ হোৱাত জিৰণি চ'ৰাটোৰ মজিয়াখন এতিয়া পথতকৈ বহু তলত আছে, ফলত পথৰ বোকা-পানী গৈ জিৰণি চ'ৰাটো পৰিপূৰ্ণ হৈ থাকে। সম্প্ৰতি চৰণীয়া গৰু-ছাগলীৰ জিৰণি চ'ৰালৈ পৰ্যবসতি হৈছে। গ্ৰামাঞ্চলৰ উন্নয়নৰ বাবে প্ৰতি বছৰে কৌটি কৌটি টকা চৰকাৰে ধাৰ্য কৰে যদিও নাথকুছিৰ অতি প্ৰয়োজনীয় জিৰণি চ'ৰাটো মেৰামতি কৰাৰ কোনো পক্ষৰ আগ্ৰহ পৰিলক্ষিত হোৱা নাই। পঞ্চায়ত প্ৰতিনিধিসকলেও জিৰণি চ'ৰাটেৰ মেৰামতিৰ গা এৰা দিয়া মনোভৱ পোষণ কৰিছে। সেয়ে বৰমা বিধানসভা সমষ্টিৰ নৱনিৰ্বাচিত বিধায়কজনক জিৰণি চ'ৰাটো মেৰামতি অথবা নতুনকৈ নিৰ্মাণৰ ব্যৱস্থা স্থানীয় ৰাইজে অনুৰোধ জনাইছে।

# ৰূপহীহাটৰ জৰথনিত স্বামীয়ে হত্যা কৰিলে পত্নীক

অগ্ৰদূত বাৰ্তা

**ৰূপহীহাট, ২৯ জুন ঃ** নগাঁও জিলাৰ ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্গত জৰথনী গাঁৱত সংঘটিত এক হত্যাকাণ্ডই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। যোৱা নিশা জৰথনী গাঁৱত ৰফিকুল ইছলাম নামৰ এজন লোকে নিজৰ পত্নীক হত্যা কৰাৰ অভিযোগ উঠিছে। নিহত মহিলাগৰাকীৰ নাম মুৰ্শিদা খাতুন। ৰফিকুলৰ পূৰ্বৰ দুগৰাকী পত্নী আছিল। মুৰ্শিদা তেওঁৰ তৃতীয় পত্নী। বিগত কিছুদিন ধৰিযি কোনো কথাত মুৰ্শিদাৰ লগত তেওঁৰ কাজিয়া লাগি আছিল। যোৱা নিশা প্ৰায় তিনি বজাত মুৰ্শিদাক ৰফিকুলে গধুৰ বস্তুৰে আঘাত কৰি হত্যা কৰে। পাছত ৰফিকুলে ঘৰৰ পৰা পলায়ন কৰে। স্থানীয় লোকে মুৰ্শিদাৰ মৃতদেহ প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। আৰক্ষীয়ে আন এগৰৰ পৰা ৰফিকুলক আটক কৰিবলৈ সক্ষম হয়।

# আলু-পিঁয়াজ, দাইল-তেল লৈ নগাঁৱত অভিনৱ প্ৰতিবাদ যুৱ-ছাত্ৰ পৰিষদৰ

বিশেষ সংবাদদাতা

**নগাঁও, ২৯ জুন ঃ** বৰ্তমান বিজেপিশাসিত কেন্দ্ৰীয় আৰু ৰাজ্যিক দুয়োখন চৰকাৰে মূল্যবৃদ্ধি ৰোধ কৰাত চৰম ব্যৰ্থ হোৱাৰ প্ৰতিবাদত আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নগাঁও জিলা সমিতিয়ে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। মিঠাতেল, দাইল, আলু, পিঁয়াজ প্ৰমুখ্যে অন্যান্য নিত্যব্যৱহাৰ্য খাদ্য সামগ্ৰীৰ লগতে পেট্ৰ'ল-ডিজেলৰ বৰ্ধিত দাম ৰোধ কৰাৰ দাবীত এক ব্যতিক্ৰমী প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিয়ে। সম্পূৰ্ণ ক'ভিড প্ৰট'কল মানি অৰ্ধশতাধিক সদস্যই হাতে হাতে দাইল, মিঠাতেল, আলু, পিঁয়াজ লৈ আৰু মটৰ চাইকেলত ৰন্ধন গেছৰ ছিলিণ্ডাৰ বান্ধি মটৰ চাইকেলসমূহ ঠেলি ঠেলি চহৰৰ নতুন বজাৰৰ পৰা নগাঁও কলেজৰ সমীপলৈ এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি



'ভাৰতৰ পেট্ৰ'লিয়াম মন্ত্ৰী হায় হায়, অসমৰ যোগান বিভাগ গ' বেক' শ্ল'গানেৰে নগাঁৱৰ আকাশ-বতাহ উত্তাল কৰি তোলে। কাৰ্যসূচী সন্দৰ্ভত পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি দীপমণি বড়া আৰু সাধাৰণ সম্পাদক প্ৰাগজ্যোতিষ বণিয়াই কয় যে পেট্ৰ'ল, ডিজেলক কেন্দ্ৰীয় চৰকাৰে জি এছ টিৰ আওতালৈ আনিব লাগে আৰু দাইল, মিঠাতেলকে প্ৰমুখ্যে অন্যান্য খাদ্য সামগ্ৰীৰ দাম অসমৰ যোগান বিভাগে নতুন নীতি-নিৰ্দেশনাৰে ৰাইজৰ সুবিধাৰ্থে কমাব লাগে। মূল্যবৃদ্ধি ৰোধ নোহোৱা পৰ্যন্ত প্ৰতিবাদ চলাই যোৱা হ'ব বুলিও নেতাদ্বয়ে কয়। কাৰ্যসূচীত উপস্থিত থাকে কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক প্ৰবীণ চন্দ্ৰ দাস, কাৰ্যনিৰ্বাহক মুকুট চন্দ্ৰ বৰা লগতে সমিতিৰ উপদেষ্টা দিগন্ত দাস, সত্য বৰা, যটীয়া সম্পাদক দেৱাশীষ দাস, সাংস্কৃতিক সম্পাদক দিপু শইকীয়া, বিত্ত সম্পাদক হেমন্ত দাস, ক্ৰীড়া সম্পাদক দীপাংকৰ শৰ্মাৰ উপৰি জিলা সমিতিৰ বহু সংখ্যক সদস্য।

### চমক সৃষ্টিৰে কোৱাৰ্টাৰ ফাইনেলত ছুইজাৰলেণ্ড ঃ সমৰ্থকৰ বাবে খলনায়ক হ'ল যুৱ তাৰকা এমবেপ্পে

# ইউৰ'ৰ পৰা বিদায় বিশ্ব চেম্পিয়ন ফ্ৰান্সৰ

**বুচাৰেষ্ট, ২৯ জুন ঃ** ডিফেণ্ডিং চেম্পিয়ন পৰ্তুগালৰ বিদায়ৰ পাছত চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত প্ৰি-কোৱাৰ্টাৰ ফাইনেলত অভিযান সামৰিলে ফিফা বিশ্বকাপৰ চেম্পিয়ন ফ্ৰান্সেও। যোৱানিশা প্ৰতিযোগিতাত বৃহৎ অঘটন ঘটাই ছুইজাৰলেণ্ডে চমকপ্ৰদ খেলেৰে শক্তি প্ৰদৰ্শন কৰি ফ্ৰান্সক টাইব্ৰেকাৰত 5-4 গ'লৰ ব্যৱধানত হৰুৱাই কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। নিশ্চিতভাৱে কৰিম বেনজেমা, গ্ৰীজমান, এমবাপ্পে, পগবাৰ দ্বাৰা গঠিত বিশ্ব চেম্পিয়ন ফ্ৰান্সৰ বাবে এয়া মহালজ্জা। উল্লেখ্য যে প্ৰতিযোগিতাত এটাও গ'ল কৰিব নোৱাৰা যুৱ তাৰকা এমবাপ্পে যোৱানিশা টাইব্ৰেকাৰৰ শ্বটো গ'ল কৰাত ব্যৰ্থ হৈ ফৰাচী দলৰ বাবে খলনায়ক হৈ পৰে। প্ৰতিদ্বন্দ্বী বিশ্ব চেম্পিয়ন হোৱাৰ পাছতো ছুইজাৰলেণ্ডে নকআউট মেচখন আৰম্ভনিৰ পৰাই মৰণপণ দি খেলে।



খেলৰ 15 মিনিটত ছেফাৰ'ভিকৰ প্ৰথমটো গ'লেৰে মেচত প্ৰথমে অগ্ৰগতি লয় ছুইজাৰলেণ্ডে। বিৰতিলৈ 1-0 ত আগুৱাই থাকে ছুইছ দল। দ্বিতীয়াৰ্ধৰ খেল আৰম্ভ হোৱাত ছুইজাৰলেণ্ডে 55 মিনিটত পেনাল্টি লাভ কৰিছিল যদিও ৰড্ৰিগুৱেজে গ'ল নোৱাৰিলে ফ্ৰান্সৰ গ'লৰক্ষকৰ অনন্য দৃঢ়তাৰ বাবে। ইয়াৰ সুযোগ ল'লে ফ্ৰান্সে। দুই মিনিটৰ ভিতৰতে কৰিম বেনজেমাই (57, 59 মিনিট) দুটা গ'ল কৰি মেচত ফ্ৰান্সক 2-1 ৰ অগ্ৰগতি দিয়ে। 75 মিনিটত প'গবাই গ'ল কৰি ফ্ৰান্সৰ অগ্ৰগতি 3-1 কৰে। ফৰাচী সমৰ্থকে মেচ জয়ৰ আনন্দ আৰম্ভ কৰি দিছে। কিন্তু মানসিকভাৱে হাৰ মনা নাছিল ছুইজাৰলেণ্ডে। 81 মিনিটত ছেফাৰ'ভিকৰ দ্বিতীয়টো গ'লেৰে ব্যৱধান 3-2 কৰে ছুইজাৰলেণ্ডে। আনহাতে, 90 মিনিটত ছুইজাৰলেণ্ডৰ গাভৰান'ভিকে অনন্য গ'ল কৰি মেচত 3-3 ত সমতা স্থাপন কৰে। 3-1 ৰ অগ্ৰগতি লাভ কৰাৰ পাছতো জয়ী হ'ব নোৱাৰাত এইবাৰ ফ্ৰান্সে অতিৰিক্ত 30 মিনিট খেলে আত্মবিশ্বাসী ছুইজাৰলেণ্ডৰ বিৰুদ্ধে। মেচৰ ফলাফল এইবাৰো নলোৱাত চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে টাইব্ৰেকাৰ পদ্ধতি অৱলম্বন কৰা হয়। টাইব্ৰেকাৰত ছুইজাৰলেণ্ডে পাঁচটা গ'ল কৰাৰ বিপৰীতে ফ্ৰান্সেও প্ৰথম চাৰিটা গ'ল থিকেই কৰিছিল। কিন্তু অন্তিম শ্বটতো গ'ল কৰাত ব্যৰ্থ হয় ফ্ৰান্সৰ যুৱ তাৰকা এমবাপ্পে। উল্লেখ্য যে সবাটোকৈ কঠিন গ্ৰুপটোৰ পৰা শীৰ্ষ হৈ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল ফ্ৰান্সে। দলে পূৰ্ব বিশ্ব চেম্পিয়ন জাৰ্মানীক পৰাস্ত কৰাৰ বিপৰীতে ড্ৰ খেলে ইউৰো চেম্পিয়ন পৰ্তুগালৰ লগত। উল্লেখ্য যে প্ৰথম মেচত জাৰ্মানীক পৰাস্ত কৰা ফ্ৰান্সে দ্বিতীয় মেচত হাংগেৰীৰ লগত ড্ৰ খেলিছিল। ফ্ৰান্সে প্ৰথম মেচত আত্মঘাটি গ'লৰ বাবে জাৰ্মানীৰ বিৰুদ্ধে জয়ী হোৱাৰ পাছত দ্বিতীয় মেচত হাংগেৰীৰ বিৰুদ্ধে চাপৰ সন্মুখীন হয় যদিও দলৰ পৰাজয় ৰক্ষা কৰে গ্ৰিজমানে। আনহাতে, ফ্ৰান্সে পৰ্তুগালৰ বিৰুদ্ধে খেলা ৰোমাঞ্চকৰ মেচখন 2-2 গ'লৰ ব্যৱধানৰে ড্ৰ কৰিবলৈ সক্ষম হয়। ফ্ৰান্সৰ হৈ গ'ল দুটা দিয়ে কৰিম বেনজেমাই। উল্লেখ্য যে বিগত 2016 ৰ ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত ফ্ৰান্সক একমাত্ৰ গ'লত হৰুৱাই প্ৰথমবাৰৰ বাবে ইউৰো কাপৰ চেম্পিয়ন ট্ৰফী হাতত লৈছিল পৰ্তুগালে। কিন্তু এইবাৰ পৰ্তুগাল আৰু ফ্ৰান্সে কোৱাৰ্টাৰ ফাইনেলতে প্ৰৱেশ কৰিব নোৱাৰিলে। উল্লেখ্য যে বৰ্তমানৰ বিশ্ব চেম্পিয়ন ফ্ৰান্সে 1984 আৰু 2000 ত দুবাৰকৈ লাভ কৰিছিল ইউৰো কাপ।






### কোপা আমেৰিকাৰ কোৱাৰ্টাৰ ফাইনেল মেচৰ ঘোষিত সূচী

পাৰাগুৱে-পেৰু
নিশা ঃ ২.৩০ বজাত
(২ জুলাই)

ব্ৰাজিল-চিলি
পুৱা ঃ ৫.৩০ বজাত
(৩ জুলাই)

উৰুগুৱে-কলম্বিয়া
নিশা ঃ ৩.৩০ বজাত
(৩ জুলাই)

আৰ্জেণ্টিনা-ইকুৱেডৰ
পুৱা ঃ ৬.৩০ বজাত
(৪ জুলাই)



# শ্ৰীলংকাত উপস্থিত টীম ইণ্ডিয়া

**মুম্বাই, ২৯ জুন ঃ** শ্ৰীলংকাগামী ভাৰতীয় ক্ৰিকেট দলৰ নৱাগত সদস্যসকলৰ বাবে আসন্ন শৃংখলাটো টি-20 বিশ্বকাপৰ দৃষ্টিকোনোৰে গুৰুত্বপূৰ্ণ বুলি কয় দলৰ প্ৰশিক্ষক ৰাহুল দ্ৰাবিড়ে। ইফালে, শ্ৰীলংকাৰ বিৰুদ্ধে খেলিব লগা মেচত নৱাগত ক্ৰিকেটাৰকে সুযোগ দিয়া হ'ব বুলি কয় শিখৰ ধৱনে। উল্লেখ্য যে অপেনিং বেটছমেন শিখৰ ধৱনে আসন্ন শ্ৰীলংকা ভ্ৰমণত টীম ইণ্ডিয়াক নেতৃত্ব দিব। আনহাতে, পেচাৰ ভূৱনেশ্বৰ কুমাৰ হ'ব সহঃঅধিনায়ক। উল্লেখ্য যে ভাৰতীয় দলৰ কেবাজনো সদস্য সম্প্ৰতি ইংলণ্ড ভ্ৰমণত আছে। সেয়ে এটা নতুন দল যাব শ্ৰীলংকালৈ। দলত আছে পৃথ্বি শ্ব, মনীষ পাণ্ডে, সূৰ্যকুমাৰ যাদব, হাৰ্দিক পাণ্ডিয়া, ইযান কিষান, সঞ্জু ছেমছন, চাহল, কুলদীপ যাদব, ক্ৰণাল পাণ্ডিয়া আদি। ইফালে, শ্ৰীলংকা ভ্ৰমণত মুখ্য প্ৰশিক্ষক হ'ব টীম ইণ্ডিয়াৰ প্ৰাক্তন ক্ৰিকেটাৰ তথা বৰ্তমানৰ এন চি এৰ মূখ্য প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়। উল্লেখ্য যে শৃংখলা অহা 13 জুলাইৰ পৰা আৰম্ভ হৈ 25 জুলাইত সমাপ্ত হ'ব। শ্ৰীলংকাত ভাৰতীয় দলে তিনিখন এদিনীয়া আৰু তিনিখন টি-20 মেচ খেলিব। সূচী অনুসৰি ভাৰতীয় দলে শ্ৰীলংকাৰ বিৰুদ্ধে অহা 13, 16, 18 জুলাইত খেলিব তিনিখন এদিনীয়া। আনহাতে, তিনিখন টি-20 মেচ খেলিব 21, 23, 25 জুলাইত। ইফালে, শ্ৰীলংকা ক্ৰিকেট ব'ৰ্ডে জনোৱা অনুসৰি ভাৰত-শ্ৰীলংকাৰ সকলো মেচ কলম্বোৰ প্ৰেমদাসা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। আজি গৈ শ্ৰীলংকাত উপস্থিত হৈছে ভাৰতীয় দল।

## আজি ইংলণ্ডৰ বিৰুদ্ধে দ্বিতীয় এদিনীয়া

# শচীনক স্পৰ্শ কৰিলে মিতালীয়ে

**লণ্ডন, ২৯ জুন ঃ** মাষ্টাৰ ব্লাষ্টাৰ শচীন তেণ্ডুলকাৰক স্পৰ্শ কৰিলে ভাৰতীয় মহিলা ক্ৰিকেট দলৰ অধিনায়িকা মিতালী ৰাজে। উল্লেখ্য যে আন্তৰ্জাতিক ক্ৰিকেটত 22 বছৰ পূৰ্ণ হ'ল মিতালীৰ। ইংলণ্ডৰ বিৰুদ্ধে খেলা প্ৰথমখন এদিনীয়া মেচত অংশ লোৱাৰ পাছতে আন্তৰ্জাতিক ক্ৰিকেটত 22 বছৰ পূৰ্ণ কৰে মিতালীয়ে। 1999 ৰ 26 জুনত ভাৰতৰ হৈ অভিষেক কৰা মিতালীয়ে এদিনীয়া, টেষ্ট আৰু টি-20 সহ মুঠ 215 খন আন্তৰ্জাতিক মেচ খেলিছে 22 বছৰীয়া বিৰামহীন আন্তৰ্জাতিক কেৰিয়াৰত। তেওঁৰ ৰাণ সংগ্ৰহীত ৰাণ হ'ল 7170¼ ইয়াৰে সাতটা শতক আৰু 56 টা অৰ্ধশতক। উল্লেখ্য যে ভাৰতৰ মাষ্টাৰ ব্লাষ্টাৰ শচীন তেণ্ডুলকাৰে আন্তৰ্জাতিক ক্ৰিকেটত 22 বছৰ 91 দিন পূৰ্ণ কৰি অৱসৰ লৈছে। শচীনৰ খেলৰ সংখ্যা হ'ল 463¼ উল্লেখ্য যে ইংলণ্ড ভ্ৰমণলৈ যোৱা ভাৰতীয় মহিলা ক্ৰিকেট দলে প্ৰথমখন এদিনীয়া মেচত আঠ উইকেটত পৰাস্ত হোৱাৰ পাছত কাইলৈ দ্বিতীয় মেচখন খেলিব। ব্ৰিষ্টলত হোৱা প্ৰথম মেচত ভাৰতীয় মহিলা ক্ৰিকেট দলে প্ৰত্যাসিত প্ৰদৰ্শন কৰিব নোৱাৰিলে। টছত হাৰি পোনতে বেটিং কৰি ভাৰতে 50 অভাৰত আঠ উইকেট হেৰুৱাই 201 ৰাণ কৰে। মিতালী ৰাজে সৰ্বাধিক 72 ৰাণ কৰাৰ লগতে পুনম ৰাৱটে 32 আৰু দিপ্তী শৰ্মাই 30 ৰাণ কৰে। প্ৰত্যুত্তৰত, ইংলণ্ডে 34.5 অভাৰত দুটা উইকেট হেৰুৱাই 202 ৰাণ কৰি জয়লাভ অৰ্জন কৰে।

### বলিভিয়াক হৰুৱাই কোপা আমেৰিকা ফুটবলৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ

# মেছিৰ অভিলেখ মেচত আৰ্জেণ্টিনাৰ জয়লাভ



**ছাও পাওলো, ২৯ জুন ঃ** আৰ্জেণ্টিনাৰ হৈ সৰ্বাধিক মেচ খেলাৰ গৌৰৱৰ দিনটোতে দুটাকৈ গ'ল কৰি দলক বিজয় দিলে তাৰকা লিয়োনেল মেছিয়ে। উল্লেখ্য যে চলিত কোপা আমেৰিকা ফুটবলত আজি নিজৰ অন্তিমখন গ্ৰুপ মেচত আৰ্জেণ্টিনাই 4-1 গ'লত পৰাস্ত কৰে বলিভিয়াক। এই জয়ৰে দলে শীৰ্ষ হৈ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। আৰ্জেণ্টিনাৰ হৈ খেলৰ ছয় মিনিটত গ'মেজে প্ৰথমটো গ'ল কৰাৰ পাছত মেছিয়ে 33 মিনিটত পেনাল্টিৰ জৰিয়তে প্ৰথমটো আৰু 42 মিনিটত দ্বিতীয়টো গ'ল কৰে। আনহাতে, চতুৰ্থটো গ'ল কৰে মাৰ্টিনেজে (65 মিনিট)। উল্লেখ্য যে আজিৰ মেচখন আছিল মেছিৰ জাতীয় দলৰ হৈ খেলা 148 সংখ্যক মেচ। আৰ্জেণ্টিনাৰ হৈ সৰ্বাধিক মেচ খেলি জেভিয়াৰৰ অভিলেখ ভংগ কৰে মেছিয়ে। উল্লেখ্য যে আৰ্জেণ্টিনাই কোপা আমেৰিকাত ড্ৰ খেলি অভিযান আৰম্ভ কৰাৰ পাছত পৰৱৰ্তী তিনিখন মেচত জয়লাভ কৰি প্ৰত্যাসিত প্ৰদৰ্শন কৰে। আৰ্জেণ্টিনাই গ্ৰুপৰ তৃতীয় মেচত একমাত্ৰ গ'লত পৰাস্ত কৰিছিল পাৰাগুৱেক। আৰ্জেণ্টিনাৰ হৈ বিজয়সুচক গ'লটো দিছিল গ'মেজে। উল্লেখ্য যে আৰ্জেণ্টিনাই আশা কৰা ধৰণে অভিযান আৰম্ভ কৰাত বিফল হৈছিল। আৰ্জেণ্টিনাই নিজৰ প্ৰথম মেচত মুখামুখি হয় চিলিৰ। মেছিৰ দৰ্শনীয় গ'লেৰে আৰ্জেণ্টিনাই প্ৰথমে অগ্ৰগতি লোৱাৰ পাছতো 1-1 ত ড্ৰ খেলি পইণ্ট ভগাই লয়। কিন্তু নিজৰ দ্বিতীয় মেচত জয়ৰ সফলতা লাভ কৰিলে অৰ্জেণ্টিনাই। দলে একমাত্ৰ গ'লত পৰাস্ত কৰে উৰুগুৱেক। আৰ্জেণ্টিনাৰ হৈ বিজয়সুচক গ'লটো দিয়ে ৰড্ৰীগুৱেজে। উল্লেখ্য যে 14 বাৰ কোপা আমেৰিকা ফুটবলৰ খিতাপ লাভ কৰিছে আৰ্জেণ্টিনাই। কিন্তু দলে অন্তিমবাৰৰ বাবে 1993 তে লাভ কৰিছিল খিতাপ। উল্লেখ্য যে 1991 আৰু 1993 ত ক্ৰমাগত দুবাৰ কোপা আমেৰিকা ফুটবলৰ চেম্পিয়ন ট্ৰফী লাভ কৰিছিল আৰ্জেণ্টিনাই। 1991 ৰ ফাইনেলত দলে পৰাস্ত কৰিছিল ব্ৰাজিলক। আনহাতে, 1993 ৰ ফাইনেলত মেক্সিকোক হৰুৱাই খিতাপ লাভ কৰে আৰ্জেণ্টিনাই। পৰৱৰ্তী সময়ত আৰ্জেণ্টিনাই চাৰিবাৰ ফাইনেল খেলাৰ সুযোগ লাভ কৰে যদিও 2004 আৰু 2007 ত ব্ৰাজিলৰ বিৰুদ্ধে তথা 2015 আৰু 2016 ত চিলিৰ বিৰুদ্ধে পৰাস্ত হৈ ৰানাৰ্ছআপত সন্তুষ্ট থাকে দল।

# ৰেংকিঙৰ শীৰ্ষত আৰ্চাৰ দিপিকা



**নতুন দিল্লী, ২৯ জুন ঃ** ভাৰতৰ তাৰকা আৰ্চাৰ দিপীকা কুমাৰীয়ে বিশ্বকাপ আৰ্চাৰীত তিনিটা সোণৰ পদক লাভ কৰাৰ পাছত ৰেংকিঙত চমকপ্ৰদ উত্তৰণ কৰি শীৰ্ষত উপনীত হৈছে। আসন্ন টকিঅ' অলিম্পিকত দিপীকাই ৰিকাৰ্ভ শাখাৰ ৰেংকিঙত বিশ্বৰ শীৰ্ষ খেলুৱৈৰূপে অংশ ল'ব। উল্লেখ্য যে পেৰিছত অনুষ্ঠিত বিশ্বকাপ আৰ্চাৰীত দিপীকাই তিনিটা সোণৰ পদক লাভ কৰি গৌৰৱময় সফলতা অৰ্জন কৰিছে। দিপীকাই মহিলাৰ ৰিকাৰ্ভ শাখাৰ একক আৰু দলীয় শাখাত সোণ লাভ কৰাৰ লগতে মিক্সড ডাবলচতো সোণ অৰ্জন কৰে। দিনটোৰ প্ৰথমটো সোণ দিপীকাই স্বামী অতনু দাসৰ লগত মিক্সড ডাবলচ খেলি লাভ কৰে। দিপীকা আৰু অতনু দাসৰ যুটিয়ে ফাইনেলত 5-3 ৰ ব্যৱধানত পৰাস্ত কৰে নেদাৰলেণ্ডছক। ইফালে, মহিলাৰ দলীয় শাখাতো সোণ লাভ কৰে দিপীকাই নেতৃত্ব দিয়া ভাৰতৰ ৰিকাৰ্ভ দলে। দিপীকা, অংকিতা ভকট আৰু ক'মালিকা বাড়িয়ে ফাইনেলত পৰাস্ত কৰে মেক্সিকোৰ মহিলা দলক। আনহাতে, দিনটোৰ তৃতীয়টো সোণ দিপীকাই লাভ কৰে একক শাখাত। ফাইনেলত দিপীকাই 6-0 ৰ ব্যৱধানত পৰাস্ত কৰে ৰাছিয়াৰ প্ৰতিদ্বন্দ্বীক।



# কাভানিৰ গ'লেৰে অন্তিম আঠত উৰুগুৱে

**ছাও পাউলো, ২৯ জুন ঃ** চলিত কোপা আমেৰিকা ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত অন্তিমখন গ্ৰুপ মেচত উৰুগুৱে একমাত্ৰ গ'ল পাৰগুৱেক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। অৱশ্যে পৰাস্ত হ'লেও কোৱাৰ্টাৰত স্থান নিশ্চিত কৰে পাৰাগুৱে। খেলৰ 21 মিনিটত উৰুগুৱেৰ হৈ পেনাল্টিৰ জড়িয়তে গ'ল দিয়ে কাভানিয়ে। উল্লেখ্য যে পূৰ্বৰ মেচত উৰুগুৱে 2-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ব'লিভিয়াক। প্ৰথম দুখন মেচত ব্যৰ্থ হোৱাৰ পাছত ক্ৰমাগত দুখন মেচত জয়ৰ সফলতা লাভ কৰিলে উৰুগুৱে। উল্লেখ্য যে উৰুগুৱে প্ৰথম মেচত আৰ্জেণ্টিনাৰ বিৰুদ্ধে পৰাস্ত হোৱাৰ পাছত দ্বিতীয় মেচত ড্ৰ খেলিছিল চিলিৰ বিৰুদ্ধে।



আনহাতে, বলিভিয়াৰ বিৰুদ্ধে খেলা মেচত আত্মঘাতী গ'লৰ সহায়ত উৰুগুৱে বিৰতিলৈকে 1-0 গ'লৰ ব্যৱধানত অগুৱাই থকাৰ পাছত খেলৰ 79 মিনিটত উৰুগুৱেৰ হৈ দ্বিতীয়টো গ'ল দিয়ে কাভানিয়ে। উল্লেখ্য যে কোপা আমেৰিকাৰ জন্ম বৰ্ষৰ লগতে এতিয়ালৈকে মুঠ 15 বাৰ খিতাপ লাভ কৰি শীৰ্ষত আছে উৰুগুৱে। আনহাতে, 14 বাৰ খিতাপ লাভ কৰিছে আৰ্জেণ্টিনাই। পাঁচবাৰৰ ফিফা বিশ্বকাপৰ চেম্পিয়ন ব্ৰাজিলে কোপা আমেৰিকাৰ চেম্পিয়ন ট্ৰফী লাভ কৰিছে নবাৰ। পেৰু আৰু পাৰাগুৱে দুবাৰকৈ চেম্পিয়ন হোৱাৰ লগতে কলম্বিয়া আৰু ব'লিভিয়াই এবাৰকৈ খিতাপ হাতত লৈছে। খিতাপৰ পৰা বঞ্চিত থকা দেশ দুখন হ'ল ইকুৱেডৰ আৰু ভেনিজুৱেলা।

# ১২০ মিনিটৰ খেলত ব্যৰ্থ ক্ৰ'ৱেছিয়া ঃ সফল স্পেইন

**ক'পেনহেগেন, ২৯ জুন ঃ** পূৰ্বৰ বিশ্ব চেম্পিয়ন তথা ইউৰো কাপত তিনিবাৰকৈ খিতাপ লাভ কৰা স্পেইনে চলিত 16 সংখ্যক ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। 120 মিনিটৰ শ্বাসৰুদ্ধকাৰী প্ৰি-কোৱাৰ্টাৰ ফাইনেলত স্পেইনে 5-3 গ'লৰ ব্যৱধানত যোৱা বিশ্বকাপৰ ৰানাৰ্ছআপ ক্ৰ'ৱেছিয়াক পৰাস্ত কৰে। ফ্ৰান্সৰ বিৰুদ্ধে ছুইজাৰলেণ্ডে যি দৃঢ়তাৰে যুঁজ দি সফল হ'ল একেদৰে স্পেইনৰ বিৰুদ্ধে 3-1 ত পিছ পৰাৰ পাছত ক্ৰ'ৱেছিয়ায়ো সদৃস যুঁজ দিছিল যদিও অতিৰিক্ত সময়ত পৰাস্ত হৈ বিশ্ব চেম্পিয়নৰ দৰেই চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ পৰা প্ৰি-কোৱাৰ্টাৰতে অভিযান সামৰিলে বিশ্বকাপৰ ৰানাৰ্ছআপ ক্ৰ'ৱেছিয়াই। উল্লেখ্য যে মেচত প্ৰথমে অগ্ৰগতি লৈছিল ক্ৰ'ৱেছিয়াই। স্পেইনৰ গ'লৰক্ষকৰ অমনোযোগিতাৰ বাবে দলে আত্মঘাতী গ'ল হজম কৰিব লগা হয়। কিন্তু ছাৰাবিয়াৰ গ'লে বিৰতিলৈ স্পেইনে মেচত 1-1 ত সমতা স্থাপন কৰে। দ্বিতীয়াৰ্ধৰ খেল আৰম্ভ হোৱাত স্পেইনে দুটা গ'ল কৰি মেচত 3-1 ত অগ্ৰগতি লয়। দলৰ হৈ 57 মিনিটত চিছাৰে আৰু 77 মিনিটত ফাৰেন ট'ৰেছে গ'ল দুটা কৰে। কিন্তু মেচ সমাপ্তিৰ পূৰ্বে শক্তিশালী প্ৰত্যাৱৰ্তন কৰে ক্ৰ'ৱেছিয়াই। খেলৰ 85 মিনিটত অ'ৰ্ছিকে আৰু ইঞ্জুৰী টাইমত পালাছিকে গ'ল কৰি মেচত 3-3 ত সমতা স্থাপন কৰে। মেচৰ ফলাফলৰ বাবে অতিৰিক্ত সময় খেলোৱা হয় আৰু স্পেইনে দুটা গ'ল কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে। দলৰ হৈ অতিৰিক্ত সময়ত গ'ল দুটা কৰে ম'ৰাতা (100 মিনিট) আৰু মিকেলে (103 মিনিট)। উল্লেখ্য যে স্পেইনে গ্ৰুপৰ প্ৰথম দুখন মেচ ড্ৰ খেলাৰ পাছত চমকপ্ৰদ খেলেৰে নিজৰ গ্ৰুপৰ অন্তিম মেচত 5-0 গ'লত শ্ল'ভাকিয়াক বিধ্বস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। উল্লেখ্য যে গ্ৰুপ 'ই'ৰ নিজৰ প্ৰথম মেচত স্পেইনে গ'লশূণ্য ড্ৰ খেলিছিল ছুইডেনৰ বিৰুদ্ধে। আনহাতে, দ্বিতীয় গ্ৰুপ মেচত পোলেণ্ডৰ বিৰুদ্ধে 1-1 ত ড্ৰ খেলে স্পেইনে। উল্লেখ্য যে ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত গৌৰৱময় ইতিহাস আছে স্পেইনৰ। ফিফা বিশ্ব কাপৰ চেম্পিয়ন স্পেইনে তিনিবাৰকৈ দখল কৰিছে ইউৰো কাপৰ চেম্পিয়ন ট্ৰফী। স্পেইনৰ সফলতা আন এক দৃষ্টিৰেও অনন্য। ক্ৰমাগত দুবাৰ ইউৰো কাপৰ খিতাপ লাভ কৰা একমাত্ৰ দলটো হ'ল স্পেইন। উল্লেখ্য যে স্পেইনে 2008 আৰু 2012 ত ক্ৰমাগত দুবাৰ ইউৰো কাপ লাভ কৰিছে। ইয়াৰপূৰ্বে স্পেইনে 1964 ত প্ৰথমবাৰৰ বাবে ইউৰোৰ চেম্পিয়ন হৈছিল। এইবাৰ দলে প্ৰথম দুখনত মেচত প্ৰত্যাসিত প্ৰদৰ্শন কৰিব পৰা নাছিল যদিও অন্তিম দখন মেচত যি চমক আৰু শক্তিৰ পৰিচয় দিছে নিশ্চিতভাৱে খিতাপৰ দাবীদাৰ।



# ৰাহিৰ জৰিয়তে বিশ্বকাপ শ্বুটিঙত ভাৰতৰ প্ৰথমটো সোণৰ পদক লাভ



**নতুন দিল্লী, ২৯ জুন ঃ** চলিত বিশ্বকাপ শ্বুটিং প্ৰতিযোগিতাত ভাৰতে প্ৰথমটো সোণৰ পদক লাভ কৰিছে। ভাৰতৰ ৰাহি ছৰ্ণবাটে মহিলাৰ 25 মিটাৰ পিষ্টল শাখাত সোণ লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে এয়া ভাৰতৰ প্ৰতিযোগিতাত চতুৰ্থটো পদক। উল্লেখ্য যে ক্ৰ'ৱেছিয়াত চলি থকা বিশ্বকাপ শ্বুটিং প্ৰতিযোগিতাত ভাৰতৰ হৈ ইয়াৰপূৰ্বে 10 মিটাৰ এয়াৰ পিষ্টলৰ মিক্সড শাখাত সৌৰভ চৌধুৰী আৰু মনু ভাকেৰে ফাইনেলত পৰাস্ত হৈ ৰূপৰ পদক লাভ কৰিছিল। সৌৰভ চৌধুৰী আৰু মনু ভাকেৰৰ চলিত বিশ্বকাপ শ্বুটিং প্ৰতিযোগিতাত সেয়া আছিল দ্বিতীয়টো পদক। ইয়াৰপূৰ্বে ভাৰতৰ মহিলা দলে 10 মিটাৰ এয়াৰ পিষ্টল শাখাত ব্ৰঞ্জৰ পদক লাভ কৰিছিল। উল্লেখ্য যে প্ৰথমদিনা ভাৰতৰ মহিলাই একক শাখাত পদক লাভ কৰাত বঞ্চিত হৈছিল। কিন্তু দ্বিতীয় দিনা মনু ভাকেৰ, যশস্বীনি সিং আৰু ৰাহি ছৰ্ণবাটৰ দ্বাৰা গঠিত ভাৰতৰ মহিলা দলে 10 মিটাৰ এয়াৰ পিষ্টল শাখাত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। আনহাতে, প্ৰতিযোগিতাত ভাৰতক প্ৰথমদিনা পদক দিছিল সৌৰভ চৌধুৰীয়ে। পুৰুষৰ এককত 10 মিটাৰ এয়াৰ পিষ্টল শাখাত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয় সৌৰভে। উল্লেখ্য যে আসন্ন টকিঅ' অলিম্পিকত অংশ লোৱাৰ পূৰ্বে চলিত বিশ্বকাপ শ্বুটিং প্ৰতিযোগিতাত অংশ লোৱা ভাৰতীয় দলৰ বাবে এয়া গুৰুত্বপূৰ্ণ সফলতা। আসন্ন টকিঅ' অলিম্পিকত অংশ ল'ব লগা ভাৰতৰ সকলো শ্বুটাৰে ক্ৰ'ৱেছিয়াত চলি থকা বিশ্বকাপ শ্বুটিং প্ৰতিযোগিতাত অংশ লৈছে।

